www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

বিশ্বাস অবিহনে পৃথিৱীৰ কোনো কামেই সম্ভৱ নহয়।
— স্বামী বিবেকানন্দ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ২৪৯ □ দেওবাৰ □ ১৯ জুলাই, ২০২৬ চন □ Volume/Year- I □ Issue- 249 □ Sunday □ 19th July, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page-8

# প্ৰতিবাদস্থলীৰ পৰা বলপূৰ্বকভাৱে আঁতৰালে সোণম ৱাংচুকক

## ছফদৰজং হাস্পতালত সোণম ৱাংচুকৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন

### দীৰ্ঘদিনীয়া উপবাসত ডিহাইড্ৰেচন আৰু ইলেক্ট্ৰ'লাইটৰ ভাৰসাম্যহীনতা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ জুলাই ঃ** ক'কৰোচ্ছ জনতা পাৰ্টীৰ নেতৃত্বত দিল্লীৰ যন্তৰ-মন্তৰত চলি থকা প্ৰতিবাদৰ মাজতে শনিবাৰে পুৱা আৰক্ষীয়ে সমাজকৰ্মী সোণম ৱাংচুকক প্ৰতিবাদস্থলীৰ পৰা ছফদৰজং হাস্পতাললৈ লৈ যায়। ইয়াৰ পিছতে চিকিৎসকে তেওঁৰ স্বাস্থ্য অৱস্থাৰ বিষয়ে সদৰি কৰে। ছফদৰজং □ ৬ পৃষ্ঠাত

## প্ৰতিবাদকাৰীৰ লাঠীচালনাৰ অভিযোগ ঃ অভিজিৎ দীপকেৰ অনিৰ্দিষ্টকালীন অনশন

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ জুলাই ঃ** কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত ক'কৰোচ্ছ জনতা পাৰ্টীৰ নেতৃত্বত যন্তৰ-মন্তৰত চলি থকা প্ৰতিবাদৰ মাজতে শনিবাৰে পুৱা দিল্লী আৰক্ষীয়ে সমাজকৰ্মী সোণম ৱাংচুকক প্ৰতিবাদস্থলীৰ পৰা উঠাই ছফদৰজং হাস্পতাললৈ লৈ যায়। এই ঘটনাই প্ৰতিবাদস্থলীত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰে। প্ৰত্যক্ষদৰ্শী আৰু প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে, আৰক্ষীয়ে ৱাংচুকৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁক স্থানান্তৰিত কৰে। তেওঁলোকৰ মতে, সাধাৰণ কাপোৰ পিন্ধা আৰক্ষীৰ লোকে চিকিৎসা দলৰ ৰূপ লৈ প্ৰথমে প্ৰতিবাদস্থলীত প্ৰৱেশ কৰে আৰু পাছত ৱাংচুকক কাপোৰেৰে ঢাকি জোৰকৈ এম্বুলেন্সত তুলি লৈ যায়। এই সময়ছোৱাত আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলৰ লগত হাতাহাতি আৰু মাৰপিটো কৰে বুলি অভিযোগ উত্থাপন হয়। ইফালে ক'কৰোচ্ছ জনতা পাৰ্টিৰ প্ৰতিষ্ঠাপক অভিজিৎ



দীপকে সামাজিক মাধ্যমযোগে দাবী কৰে যে, ৱাংচুকক লৈ যোৱাৰ সময়ত আৰক্ষীয়ে তেওঁক মাৰপিট কৰি আটক কৰি ৰাখিছিল। তেওঁ লগতে কয়, "যন্তৰ-মন্তৰত আৰক্ষীয়ে বল প্ৰয়োগ কৰি জনতাক প্ৰহাৰ কৰিছে। সোণম ছাৰক জোৰকৈ লৈ যোৱা হৈছে। মোকো প্ৰহাৰ কৰি আটক কৰি ৰখা হৈছে।" দীপকে আৰু কয়, "যদি তেওঁলোকে ভাবে যে সোণম ছাৰক আঁতৰাই নিলেই এই আন্দোলন শেষ হ'ব, তেন্তে তেওঁলোক ভুল কৰিছে। আমি ইয়াতে থাকিম আৰু ২০ জুলাইত সংসদ অভিমুখে মাৰ্চ কৰিম।" আনহাতে, দিল্লী আৰক্ষীয়ে এই অভিযোগ সম্পূৰ্ণৰূপে নাকচ কৰি কয় যে, ৱাংচুকৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল আৰু বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ আৰু দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি তেওঁক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। নতুন দিল্লীৰ উপ-আৰক্ষী আয়ুক্ত শচীন শৰ্মাই স্পষ্ট কৰে, "উচ্চন্যায়ালয়ৰ নিৰ্দেশ, তেওঁৰ স্বাস্থ্যৰ □ ৬ পৃষ্ঠাত

## বিহালী অভয়াৰণ্যত পুনৰ গুলীচালনা ঃ আহত এজন

### অৰুণাচলী দুৰ্বৃত্তৰ গুলীত পেটত লাগিল গুলী, বনৰক্ষীৰ প্ৰত্যুত্তৰত ৪০ ৰাউণ্ড গুলী



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ জুলাই ঃ** অসম-অৰুণাচল সীমান্তৰ বিহালী অভয়াৰণ্যত শনিবাৰে পুনৰ গুলীচালনাৰ ঘটনা সংঘটিত হয়। অভয়াৰণ্যখনৰ ডিকাল এলেকাত অৰুণাচল প্ৰদেশৰ ফালৰ পৰা অহা দুৰ্বৃত্তই বনৰক্ষীৰ দলটোক লক্ষ্য কৰি ধাৰাসাৰ গুলীবৰ্ষণ কৰে। এই ঘটনাত প্ৰেমচন্দ বসুমতাৰী নামৰ এজন লোক □ ৬ পৃষ্ঠাত

## দেশৰ প্ৰথমটো সম্পূৰ্ণ ব্যক্তিগত খণ্ডৰ অৰ্বিটেল ৰকেট 'বিক্ৰম-১'ৰ মহাকাশৰ কক্ষপথত প্ৰৱেশ

### প্ৰধানমন্ত্ৰী মোদীৰ ফোনত স্কাইৰুট দলক অভিনন্দন

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ জুলাই ঃ** ভাৰতৰ মহাকাশ গৱেষণাৰ ইতিহাসত আজি সংযোজিত হ'ল এক নতুন গৌৰৱময় অধ্যায়। দেশৰ প্ৰথমটো সম্পূৰ্ণ ব্যক্তিগত খণ্ডৰ অৰ্বিটেল ৰকেট 'বিক্ৰম-১'-এ সফলতাৰে মহাকাশৰ কক্ষপথত প্ৰৱেশ কৰি এক অভূতপূৰ্ব সাফল্য অৰ্জন কৰিলে। হায়দৰাবাদস্থিত ব্যক্তিগত মহাকাশ কোম্পানী স্কাইৰুট এৰ'স্পেচে নিৰ্মাণ কৰা এই ৰকেটটো শ্ৰীহৰিকোটাৰ □ ৬ পৃষ্ঠাত



## মোৰ অনুমতি অবিহনে সোণমক হাত নলগাব ঃ পত্নী গীতাঞ্জলিৰ হুংকাৰ

### আৰক্ষীয়ে যন্তৰ-মন্তৰৰ পৰা হাস্পতাললৈ নিয়াৰ পিছত পত্নীৰ সতৰ্কবাণী



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ জুলাই ঃ** সমাজকৰ্মী সোণম ৱাংচুকক দিল্লী আৰক্ষীয়ে যন্তৰ-মন্তৰৰ প্ৰতিবাদস্থলীৰ পৰা ছফদৰজং হাস্পতাললৈ স্থানান্তৰ কৰাৰ পিছতে তেওঁৰ পত্নী গীতাঞ্জলি জে আংগম'ৰে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। তেওঁ স্পষ্টভাৱে কৈছে, "মোৰ অনুমতি অবিহনে কোনেও সোণম ৱাংচুকক হাত নলগাব। মোৰ □ ৬ পৃষ্ঠাত

## নিটি আয়োগৰ সূচকাংকত অসম অগ্ৰণী ৰাজ্য

### উত্তৰ-পূবৰ ভিতৰত দ্বিতীয় শ্ৰেষ্ঠ স্থান অসমৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ জুলাই ঃ** অসমে ৰাষ্ট্ৰীয় পৰ্যায়ত এক গুৰুত্বপূৰ্ণ সন্মান অৰ্জন কৰিছে। নিটি আয়োগে প্ৰকাশ কৰা 'বিনিয়োগ অনুকূলতা সূচকাংক' (Investment Friendliness Index)ত ৰাজ্যখন অগ্ৰণী ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰিছে। এই বৃহৎ সাফল্যৰ কথা সামাজিক মাধ্যম 'এক্স' (পূৰ্বৰ টুইটাৰ)ৰ জৰিয়তে জনাইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সূচকাংকত অসমৰ উৎকৰ্ষৰ প্ৰশংসা □ ৬ পৃষ্ঠাত




## আহমেদাবাদৰ ৰামোলত অবৈধ ফটকা কাৰখানাত ভয়ংকৰ অগ্নিকাণ্ড

### শোকাবহ অগ্নিকাণ্ডত নিহত আঠজন, আহত বহু



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ জুলাই ঃ** গুজৰাটৰ আহমেদাবাদ চহৰৰ ৰামোল অঞ্চলত সংঘটিত হোৱা এক শোকাবহ অগ্নিকাণ্ডত পাঁচজন লোকৰ প্ৰাণ হেৰুৱাৰ উপৰিও কমেও নজন আহত হৈছে। শনিবাৰে পুৱা মেহমদপুৰস্থিত আৰএএফ শিবিৰৰ সমীপৰ এটা অবৈধ ফটকা কাৰখানাত হঠাতে জুই লাগি এই দুৰ্ঘটনা ঘটে। প্ৰত্যক্ষদৰ্শীসকলে □ ৬ পৃষ্ঠাত

## অৰুণাচলৰ টিৰাপত এনএছচিএন-আৰ ফৈদৰ কেডাৰৰ আত্মসমৰ্পণ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৮ জুলাই ঃ** অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ খুনচাত শুকুৰবাৰে আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ সন্মুখত এন এছ চি এন-ৰিফৰ্মেচন ফৈদৰ এজন বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰে। বিদ্ৰোহীজন নাগালেণ্ডৰ মন জিলাৰ ন্যাছা গাঁৱৰ বাসিন্দা স্বয়ম্ভু লেফটেনেণ্ট কৰ্ণেল পেংগাম কন্যাক (৪২) বুলি চিনাক্ত কৰা হৈছে। বিদ্ৰোহীজনৰ পৰা এটা মেগজিনসহ এটা □ ৬ পৃষ্ঠাত

## সোণম ৱাংচুকৰ প্ৰতিকৃতি অংকনৰ অভিযোগত গুৱাহাটীত দুজন যুৱকক গ্ৰেপ্তাৰ

### ৰাজহুৱা সম্পত্তি নষ্ট কৰাৰ অভিযোগত দিছপুৰ আৰক্ষীৰ গোচৰ




**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ জুলাই ঃ** সমাজকৰ্মী, পৰিৱেশবিদ আৰু বিজ্ঞানী সোণম ৱাংচুকৰ ছবি অংকন কৰিবলৈ যোৱা দুজন যুৱকক গ্ৰেপ্তাৰ কৰিলে গুৱাহাটী আৰক্ষীয়ে। দিছপুৰ থানাৰ আৰক্ষীয়ে গতকালি নিশা জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহলৈ যোৱা পথৰ দেৱালত ৰং কৰি থকা অৱস্থাত তেওঁলোকক আটক কৰে। গ্ৰেপ্তাৰকৃত যুৱক দুজন হৈছে চৰকাৰী চাৰু কাৰু কলা মহাবিদ্যালয়ৰ ছাত্ৰ নকুল মিলি আৰু গৌৰৱ সিং। আৰক্ষীৰ অভিযোগ অনুসৰি, অনুমতি অবিহনে ৰাজহুৱা সম্পত্তিৰ দেৱালত ছবি অংকন কৰি তেওঁলোকে সম্পত্তি নষ্ট কৰিছে। এই ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি দিছপুৰ আৰক্ষীয়ে ৫২৪/২৬ নম্বৰত গোচৰ ৰুজু কৰি যুৱক দুজনক গ্ৰেপ্তাৰ কৰে। কামৰূপ (মহানগৰ) উপ-আৰক্ষী আয়ুক্ত হিৰণ্য কুমাৰ বৰ্মণে সাংবাদিকক কয়, "নিশা টহলদাৰী আৰক্ষীয়ে দেৱালত ৰং কৰি থকা অৱস্থাত তেওঁলোকক আটক কৰিছিল। তেওঁলোকে সোণম ৱাংচুকৰ ছবি অংকন □ ৬ পৃষ্ঠাত

## ৱাংচুকৰ প্ৰতি সমৰ্থন সদৌ অসম ছাত্ৰ সন্থাৰ

### ১৯ জুলাইত ৰাজ্যজুৰি 'মমশিখা প্ৰজ্বলন'

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ জুলাই ঃ** শিক্ষাবিদ তথা সমাজকৰ্মী সোণম ৱাংচুকৰ গণতান্ত্ৰিক সংগ্ৰামৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই সদৌ অসম ছাত্ৰ সন্থাই এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিয়ে ১৯ জুলাইত সমগ্ৰ অসমজুৰি এক বিশেষ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ ঘোষণা


সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION

কৰিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্যৰ প্ৰতিখন জিলা আৰু মহকুমা সদৰত সন্ধিয়া 'মমশিখা প্ৰজ্বলন' অনুষ্ঠিত কৰা হ'ব। এক প্ৰেছ বিবৃত্তিৰ জৰিয়তে ছাত্ৰ সন্থাৰ নেতৃত্বই স্পষ্ট কৰিছে যে, সোণম ৱাংচুকে উত্থাপন কৰা বিষয়সমূহ কেৱল ব্যক্তিগত নহয়, বৰঞ্চ গোটেই দেশৰ ভৱিষ্যৎ আৰু নতুন প্ৰজন্মৰ সুৰক্ষাৰ সৈতে □ ৬ পৃষ্ঠাত

## ব্যক্তিগত খণ্ডৰ 'বিক্ৰম-১'ৰ সফল উৎক্ষেপণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অভিনন্দন

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ জুলাই ঃ** ভাৰতৰ মহাকাশ গৱেষণাৰ ইতিহাসত আজি সংযোজিত হ'ল এক সোণালী অধ্যায়। সম্পূৰ্ণৰূপে ব্যক্তিগত খণ্ডৰ প্ৰযুক্তিৰে নিৰ্মিত 'বিক্ৰম-১'ৰকেটে সফলভাৱে □ ৬ পৃষ্ঠাত



## জাপানীজ এনকেফেলাইটিছত গোলাঘাট জিলাত দুজনৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** গোলাঘাট জিলাত ভয়ানকভাৱে বৃদ্ধি পাব ধৰিছে জাপানীজ এনকেফেলাইটিছ ৰোগৰ সংক্ৰমণৰ সংখ্যা। এই পৰ্যন্ত এই ৰোগত আক্ৰান্ত হৈ এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ লগতে এটি পাঁচ বছৰীয়া কণমানিৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগৰ তৰফৰ জানিব পৰা গৈছে। জিলাখনৰ বোকাখাত, মিছামৰা, কমাৰবন্ধা আদি অঞ্চলত এই ৰোগে তীব্ৰ ৰূপ ধাৰণ কৰিছে। এই সন্দৰ্ভত গোলাঘাট জিলা চাৰ্ভেলেন্স বিষয়া ডাঃ ৰঞ্জিত হাজৰিকাই জানিবলৈ দিয়া □ ৬ পৃষ্ঠাত

## ৰাজহ বঢ়ালেহে প্ৰকৃতি ৰক্ষা সম্ভৱ ঃ বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱা




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ জুলাই ঃ** শনিবাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰে বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। বৈঠকত কাজিৰঙা উদ্যান কৰ্তৃপক্ষ, গোলাঘাট, নগাঁও, বিশ্বনাথ আৰু কাৰ্বি আংলং জিলাৰ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া, কাজিৰঙা পৰ্যটন ব্যৱসায়ী আৰু কল্যাণ সমিতি, কহঁৰা, বাগৰি, অগৰাতলি আৰু বুঢ়া পাহাৰৰ জীপ ছাফাৰি সংস্থা, হোটেল এচোছিয়েশ্যন, গাইড এচোছিয়েশ্যন, পৰ্যটন ব্যৱসায়ী তথা □ ৬ পৃষ্ঠাত

### কাজিৰঙাত ৰাজহ বৃদ্ধিৰ নতুন পৰিকল্পনা, পঞ্চতাৰকা হোটেল স্থাপনৰ ওপৰত গুৰুত্ব

### ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ ঘোষণা

## আদিত্য সুহাস জাম্ভালৰ পৰিচালিত ARTICLE 370লৈ শ্ৰেষ্ঠ ছবিৰ বঁটা



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৮ জুলাই ঃ** ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ আজি ঘোষণা কৰা হৈছে। আদিত্য সুহাস জাম্ভালৰ পৰিচালিত ARTICLE 370 ছবিখনলৈ শ্ৰেষ্ঠ ছবিৰ বঁটা আগবঢ়োৱা হৈছে। ৰাজকুমাৰ ৰাও অভিনীত চলচ্চিত্ৰ শ্ৰীকান্তলৈ শ্ৰেষ্ঠ হিন্দী চলচ্চিত্ৰৰ বঁটা আগবঢ়োৱা হৈছে। যদুমণি দত্ত পৰিচালিত জুইফুললৈ শ্ৰেষ্ঠ অসমীয়া চলচ্চিত্ৰৰ বঁটা লাভ কৰিছে। কাৰ্তিক আয়ন আৰু মামুত্তিক যুটীয়াভাৱে শ্ৰেষ্ঠ □ ৬ পৃষ্ঠাত

## ৩০ সংখ্যক BWF বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ মেছকট আৰু থীম ছং মুকলি

### নতুন দিল্লীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ক্ৰীড়া মন্ত্ৰী ডাঃ মনছুখ মান্দবিয়াৰ উপস্থিতিত অনুষ্ঠান

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ জুলাই ঃ** অহা ১৭ আগষ্টৰ পৰা ২৩ আগষ্টলৈ নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগা ৩০ সংখ্যক বি ডব্লিউ এফ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপ-



২০২৬ৰ মেছকট আৰু থীম ছং শনিবাৰে আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। কেন্দ্ৰীয় □ ৬পৃষ্ঠাত

## জুইফুল'লৈ শ্ৰেষ্ঠ অসমীয়া ছবিৰ ৰাষ্ট্ৰীয় বঁটা

### অসম-নাগালেণ্ড সীমান্তৰ কাহিনীৰে দৰ্শকৰ মন জিকিলে 'জুইফুল'এ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ জুলাই ঃ** অসমীয়া চলচ্চিত্ৰ জগতলৈ আজি এক গৌৰৱময় দিন। নতুন দিল্লীৰ ৰাষ্ট্ৰীয় মিডিয়া চেণ্টাৰত ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে ঘোষণা কৰা ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা (২০২৪)ৰ তালিকাত অসমীয়া ছবি 'জুইফুল' (অৰেঞ্জ এণ্ড পাৰ্পল) ৰে ফিচাৰ শাখাত শ্ৰেষ্ঠ অসমীয়া চলচ্চিত্ৰৰ সন্মান লাভ কৰিছে। পৰিচালক যদুমণি দত্তৰ এই ছবিখনে চাৰি বছৰীয়া পৰিশ্ৰমৰ ফলশ্ৰুতি হিচাপে ৰাষ্ট্ৰীয় মঞ্চত সন্মান অৰ্জন কৰিলে। 'জুইফুল'ৰ চিত্ৰনাট্য লিখিছে নিজৰা ৰাজকুমাৰীয়ে। সহ-প্ৰযোজক হিচাপে আছে ৰীতা দত্ত আৰু নন্দিনী শৰ্মা দত্ত। চিনেমাট'গ্ৰাফী জিতেন বড়োৰ, ছাউণ্ড ডিজাইন অনিশ বসুৰ, সম্পাদনা (VFX) শিবাজিৎ শৰ্মাৰ আৰু বেকগ্ৰাউণ্ড মিউজিক ৰাজীৱ কাশ্যপৰ। মুখ্য সহকাৰী পৰিচালক শৰৎ বাপি শইকীয়া আৰু সহকাৰী পৰিচালক বেদব্ৰত শইকীয়া। ড্ৰোন চিত্ৰগ্ৰহণ কৈলাস দুৱৰাৰ, সহকাৰী চিনেমাট'গ্ৰাফীৰ দায়িত্বত আছে ৰাজা। অসম-নাগালেণ্ড দুয়োখন ৰাজ্যৰ শিল্পীৰ সমাহাৰ ঘটিছে ছবিখনত। অভিনয় কৰিছে শিৱাৰাণী কলিতা, ডিপান্তী লুথা, বেনডাং মেৰেন আউ, ৰিতুপৰ্ণ ফুকন, ত্ৰিদীপ গগৈ, বেদব্ৰত শইকীয়া, টিনা গগৈ, পৰিস্মিতা শইকীয়াকে ধৰি ন-পুৰণি বহু অভিনেতা-অভিনেত্ৰীয়ে। এই ৰাষ্ট্ৰীয় সন্মানে অসমীয়া চলচ্চিত্ৰ উদ্যোগক নতুন উছাহ দিয়াৰ লগতে অসমৰ কৃষ্টি-সংস্কৃতি আৰু সমসাময়িক বিষয়বস্তুক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।



দন্তৰ দাবীত শিক্ষামন্ত্ৰীক লিখিত অভিযোগ ভুক্তভোগী শিক্ষকৰ

# ৰঙিয়াত জ্যেষ্ঠতাৰ বাবে নথি জালিয়াতিৰে চাকৰিত যোগদানৰ অভিযোগ

**অসম বাৰ্তা, ৰঙিয়া, ১৭ জুলাই ঃ** ৰঙিয়াৰ তিতকুৰিৰ বিটি হায়াৰ ছেকেণ্ডাৰী স্কুলৰ স্নাতক শিক্ষক আলিমুল হুছেইনে বিদ্যালয়খনৰ প্ৰধান শিক্ষক কাচিম আলী আৰু স্নাতক শিক্ষয়িত্ৰী নাজমুন নাহাৰৰ বিৰুদ্ধে নথি জালিয়াতি কৰি চাকৰিত যোগদান, চৰকাৰী নথি বিকৃতকৰণ আৰু ষড়যন্ত্ৰমূলক কাৰ্যকলাপৰ অভিযোগ উত্থাপন কৰিছে। এই সন্দৰ্ভত তেওঁ শিক্ষামন্ত্ৰীলৈ এখন লিখিত স্মাৰকপত্ৰ দাখিল কৰি সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্ত আৰু আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। শিক্ষক আলিমুলে অভিযোগ কৰা মতে ২০২৫ চনৰ ২৮ অক্টোবৰত বিদ্যালয়খনত স্নাতক শিক্ষক পদত যোগদানৰ বাবে তেওঁ উপস্থিত হৈছিল। কিন্তু বিদ্যালয়ৰ প্ৰধান শিক্ষক কাচিম আলীয়ে তেওঁৰ যোগদান গ্ৰহণ নকৰাৰ বিপৰীতে একে সময়তে বিদ্যালয়খনৰ শিক্ষয়িত্ৰী নাজমুন নাহাৰক চাকৰিত যোগদান কৰোৱা দেখুৱাই তেওঁৰ অধিকাৰ খৰ্ব কৰা হৈছে। স্মাৰকপত্ৰখনত উল্লেখ কৰা মতে ২০২৫ চনৰ ২৯ অক্টোবৰত নাজমুন নাহাৰে বিদ্যালয়ত উপস্থিত নথকাৰ পিছতো নিয়ম বহিৰ্ভূত ভাৱে অধ্যক্ষ কাচিম আলীয়ে পিছদিনা শিক্ষয়িত্ৰী গৰাকীৰ নথিপত্ৰৰ সত্যাসত্য নিৰূপণ আৰু নটাৰী শপতনামা সম্পন্ন কৰা হয় বুলি অভিযোগত প্ৰকাশ। ইয়াৰ উপৰিও অধ্যক্ষ গৰাকীয়ে বিদ্যালয়খনত বিভিন্ন সময়ত মিছা অভিযোগ, মানসিক হাৰাশাস্তি আৰু চাকৰিৰ পৰা বঞ্চিত কৰাৰ অপচেষ্টা চলোৱা বুলি অভিযোগ কৰে। যোৱা ৩০ জুনত অনুষ্ঠিত যোগদান আৰু জ্যেষ্ঠতা নিৰ্ধাৰণ বৈঠকতো অধ্যক্ষ গৰাকীয়ে বিষয়টো ইচ্ছাকৃতভাৱে নিষ্পত্তি কৰাৰ পৰা বিৰত থাকে। অভিযোগকাৰীয়ে উক্ত ঘটনাসমূহৰ ভিত্তিত নথি জালিয়াতি, অপৰাধমূলক ষড়যন্ত্ৰ, মানসিক নিৰ্যাতন, অবৈধভাৱে দৰমহা কৰ্তন আৰু চাকৰিৰ বৈধ অধিকাৰ তথা প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত কৰাৰ অভিযোগ সন্দৰ্ভত নিৰপেক্ষ তদন্ত চলাই অভিযুক্তৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিক্ষামন্ত্ৰীৰ ওচৰত দাবী জনাইছে।

বন বিষয়াৰ নিলম্বনৰ দাবীত তিনি সংগঠনৰ কাৰ্যালয় ঘেৰাও

# আমগুৰি বন বিষয়াৰ বিৰুদ্ধে অবৈধ ধন সংগ্ৰহৰ অভিযোগ

**অসম বাৰ্তা, চেলেংহাট, ১৭ জুলাই ঃ** শিৱসাগৰ বন সংমণ্ডলৰ অধীনস্থ আমগুৰি বন কাৰ্যালয়ৰ কৰ্মচাৰীৰ বিৰুদ্ধে অবৈধ ধন সংগ্ৰহৰ অভিযোগত যোৱা বৃহস্পতিবাৰে আমগুৰি খণ্ড বন কাৰ্যালয়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বীৰ লাচিত সেনা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ বিষয়ববীয়াই খণ্ড বন বিষয়াৰ কাৰ্যালয় ঘেৰাও কৰে। আমগুৰি খণ্ড বন বিষয়াৰ নেতৃত্বত অবৈধভাৱে গাড়ীৰ পৰা ধন সংগ্ৰহ কৰা হৈছে বুলি অভিযোগ আনি জাতীয় সংগঠনসমূহৰ বিষয়ববীয়াই বন বিষয়াক নিলম্বন কৰক আৰু অবৈধ ধন সংগ্ৰহ বন্ধ কৰক বুলি দাবী জনায়। "বন বিভাগ হায় হায়" শ্ল'গানেৰে বিক্ষোভকাৰীসকলে বন বিষয়াৰ কাৰ্যালয় প্ৰাংগণ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে আমগুৰি খণ্ড বন বিষয়া বাদশ্বাহ আলিক তাৎক্ষণিকভাৱে আমগুৰিৰ পৰা নিলম্বন কৰিবলৈ দাবী জনায়। প্ৰতিবাদস্থলীতে শিৱসাগৰ ৰেঞ্জাৰসহ বন বিভাগৰ উচ্চপদস্থ বিষয়া উপস্থিত হৈ ঘটনাৰ তদন্তৰ আশ্বাস প্ৰদান কৰাত পৰিস্থিতি শান্ত হয়। অন্যহাতে, আমগুৰি বন বিষয়াক নিলম্বন নকৰিলে অধিক তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ গঢ়ি তোলা হ'ব বুলি সংগঠনসমূহে হুংকাৰ প্ৰদান কৰিছে।

# অসম চৰকাৰৰ পৰিবহণ আয়ুক্তৰ আদেশৰ ভিত্তিত বৰপেটা জিলাত ই-ৰিস্কা চালনা সম্পৰ্কে নিৰ্দেশনা জাৰি

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৮ জুলাই ঃ** অসম চৰকাৰৰ পৰিবহণ আয়ুক্তৰ আদেশৰ ভিত্তিত, বৰপেটা জিলাত ই-ৰিস্কা চালনা সম্পৰ্কে কিছু নিৰ্দেশনা জাৰি কৰা হৈছে। ই-ৰিস্কাৰ ক্ষেত্ৰত চালকক বাদ দি চাৰিজনতকৈ অধিক যাত্ৰী কঢ়িয়াই নিব পৰাকৈ ডিজাইন কৰা হৈছে। যিহেতু, এনে বাহনসমূহ কেন্দ্ৰীয় মটৰ গাড়ী নিয়ম, ১৯৮৯ৰ নিয়ম ১২৬ৰ অধীনত, অটোমোটিভ উদ্যোগ মানদণ্ড (এআইএছ) অনুসৰি, এনে বাহনৰ বাবে প্ৰযোজ্য কাৰিকৰী আৰু সুৰক্ষা মানদণ্ড নিৰ্ধাৰণ কৰি প্ৰকাৰ অনুমোদিত; আৰু য'ত ই-ৰিস্কাসমূহে কেৱল যোগ্য কৰ্তৃপক্ষই প্ৰদান কৰা অনুমতিত উল্লেখ কৰা অঞ্চল আৰু পথৰ ভিতৰততহে চলাচল কৰাৰ অনুমতি দিয়া হৈছে, আৰু ইয়াৰ উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক ঘাইপথৰ সংযোগী বিন্দুলৈকে ফিডাৰ সংযোগ প্ৰদান কৰা। এতিয়া দৃষ্টিগোচৰ হৈছে যে বৃহৎ সংখ্যক ই-ৰিস্কা, যদিও গ্ৰাম্য পথ আৰু ফিডাৰ পথত চলাচলৰ অনুমতি আছে, তথাপিও তেওঁলোকৰ অনুমতিৰ চৰ্ত উলংঘা কৰি ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক ঘাইপথত চলি আছে; আৰু যিহেতু জিলা পথ সুৰক্ষা সমিতি (ডি আৰ এছ চি), বৰপেটাৰ ০৮/০৭/২০২৬ তাৰিখে অনুষ্ঠিত বৈঠকত এন আই আই-২৭ আৰু চাউলখোৱা দলঙৰ পৰা ৰাজ্যিক ঘাইপথৰ ষ্ট্ৰেচত ই-ৰিস্কা চলোৱাৰ ফলত পথ সুৰক্ষাৰ বাবে এক গুৰুতৰ চিন্তাৰ সৃষ্টি কৰা হৈছে আৰু পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে চলি থকা প্ৰচেষ্টাত বাধাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে বুলি লক্ষ্য কৰিছিল; আৰু যিহেতু, বৰপেটা নাগৰিকে সময়ে-সময়ে, জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত ঘাইপথত ই-ৰিস্কাৰ চলাচল নিয়ন্ত্ৰণৰ বাবে উপযুক্ত ব্যৱস্থা বিচাৰি জিলা প্ৰশাসনৰ ওচৰত দাবী কৰি আহিছে; আৰু যিহেতু, জিলা উপায়ুক্ত, বৰপেটা, আঞ্চলিক পৰিবহণ কৰ্তৃপক্ষৰ অধ্যক্ষ হোৱাৰ বাবে, মটৰ গাড়ী আইন, ১৯৮৮, তাত ফ্ৰেমৱৰ্ক কৰা নিয়মৰ বিধানৰ অধীনত, আৰু অন্যান্য প্ৰযোজ্য আইনসমূহৰ অধীনত জনসাধাৰণৰ সুৰক্ষা আৰু যান-বাহন ব্যৱস্থাপনাৰ স্বাৰ্থত যান-বাহনৰ চলাচল নিয়ন্ত্ৰণ কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে; আৰু যিহেতু ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক ঘাইপথসমূহ মূলতঃ নিৰ্ধাৰিত গতিৰে যান-বাহনৰ নীৰৱচ্ছিন্নভাৱে চলাচলৰ বাবে উদ্দেশ্য কৰা হৈছে, আৰু এনে ঘাইপথত ই-ৰিস্কাৰ দৰে লেহেমীয়া বাহন চলোৱাৰ ফলত পথ যান-বাহন দুৰ্ঘটনাৰ সম্ভাৱনা যথেষ্ট বৃদ্ধি পায় আৰু যাত্ৰীসকলৰ জীৱন বিপন্ন হয়; এতিয়া গতিকে মই, শ্ৰী নবদীপ পাঠক, এ চি এছ, জিলা দণ্ডাধীশ, বৰপেটাৰ, ভাৰতীয় নাগাৰিকৰ ১৬৩ নং ধাৰাত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু চাউলখোৱা দলঙৰ পৰা হাউলীলৈ ৰাজ্যিক ঘাইপথত ই-ৰিস্কা চলোৱাৰ ফলত উদ্ভৱ হোৱা জনসাধাৰণৰ সুৰক্ষা আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰিবলৈ তাৎক্ষণিক প্ৰতিৰোধৰ প্ৰয়োজন বুলি সন্তুষ্ট হৈ সুৰক্ষা সংহিতা, ২০২৩, ইয়াৰ দ্বাৰা পৰৱৰ্তী নিৰ্দেশ নোপোৱালৈকে বৰপেটা জিলাৰ ভিতৰত পূৰ্বতে উল্লিখিত পথসমূহত ই-ৰিস্কা চলাচলত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিষেধাজ্ঞা আৰোপ কৰা হৈছে আৰু জিলা পথ সুৰক্ষা সমিতি (ডি আৰ এছ চি), বৰপেটাৰ পৰামৰ্শ অনুসৰি, ০৮/০৭/২০২৬ তাৰিখে অনুষ্ঠিত হোৱা বৈঠকত তলত স্বাক্ষৰকাৰীয়ে সমগ্ৰ বৰপেটা জিলাত তাৎক্ষণিকভাৱে পালনৰ বাবে তলত দিয়া নিৰ্দেশনাসমূহ জাৰি কৰিছে। ১) আইনৰ অধীনত বিশেষভাৱে অনুমোদন নিদিয়ালৈকে বৰপেটা জিলাৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথ-২৭ বা চাউলখোৱা দলঙৰ পৰা ৰাজ্যিক ঘাইপথৰ ষ্ট্ৰেচত কোনো ই-ৰিস্কা চলাচল কৰিব নোৱাৰিব। ২) যোগ্য কৰ্তৃপক্ষই প্ৰদান কৰা অনুমতি পত্ৰৰ চৰ্ত অনুসৰি কঠোৰভাৱে ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক ঘাইপথৰ নিৰ্দিষ্ট সংযোগ বিন্দুলৈকে গ্ৰাম্য পথ, পৌৰসভাৰ পথ আৰু অন্যান্য অনুমোদিত পথৰ মাজতে ই-ৰিস্কাৰ চলাচল সীমাবদ্ধ থাকিব ৩) বৰপেটাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু বৰপেটাৰ জিলা পৰিবহণ বিষয়াই এই আদেশৰ কঠোৰ বলবৎকৰণ সুনিশ্চিত কৰিব আৰু মটৰ গাড়ী আইন, ১৯৮৮, অনুমতিৰ চৰ্তসমূহৰ অধীনত নিৰ্মিত নিয়মাৱলী, আৰু অন্যান্য প্ৰযোজ্য আইন অনুসৰি উলংঘাকাৰীৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব। ৪) এই আদেশৰ কোনো উলংঘা হ'লে বা নিষিদ্ধ পথত চলাচল কৰাৰ সময়ত কোনো দুৰ্ঘটনাত ই-ৰিস্কা জড়িত হ'লে, গোচৰৰ তথ্য আৰু পৰিস্থিতিয়ে প্ৰমাণিত হ'ব পৰাকৈ অনুমতি স্থগিত বা বাতিল কৰা, গোচৰ চলোৱা, বা আইনৰ অধীনত অনুমোদিত অন্য কোনো ব্যৱস্থাকে ধৰি মালিক আৰু/বা চালকৰ বিৰুদ্ধে উপযুক্ত আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব। ৫) এই আদেশৰ ফলপ্ৰসু ৰূপায়ণৰ বাবে এন এইচ আই ডি চি এল/প্ৰকল্প সঞ্চালক, এন এইচ আই ডি চি এলৰ সাধাৰণ প্ৰবন্ধক আৰু বৰপেটাৰ পি ডব্লিউ আৰ ডিৰ কাৰ্যবাহী অভিযন্তাই জিলা আৰক্ষী আৰু জিলা পৰিবহণ বিষয়াক প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব। ৬) সংশ্লিষ্ট চক্ৰ বিষয়া/জিলা পৰিবহণ বিষয়া, বৰপেটা/ ভাৰপ্ৰাপ্ত বিষয়াই ই-ৰিস্কা সংঘ/ইউনিয়নৰ প্ৰতিনিধিৰ সৈতে সভা আহ্বান কৰিব, যদি আছে, আৰু জিলা প্ৰশাসনৰ বাৰ্তা/নিৰ্দেশনা প্ৰদান কৰাটো হ'ল যাত্ৰীসকলৰ লগতে যান-বাহনৰ চালকৰ সুৰক্ষা নিশ্চিত কৰা আৰু এনে দুৰ্ঘটনাৰ পৰা হাত সাৰিবলৈ যাৰ ফলত প্ৰাণ হেৰুৱাব আৰু দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হয় আৰু... এই আদেশৰ বিষয়বস্তু যাতে সকলো ই-ৰিস্কাৰ মালিক আৰু চালকৰ মাজত ব্যাপকভাৱে প্ৰচাৰ কৰাটো নিশ্চিত কৰা হয় যাতে কঠোৰ অনুসৰণৰ বাবে। ৭) বৰপেটাৰ জিলা তথ্য আৰু জনসংযোগ বিষয়াই জিলা পৰিবহণ বিষয়াৰ সমন্বয়ত সাধাৰণ জনতাৰ তথ্যৰ বাবে ছপা, বৈদ্যুতিক আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে এই আদেশৰ ব্যাপক প্ৰচাৰ কৰিব। এই আদেশৰ যিকোনো উলংঘা কৰিলে মটৰ গাড়ী আইন, ১৯৮৮, কেন্দ্ৰীয় মটৰ গাড়ী নিয়ম, ১৯৮৯, অনুমতিৰ চৰ্ত, আৰু অন্যান্য প্ৰযোজ্য আইনৰ প্ৰাসংগিক বিধানৰ অধীনত ব্যৱস্থা গ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হ'ব। এই আদেশ তাৎক্ষণিকভাৱে কাৰ্যকৰী হ'ব আৰু পৰৱৰ্তী আদেশ নোহোৱালৈকে বলবৎ থাকিব।

নলবাৰীৰ শিৱম কলা কেন্দ্ৰৰ উদ্যোগত সত্ৰীয়া নৃত্যৰ গ্ৰীষ্মকালীন কৰ্মশালা

# নৃত্য-গীত চৰ্চা কৰিলে শিক্ষাৰ্থীৰ বিদ্যায়তনিক দিশৰ পঢ়া-শুনাৰ ক্ষেত্ৰত একো ক্ষতি নহয় ঃ পদ্মভূষণ, নৃত্যাচাৰ্য্য যতীন গোস্বামী



**অসম বাৰ্তা, চামতা, ১৮ জুলাই ঃ** নৃত্য-গীত চৰ্চা কৰিলে শিক্ষাৰ্থীৰ বিদ্যায়তনিক দিশৰ পঢ়া-শুনাৰ ক্ষেত্ৰত একো ক্ষতি নহয়। এই গুৰুত্বপূৰ্ণ মন্তব্য পদ্মভূষণ, নৃত্যাচাৰ্য্য যতীন গোস্বামীৰ। নলবাৰীৰ দৌলগোবিন্দপুৰস্থিত শিৱম কলা কেন্দ্ৰৰ উদ্যোগত জেইল ৰোডৰ মিলনপুৰত অৱস্থিত শ্ৰীশ্ৰীহনুমান মন্দিৰ প্ৰাংগণত চলি থকা সত্ৰীয়া নৃত্যৰ গ্ৰীষ্মকালীন কৰ্মশালাত পদ্মভূষণ, নৃত্যাচাৰ্য্য যতীন গোস্বামীক বিশেষভাৱে সন্মানিত কৰা হয়। তিনিদিনীয়াকৈ আয়োজন কৰা সত্ৰীয়া নৃত্যৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ আজি সামৰণি পৰিব। পুৱা ১১ বজাৰ পৰা সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিয়া হৈছে। কৰ্মশালা সমন্বয়ক, নৃত্যগুৰু সনাতন বৈশ্যই আঁতধৰা এক আনন্দমুখৰ অনুষ্ঠানত শিৱম কলা কেন্দ্ৰৰ হৈ অধ্যক্ষ শক্তিপ্ৰসাদ ডেকাই পদ্মভূষণ, নৃত্যাচাৰ্য্য যতীন গোস্বামীক এখন চেলেং চাদৰ, ফুলাম গামোছা, ফুলাম জাপি, এটি হস্তনিৰ্মিত স্মাৰক, আন এটি স্মাৰক আৰু এখন মানপত্ৰ প্ৰদানেৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। লগতে শ্ৰীশ্ৰীহনুমান মন্দিৰ পৰিচালনা সমিতি, মহিলা সমাজকে আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ তৰফৰ পৰাও পদ্মভূষণ, নৃত্যাচাৰ্য্য যতীন গোস্বামীক সম্বৰ্ধনা জনোৱা হয়। ভাৰত নাট্যমৰ ছাত্ৰী কণমানি হৃদি বৈশ্য ৰিম প্ৰমুখ্যে একাংশ প্ৰশিক্ষাৰ্থীয়েও গোস্বামীক একোখনি ফুলাম গামোছা যাঁচি সেৱা জনায়। পদ্মভূষণ, নৃত্যাচাৰ্য্য যতীন গোস্বামীয়ে সম্বৰ্ধনা গ্ৰহণ কৰি সন্তোষিত হয় আৰু নিয়মিতভাৱে সত্ৰীয়া নৃত্যৰ চৰ্চা কৰি যাবলৈ প্ৰশিক্ষাৰ্থীসকলক পৰামৰ্শ প্ৰদান কৰে। গোস্বামীয়ে নিজৰ অনুভৱ প্ৰকাশ কৰি সত্ৰীয়া নৃত্যৰ বিশালতা আৰু গভীৰতা সম্পৰ্কে চমু ব্যাখ্যা আগবঢ়ায়। লগতে গোস্বামীয়ে গুৰুজনাৰ অমৰ সৃষ্টিসমূহক যাউতিযুগীয়াকৈ ৰাখিবলৈ হ'লে প্ৰত্যেকেই হৃদয়ত স্থান দিব লাগিব বুলি কয়। তাৰ প্ৰাৰম্ভত নাগাৰা সূৰ্য ৰামচৰণ ভৰালী, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মা আৰু হিয়াৰ আমঠু, বিশ্বকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি জ্বলোৱাৰ উপৰি পুষ্পাৰ্ঘ নিবেদন কৰে নলবাৰীৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্য, টোকাৰী গীতৰ সংগীত নাটক অকাডেমীৰ ২০২৫ বৰ্ষৰ ওস্তাদ বিছমিল্লাহ খাঁ যুৱ বঁটাপ্ৰাপ্ত হীৰকজ্যোতি শৰ্মা আৰু সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক নৃত্যাচাৰ্য্য প্ৰভাকৰ গোস্বামীয়ে। উক্ত সময়ত সাংস্কৃতিক কৰ্মী যতীন ৰাজবংশীকে আদি কৰি অভিভাৱক-অভিভাৱিকাসহ বহুকেইগৰাকী বিশিষ্ট সাংস্কৃতিক লোক উপস্থিত থাকে। সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক নৃত্যাচাৰ্য্য প্ৰভাকৰ গোস্বামীয়ে প্ৰায় শতাধিক প্ৰশিক্ষাৰ্থীক সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিয়ে। নলবাৰীৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই অসমখনক চহকী তথা সমৃদ্ধশালী কৰি তোলা এইগৰাকী পদ্মভূষণ, নৃত্যাচাৰ্য্য যতীন গোস্বামীয়ে আজি নলবাৰী জিলাকো যেন ধন্য কৰি তুলিলে বুলি মন্তব্য প্ৰদান কৰে। উল্লেখ্য যে, কাইলৈ নলবাৰী জিলা পুথিভঁৰালত বিয়লি ৫ বজাৰ পৰা কৰ্মশালাখনৰ বিশেষ সামৰণি অনুষ্ঠান ৰূপায়ণ কৰা হ'ব।

# পানীবিলত বৰদৈচিলা ক'লা কেন্দ্ৰৰ গ্ৰীষ্মকালীন নৃত্য কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ১৮ জুলাই ঃ** বৰদৈচিলা ক'লা কেন্দ্ৰ, নাজিৰাৰ উদ্যোগত তথা পানীবিল আৰু গোমোঠাবাসী ৰাইজ আৰু পানীবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আয়োজিত ১০ দিনীয়া গ্ৰীষ্মকালীন নৃত্য কৰ্মশালাখন শেহতীয়াকৈ সফলতাৰে সামৰণি পৰে। পানীবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দেশ্বৰ খনিকৰৰ সভাপতিত্বত অনুষ্ঠিত সামৰণি অনুষ্ঠানত বৰদৈচিলা ক'লা কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি ভাস্কৰজ্যোতি মহন্ত, পৰিচালক মনোজ দত্ত, সংবাদ কৰ্মী পাৰ্থ প্ৰতিম বৰা আৰু অংশুমান দত্ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল প্ৰশিক্ষাৰ্থীসকলৰ নৃত্য প্ৰদৰ্শন। কৰ্মশালাৰ প্ৰশিক্ষক ৰাতুল দুৱৰা আৰু পাপৰি গগৈ বুঢ়াগোহাঁইৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰা শিক্ষাৰ্থীসকলে সুন্দৰ নৃত্য পৰিৱেশন কৰি উপস্থিত দৰ্শকক মন্ত্ৰমুগ্ধ কৰে। অনুষ্ঠানৰ শেষত সকলো প্ৰশিক্ষাৰ্থীক মানপত্ৰ প্ৰদান কৰা হয়। এই গোটেই প্ৰক্ৰিয়াটো সাফল্যমণ্ডিত কৰি তোলাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষ, অভিভাৱক আৰু স্থানীয় ৰাইজক আয়োজক সমিতিয়ে কৃতজ্ঞতা জ্ঞাপন কৰে।

অৰুণাচলী দুৰ্বৃত্তৰ গুলীত আহত ৰাজপুৰৰ প্ৰেমচন্দ বসুমতাৰী

# গহপুৰৰ অসম-অৰুণাচল সীমান্তত গুলীচালনা

**অসম বাৰ্তা, গহপুৰ, ১৮ জুলাই ঃ** গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত অসম -অৰুণাচল সীমান্তবৰ্তী ৰাজগড়ৰ কৰৈগুৰীত আজি দিন দুপৰতে সংঘটিত হয় এক গুলীচালনাৰ ঘটনা। সন্দেহযুক্ত অৰুণাচলী দুৰ্বৃত্তই সংঘটিত কৰা উক্ত গুলীচালনাৰ ঘটনাত গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰাজগড় আৰক্ষী চকীৰ এলেকাধীন ৰাজপুৰ গাঁৱৰ প্ৰেমচন্দ বসুমতাৰী নামৰ এগৰাকী লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। জানিব পৰা মতে -মটৰ বাইকেৰে প্ৰেমচন্দ বসুমতাৰীয়ে পত্নীক লৈ আজি পুৱা গৈছিল ৰাজগড়লৈ। ৰাজগড়ৰ পৰা দুয়ো উভতি আহি আজি দিনৰ প্ৰায় ১১-৩০ বজাত উপস্থিত হয় লাংডাংপাৰা পেট্ৰ'ল ডিপোত। উক্ত পেট্ৰ'ল ডিপোত প্ৰেমচন্দ বসুমতাৰীয়ে লৈ যোৱা মটৰ বাইকখনত পেট্ৰ'ল ভৰাই দুয়ো ঘৰলৈ বুলি ডিপোটোৰ পৰা ওলাই আহে। পেট্ৰ'ল ডিপোটোৰ পৰা মাত্ৰ ১০/১৫ মিটাৰ অহাৰ পিছত চালকৰ আসনত থকা প্ৰেমচন্দ বসুমতাৰীৰ পেটৰ বাওঁফালে এটা গুলী লাগে। আকস্মিকভাৱে গুলী লগাৰ ফলত তেওঁ আতংকিত হৈ পৰাৰ লগতে গুলী লগা অংশৰ পৰা প্ৰচুৰ ৰক্তক্ষৰণ হয় তেওঁৰ। উক্ত গুলীচালনাৰ ঘটনাত কোনো হানি বিঘিনি নোহোৱাকৈ ৰক্ষা পৰে বাইকখনৰ পিছৰ আসনত থকা প্ৰেমচন্দ বসুমতাৰীৰ পত্নীৰ। গুলীবিদ্ধ প্ৰেমচন্দ বসুমতাৰীক লগে-লগে গহপুৰৰ ছহিদ কনকলতা বৰুৱা অসামৰিক চিকিৎসালয়লৈ লৈ অহা হয় যদিও চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে তেজপুৰ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। আহত প্ৰেমচন্দ বসুমতাৰীৰ পেটত এটা গুলী সোমাই থকা বুলি জানিব পৰা গৈছে। এইক্ষেত্ৰত গুলীবিদ্ধ প্ৰেমচন্দ বসুমতাৰীয়ে গুলীটো অৰুণাচলৰ দিশৰ পৰা অহা বুলি মন্তব্য আগবঢ়াইছে। প্ৰেমচন্দ বসুমতাৰীয়ে আগবঢ়োৱা মন্তব্যই উক্ত গুলীচালনা ঘটনাৰ লগত অৰুণাচলী দুৰ্বৃত্ত জড়িত থকাৰ নিশ্চয়তা প্ৰদান কৰিছে। উক্ত গুলীচালনাৰ ঘটনাটোৰ পিছত গহপুৰ অসম অৰুণাচল সীমান্তত এক চেপা উত্তেজনাই বিৰাজ কৰিছে। উল্লেখযোগ্য যে -বিশ্বনাথ জিলাৰ বিহালী অভয়াৰণ্যৰ ভিতৰত যোৱা কিছুদিনৰে পৰা অৰুণাচলী দুৰ্বৃত্তই ধাৰাবাহিক ভাৱে গুলীচালনা কৰি এক সন্ত্ৰাস চলাই অহাৰ পিছত জিলাখনৰ গহপুৰৰ উত্তৰাঞ্চলত আজি অৰুণাচলী দুৰ্বৃত্তই অসমৰ লোকলৈ লক্ষ্য কৰি গুলীচালনা কৰা ঘটনাক্ৰমে সীমান্তবৰ্তী ৰাইজক অধিক আতংকিত কৰি তুলিছে।

# পূব মাজুলী মহাবিদ্যালয়ত মুখা নিৰ্মাণ কৰ্মশালা সামৰণি

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ জুলাই ঃ** মাজুলী জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান পূব মাজুলী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আৰু কৰ্তৃপক্ষৰ সহযোগত পোন্ধৰ দিনীয়া কাৰ্যসূচীৰে যোৱা ৩জুলাইৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি মুখা শিল্প নিৰ্মাণ কৰ্মশালা আৰম্ভ হয়। মুখাৰ বাবে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চামগুৰি সত্ৰৰ ডেকা সত্ৰীয়া তথা সংগীত কলা কেন্দ্ৰৰ পৰিচালক প্ৰদীপ গোস্বামী আৰু তেওঁৰে সহযোগী গৌতম ভূঞাই কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। পোন্ধৰ দিনীয়া এই কমশালা আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানেৰে সামৰণি পৰে। সামৰণি অনুষ্ঠান উপলক্ষে পুৱা ১০বজাৰ পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে নিৰ্মাণ কৰা মুখাৰ এক প্ৰদৰ্শনী অনুষ্ঠিত হয়। প্ৰদৰ্শনী দ্বাৰ মুকলি কৰি অধ্যক্ষ দীপক বৰাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সৃষ্ট মুখা এতিয়া কেৱল ভাওনাত অভিনয়ৰ সমল হৈ থকা নাই, বৰ্তমান মুখাশিল্পই সংস্থাপনৰ বাট মুকলি কৰিছে বুলি মন্তব্য কৰি ছাত্ৰ-ছাত্ৰীসকলক মুখা নিৰ্মাণ কলাক আদৰি ল'বলৈ আহ্বান জনায়। প্ৰদৰ্শনীত প্ৰায় ডেৰশ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্মাণ কৰা শ্ৰীকৃষ্ণ, গৰুড়, হনুমান, জটায়ু আদি বিভিন্ন মুখা প্ৰদৰ্শিত হয়। ইয়াৰ পিছতেই অনুষ্ঠিত মুকলি সভাত মাজুলী জিলা পৰিষদৰ সভানেত্ৰী নবনিতা দাস মুখ্য অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ বিভিন্ন সমস্যা সাধ্যানুসাৰে সমাধানৰ আশ্বাস দিয়ে। সভাত উপস্থিত সমল ব্যক্তি প্ৰদীপ গোস্বামী আৰু গৌতম ভূঞাই ভাষণ প্ৰদান কৰি ছাত্ৰ ছাত্ৰীসকলে খুব কম দিনতে মুখা শিল্প নিৰ্মাণ শৈলী আয়ত্ত কৰিবলৈ সক্ষম হোৱাত অভিভূত হোৱা বুলি জানিবলৈ দিয়ে আৰু ভবিষ্যত দিনত বৰমুখা নিৰ্মাণৰ প্ৰশিক্ষণ দিব বুলি জনায়। শিক্ষক-কৰ্মচাৰি সকলৰ ফালৰ পৰা শিক্ষক গোটৰ সম্পাদক অমূল্য ভূঞা, উত্তম শইকীয়া, দিলীপ বৰুৱা, মানস জ্যোতি বৰা, নীলমনি বৰা, বিপিন চন্দ্ৰ বৰা, গৌতম শইকীয়া, অৰূপ দত্ত, কৃষ্ণ বৰা, যদুমণি গায়ন, বিজয় পায়েং, দেউৰাম বৰা, দুদু চমুৱাই সভাত ভাষণ প্ৰদান কৰে। সভাখনি আতধৰে সহকাৰী অধ্যাপক অনুপ কুমাৰ বৰাই।

# ড্ৰাগছবিৰোধী সংগ্ৰামৰ স্বীকৃতি; মুখ্যমন্ত্ৰীৰ বিশেষ প্ৰশংসাপত্ৰ লাভ তুষাৰ পালৰ

**অসম বাৰ্তা, চেলেংহাট, ১৮ জুলাই ঃ** সমাজৰ পৰা ড্ৰাগছৰ দৰে জীৱন-ধ্বংসী অভিশাপ নিৰ্মূল কৰাৰ লক্ষ্যৰে এক দশকৰো অধিক সময় ধৰি অবিৰতভাৱে চলাই অহা নীৰৱ অথচ দৃঢ় সংগ্ৰামৰ এক উল্লেখযোগ্য স্বীকৃতি লাভ কৰিলে যোৰহাট জিলাৰ চেলেংহাটৰ বিশিষ্ট সমাজকৰ্মী তুষাৰ পালে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেখেতলৈ প্ৰেৰণ কৰা এখন বিশেষ অভিনন্দন আৰু ধন্যবাদপত্ৰত ড্ৰাগছ বিৰোধী সজাগতা সৃষ্টিত তুষাৰ পালে আগবঢ়োৱা অনন্য অৱদানৰ উচ্চ প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীৰ পত্ৰত উল্লেখ কৰা অনুসৰি, কোনো চৰকাৰী সহায়-সাহায্য বা পৃষ্ঠপোষকতাৰ আশা নকৰাকৈ তুষাৰ পালে ব্যক্তিগত উদ্যোগত নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে এক নীৰৱ কিন্তু শক্তিশালী গণআন্দোলন গঢ়ি তুলিছে। বিশেষকৈ বিনামূলীয়া প্ৰশিক্ষণ, সজাগতা সভা, চাইকেল ৰেলী, বাটৰ নাট, গণস্বাক্ষৰ অভিযান, গ্ৰন্থ ৰচনা আৰু চুটি ছবি নিৰ্মাণৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰত ড্ৰাগছবিৰোধী সজাগতা বিস্তাৰত তেখেতে গ্ৰহণ কৰা পদক্ষেপসমূহক মুখ্যমন্ত্ৰীয়ে "এক বিশেষ ইতিবাচক বাৰ্তা" বুলি অভিহিত কৰে। চেলেংহাট হেল্‌থ ক্লাবক কেন্দ্ৰ কৰি তুষাৰ পালে দীৰ্ঘদিন ধৰি যুৱ সমাজক ড্ৰাগছৰ কবলৰ পৰা ৰক্ষা কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। ইয়াৰ উপৰিও চেলেংহাট প্ৰেছ ক্লাব, বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠন আৰু সচেতন ব্যক্তিসকলৰ সহযোগত তেখেতে অঞ্চলটোৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সজাগতা অভিযান অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীয়ে পত্ৰখনত তুষাৰ পালৰ এই সমাজসেৱামূলক পদক্ষেপক প্ৰশংসা কৰি কয় যে নিচামুক্ত আৰু সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত তেখেতৰ দৰে ব্যক্তিৰ অৱদান বহু লোকৰ বাবে অনুপ্ৰেৰণাৰ উৎস। লগতে আগন্তুক দিনতো এই মহৎ অভিযান অব্যাহত ৰাখিবলৈ শুভকামনা জ্ঞাপন কৰে। চেলেংহাট প্ৰেছ ক্লাবৰ অন্যতম উপদেষ্টা তুষাৰ পালে মুখ্যমন্ত্ৰীৰ স্বীকৃতি লাভৰ পিছত চেলেংহাট প্ৰেছ ক্লাব, স্থানীয় বিভিন্ন সংগঠন আৰু অঞ্চলবাসীয়ে তেখেতলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। স্থানীয় ৰাইজৰ মতে পালৰ। এই সন্মান কেৱল এজন ব্যক্তিৰ ব্যক্তিগত সাফল্য নহয় ই সমগ্ৰ অঞ্চলবাসীৰ বাবে এক গৌৰৱৰ বিষয়। উল্লেখযোগ্য যে বৰ্তমান সময়ত ড্ৰাগছৰ ভয়াৱহ প্ৰসাৰে যুৱ সমাজক গভীৰ সংকটৰ মুখলৈ ঠেলি দিয়া পৰিপ্ৰেক্ষিতত তুষাৰ পালৰ দৰে সমাজকৰ্মীৰ নিৰালস্য প্ৰচেষ্টা আৰু সজাগতা অভিযান অধিক তাৎপৰ্যপূৰ্ণ হৈ পৰিছে। মুখ্যমন্ত্ৰীৰ এই বিশেষ স্বীকৃতিয়ে তেখেতৰ সমাজকল্যাণমূলক কৰ্মযজ্ঞলৈ নতুন উদ্দীপনা যোগোৱাৰ লগতে নিচামুক্ত অসম গঢ়াৰ লক্ষ্যত সমাজৰ সকলো স্তৰৰ লোকক একেলগে আগবাঢ়িবলৈ উৎসাহিত কৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

# মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত "কৃষি আন্তঃগাঁথনি নিধি" সন্দৰ্ভত কৰ্মশালা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৮ জুলাই ঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত উদ্যোগীসকলৰ বাবে আজি কৃষি আন্তঃগাঁথনি নিধি (Agriculture Infrastructure Fund - AIF) বিষয়ক এখনি বিশেষ কৰ্মশালা জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত তথা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ সহযোগত অনুষ্ঠিত এই কৰ্মশালাৰ মূল উদ্দেশ্য আছিল কৃষি আন্তঃগাঁথনি নিধিৰ জৰিয়তে কৃষিভিত্তিক আন্তঃগাঁথনি গঢ়ি তোলা, কৃষি উদ্যোগক অধিক শক্তিশালী কৰা আৰু উদ্যোগীসকলক উপলব্ধ সুবিধাসমূহৰ বিষয়ে অৱগত কৰা। অনুষ্ঠানত ষ্টেট বেংক অৱ ইণ্ডিয়াৰ উপ-মহাপ্ৰবন্ধক টেজশ্বিতা ৰঞ্জনে কৃষি আন্তঃগাঁথনি নিধি আঁচনিৰ অধীনত উপলব্ধ ঋণ সুবিধা, সুতৰ ৰেহাই, ঋণ গেৰাণ্টি ব্যৱস্থা, আবেদন প্ৰক্ৰিয়া আৰু আঁচনিৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। এই কৰ্মশালাৰ জৰিয়তে আঁচনিৰ জিলা ন'ডেল তথা মহকুমা কৃষি বিষয়া মুছাহীদ ফাৰুকীয়ে উপস্থিত অংশগ্ৰহণকাৰীসকলক কৃষিভিত্তিক সংৰক্ষণ, প্ৰক্ৰিয়াকৰণ, পেকেজিং, শীতল ভঁৰাল, মূল্য সংযোজন আদি ক্ষেত্ৰত আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে এই আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উক্ত কৰ্মশালাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ কৃষক উৎপাদক কোম্পানী (FPC), কৃষক উৎপাদক গোট (FPO), ক্ৰেতা- বিক্ৰেতা আৰু কৃষি উদ্যোগীসকলৰ লগতে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ বিষয় ববীয়া সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সহকাৰী কৃষি সঞ্চালক অসীম কুমাৰ নাথে কৃষি খণ্ডত অধিক বিনিয়োগ, আধুনিক আন্তঃগাঁথনি সৃষ্টি আৰু কৃষকৰ আয় বৃদ্ধিৰ ক্ষেত্ৰত কৃষি আন্তঃগাঁথনি নিধি আঁচনিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি যোগ্য উদ্যোগীসকলক এই আঁচনিৰ সুবিধা গ্ৰহণ কৰি কৃষিভিত্তিক উদ্যোগ গঢ়ি তোলাৰ আহ্বান জনায়। আজি আয়োজিত কৰ্মশালাত মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুচেইন, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া কিশোৰ কলিতা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথকে প্ৰমুখ্য সংশ্লিষ্ট বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে।

# সামাজিক সম্প্ৰীতি আৰু সাংবিধানিক মূল্যবোধ সুৰক্ষাৰ দাবীত ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ আবেদনপত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, কুমুল্লীপৰা, ১৮ জুলাই ঃ** সামাজিক মাধ্যমত যিকোনো ধৰ্ম, ধৰ্মীয় ব্যক্তিত্ব অথবা বিশ্বাসক লক্ষ্য কৰি চলি থকা বিদ্বেষমূলক অপপ্ৰচাৰ, ঘৃণামূলক বক্তব্য, সাম্প্ৰদায়িক উচটনি আৰু বিশেষকৈ ইছলাম ধৰ্মৰ মহানবী হজৰত মুহাম্মদ (ছঃ)ৰ বিৰুদ্ধে কৰা কটূক্তিমূলক বিষয়বস্তুৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ দাবীত বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত কুমুল্লী পাৰাৰ বিশিষ্ট লেখক আৰু সাংবাদিক কেএ মান্নানে ভাৰতৰ মহামহিম ৰাষ্ট্ৰপতি, মাননিয় প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ এক বিস্তৃত আবেদনপত্ৰ প্ৰেৰণ কৰিছে। আবেদনপত্ৰত তেওঁ উল্লেখ কৰে যে ভাৰতীয় সংবিধানৰ মূল চেতনাই সকলো নাগৰিকক ধৰ্মীয় স্বাধীনতা, সমতা, মৰ্যাদা আৰু শান্তিপূৰ্ণ সহাৱস্থানৰ অধিকাৰ নিশ্চিত কৰিছে। কিন্তু সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ বিভিন্ন প্লেটফৰ্মত বিভিন্ন ধৰ্ম, ধৰ্মীয় প্ৰতীক, উপাস্য আৰু মহাপুৰুষসকলক লক্ষ্য কৰি অপমানজনক মন্তব্য, মিছা প্ৰচাৰ আৰু ঘৃণামূলক বিষয়বস্তু সজোৰে প্ৰচাৰ হোৱাৰ ফলত সমাজত অবিশ্বাস, অসহিষ্ণুতা আৰু সাম্প্ৰদায়িক বিভাজনৰ আশংকা বৃদ্ধি পাইছে। এনে কাৰ্যকলাপ কেৱল কোনো এটা ধৰ্মীয় সম্প্ৰদায়ৰ অনুভূতিত আঘাত হনা নহয়; ই ভাৰতৰ বহুত্ববাদী সংস্কৃতি, গণতান্ত্ৰিক মূল্যবোধ আৰু জাতীয় ঐক্যৰ প্ৰতিও এক গুৰুতৰ প্ৰত্যাহ্বান। তেওঁ আবেদনপত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সামাজিক মাধ্যমত ঘৃণা আৰু বিদ্বেষ বিয়পোৱা ব্যক্তি বা গোটৰ বিৰুদ্ধে দ্ৰুত আৰু নিৰপেক্ষ তদন্ত, কঠোৰ আইনগত ব্যৱস্থা, লগতে ডিজিটেল প্লেটফৰ্মসমূহত অধিক ফলপ্ৰসূ নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। তেওঁৰ মতে, মত প্ৰকাশৰ স্বাধীনতা গণতন্ত্ৰৰ এক মৌলিক অধিকাৰ যদিও সেই অধিকাৰ কেতিয়াও আনৰ ধৰ্মীয় বিশ্বাস, সামাজিক সম্প্ৰীতি বা সাংবিধানিক মূল্যবোধক আঘাত কৰাৰ মাধ্যম হ'ব নোৱাৰে। এই সন্দৰ্ভত কে এ মান্নানে কয় যে তেওঁৰ এই পদক্ষেপ কোনো বিশেষ ধৰ্ম, সম্প্ৰদায় বা ৰাজনৈতিক মতাদৰ্শৰ পক্ষে নহয়; বৰং আইনৰ শাসন, সংবিধানৰ সন্মান, সামাজিক সম্প্ৰীতি আৰু জাতীয় সংহতি সুৰক্ষাৰ স্বাৰ্থত এজন সচেতন ভাৰতীয় নাগৰিক হিচাপে গ্ৰহণ কৰা এক গণতান্ত্ৰিক প্ৰয়াস। তেওঁ স্পষ্টভাৱে উল্লেখ কৰে যে যিকোনো ধৰ্ম, ভাষা, জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে ঘৃণা, অপমান আৰু উচটনিমূলক প্ৰচাৰ সমানভাৱে নিন্দনীয় আৰু ইয়াৰ বিৰুদ্ধে আইন সকলোৰে বাবে সমানভাৱে প্ৰযোজ্য হোৱা উচিত। লগতে তেওঁ ঘোষণা কৰে যে ভৱিষ্যততো সমাজৰ স্বাৰ্থৰ সৈতে জড়িত যিকোনো দুৰ্নীতি, প্ৰশাসনিক গাফিলতি, জনসাধাৰণৰ সমস্যা, সাম্প্ৰদায়িক বিদ্বেষ, আইন-শৃংখলাজনিত বিষয় অথবা জনকল্যাণমূলক যিকোনো প্ৰসংগত সংশ্লিষ্ট বিভাগীয় মন্ত্ৰী, প্ৰশাসনিক বিষয়া আৰু চৰকাৰী কৰ্তৃপক্ষক লিখিতভাৱে অৱগত কৰি গঠনমূলক সহযোগিতা আগবঢ়াই যাব। তেওঁ কয়, এজন দায়িত্বশীল নাগৰিকৰ নৈতিক কৰ্তব্য কেৱল সমালোচনা কৰা নহয়; প্ৰশাসনক তথ্যভিত্তিকভাৱে অৱগত কৰি সমস্যা সমাধানৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ কৰাটোও সমানে প্ৰয়োজনীয়। স্থানীয় সচেতন মহলৰ মতে, গণতান্ত্ৰিক সমাজব্যৱস্থাত সাংবিধানিক পথ অনুসৰণ কৰি জনস্বাৰ্থমূলক বিষয়সমূহ উত্থাপন কৰা, সামাজিক সম্প্ৰীতি ৰক্ষাৰ আহ্বান জনোৱা আৰু আইনসন্মত উপায়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ দৰে পদক্ষেপসমূহে সুস্থ গণতান্ত্ৰিক সংস্কৃতি অধিক শক্তিশালী কৰি তোলে।

বিশিষ্ট চিকিৎসক তথা এএমচিৰ অৱসৰী অধ্যাপক ডাঃ গিৰিন্দ্ৰ নাথ গগৈৰ পৰলোকপ্ৰাপ্তি; অনুষ্ঠান-প্ৰতিষ্ঠানৰ শোক

# অসমৰ চিকিৎসা ক্ষেত্ৰত অপূৰণীয় ক্ষতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৮ জুলাই ঃ** ৰাজ্যখনৰ চিকিৎসা ক্ষেত্ৰলৈ এক অপূৰণীয় ক্ষতি সাধন কৰি বিশিষ্ট চিকিৎসক, অসম চিকিৎসা মহাবিদ্যালয়ৰ (এএমচি) মেডিচিন বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা ৰাজ্যখনৰ এগৰাকী সন্মানীয় শিক্ষক ডাঃ গিৰিন্দ্ৰ নাথ গগৈৰ কালি সন্ধিয়া ৭৮ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। বিগত কিছুদিন অসুস্থতা আৰু বৃক্কজনিত ৰোগত ভুগি তেওঁৰে নিজ প্ৰতিষ্ঠান 'মেকডুইন্স' চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। ১৯৪৮ চনৰ চাৰি এপ্ৰিলত শিৱসাগৰ জিলাৰ শিমলুগুৰিৰ ৰামু গাঁৱত জন্ম গ্ৰহণ কৰা ডাঃ গগৈৰ শিক্ষা জীৱন আছিল অতি উজ্জ্বল। সৰুৰে পৰা অতি মেধাৰ পৰিচয় দিয়া গগৈ হাইস্কুল আৰু হায়াৰ চেকেণ্ডেৰী পৰীক্ষাত অসমৰ ভিতৰত স্থান লাভ কৰে। ১৯৬৭ চনত এম বি বি এছ পৰীক্ষাত দ্বিতীয় স্থান লাভ কৰাৰ পাছত তেখেত পিছত সুখ্যাতিৰে এম ডি ডিগ্ৰী লাভ কৰে। কেৱল এগৰাকী সফল চিকিৎসকেই নাছিল, তেওঁ আছিল চিকিৎসা শিক্ষাৰ ক্ষেত্ৰখনৰ এগৰাকী অনন্য শিক্ষক, পথ-প্ৰদৰ্শক আৰু মেণ্টৰ। এমবিবিএছ আৰু এমডি দুয়োটা পৰ্যায়তে কৃতিত্বেৰে উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ চিলচৰত চিকিৎসক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। অতি কম সময়ৰ ভিতৰতে তেওঁৰ নিখুঁত ৰোগ নিৰ্ণয় ক্ষমতা, ক্লিনিকেল দক্ষতা আৰু মানৱীয় ব্যৱহাৰে তেওঁক বৰাক ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্যতম জনপ্ৰিয় চিকিৎসক হিচাপে প্ৰতিষ্ঠা কৰে। ১৯৯৬ চনত তেওঁ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত সহযোগী অধ্যাপক হিচাপে যোগদান কৰে। ইয়াৰ পিছত বহু বছৰ ধৰি তেওঁ চিকিৎসা শিক্ষা আৰু সেৱাৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়ায়। তেওঁৰ হাত ধৰি অসমৰ বহু প্ৰতিষ্ঠিত মেডিচিন বিশেষজ্ঞই শিক্ষা আৰু প্ৰশিক্ষণ লাভ কৰি চিকিৎসা ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত হৈছে। তেখেতৰ পত্নী ইনুমা গগৈয়ে কয় দেশ বিদেশত তেখেতে পঢ়ুৱা ছাত্ৰ-ছাত্ৰীয়ে আজিও বিভিন্ন উচ্চ পদত চাকৰি কৰি আছে। কিছুদিন আগতে তেওঁলোক অষ্ট্ৰেলিয়ালৈ ফুৰিবলৈ গৈছিল আৰু তাত ডাঃ গগৈৰ ছাত্ৰই আহি লগ কৰি আশীৰ্বাদ লৈছিল। অতি বিনয়ী, অমায়িক ব্যক্তি হিচাপে পৰিচিতি ডাঃ গগৈৰ মৃত্যুৰ খবৰে সমগ্ৰ চিকিৎসা সমাজক শোকস্তব্ধ কৰি তুলিছে। তেওঁৰ প্ৰতি চিকিৎসক সমাজৰ গভীৰ শ্ৰদ্ধাৰ নিদৰ্শন হিচাপে মৃত্যুৰ পূৰ্বদিনা তেওঁৰ স্বাস্থ্যৰ খবৰ ল'বলৈ গুজৰাট, বাংগালোৰ আদিৰ পৰা সাতগৰাকীকৈ চিকিৎসক ডিব্ৰুগড়লৈ আহি চিকিৎসা কৰে। উল্লেখ্য যে, যোৱা ১ জুলাই চিকিৎসক দিৱস উপলক্ষে ভাৰতীয় চিকিৎসা সংস্থা (আইএমএ)ৰ ডিব্ৰুগড় শাখাই চিকিৎসা ক্ষেত্ৰলৈ আগবঢ়োৱা আজীৱন অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁক 'শ্ৰেষ্ঠ চিকিৎসক' সন্মানেৰে বিভূষিত কৰে। ধাৰ্মিক, সৰল আৰু মানৱদৰদী ব্যক্তি হিচাপে পৰিচিত ডাঃ গিৰিন্দ্ৰ নাথ গগৈৰ বিয়োগত ভাৰতীয় চিকিৎসা সংস্থা (আইএমএ)ৰ ডিব্ৰুগড় শাখা সভাপতি ডাঃ গৌৰী শংকৰ বৰগোহাঁই, সম্পাদক ডাঃ মৃগাংক বৰুৱা, সতীৰ্থ চিকিৎসক ডাঃ নাৰায়ণ উপাধ্যায়, অসম চিকিৎসা মহাবিদ্যালয় অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় লোকসভাৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, সম্পাদক ৰাতুল বুঢ়াগোহাঁইসহ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। অসমৰ চিকিৎসা জগতত তেওঁৰ অৱদান চিৰদিন স্মৰণীয় হৈ থাকিব বুলি বিভিন্নজনে মত প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁৰ পত্নী পুত্ৰ, কন্যা, জী-জোঁৱাই, তিনি নাতিনী, দুই নাতি, এগৰাকী ভনীয়েকসহ অনেক আত্মীয় স্বজনক ইহসংসাৰত এৰি গৈছে। আজি অনেক গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ শেষ কৃত সম্পন্ন কৰা হয়।

# অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অৱসৰপ্ৰাপ্ত মুখ্য অধীক্ষক অভিযন্তা প্ৰজ্ঞানন্দ হাজৰিকাৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অৱসৰপ্ৰাপ্ত মুখ্য অধীক্ষক অভিযন্তা প্ৰজ্ঞানন্দ হাজৰিকাৰ অলপতে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। বৰ্তমান গুৱাহাটীৰ বেলতলাৰ নিবাসী প্ৰয়াত হাজৰিকা গোলাঘাটত জন্মগ্ৰহণ কৰি গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক পৰীক্ষাত অসমৰ ভিতৰত পঞ্চম স্থান লাভ কৰি গোলাঘাটলৈ সুনাম কঢ়িয়াই আনিছিল। ১৯৬৪ চনৰ পৰা ১৯৬৯ চনলৈ তেখেতে গুৱাহাটী অভিযান্ত্ৰিক মহাবিদ্যালয়ত ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰিং বিভাগত অধ্যয়ন কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। এগৰাকী সুদক্ষ ক্ৰিকেট খেলুৱৈ ৰূপেৰেও পৰিচিত হাজৰিকা গুৱাহাটী অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ক্ৰিকেট দলটিৰো এগৰাকী খেলুৱৈ আছিল। তেখেতে ৰাজ্যিক বিদ্যুৎ পৰিষদত অভিযন্তাৰূপে কৰ্ম জীৱনৰ পাতনি মেলি সুদীৰ্ঘ কৰ্ম জীৱনত যোৰহাট, ডিফু, তেজপুৰ, চালাকাটি আদি অসমৰ ভিন্ন প্ৰান্তত কৰ্মদক্ষতাৰ পৰিচয় দিছিল। কৰ্ম জীৱনৰ কেইবাটাও বছৰ অতিবাহিত কৰিছিল গুৱাহাটীৰ বিজুলী ভৱনত অধীক্ষক হিচাপে। তেখেতৰ মৃত্যুত জন্মস্থান গোলাঘাটতো গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেখেতে পত্নী, দুজন পুত্ৰসহ আত্মীয় স্বজনক এৰি থৈ গৈছে।

# নগাঁও জিলাৰ চকলাঘাট ৰাস মন্দিৰ প্ৰেক্ষাগৃহত বেবেজীয়া আৰু চকলাঘাট কৰাটে একাডেমিৰ দুদিনীয়া কাৰাটে প্ৰশিক্ষণ শিবিৰ আৰম্ভ




**অসম বাৰ্তা, ৰহা, ১৮ জুলাই ঃ** নগাঁও জিলাৰ চকলাঘাট ৰাস মন্দিৰ প্ৰেক্ষাগৃহত শুক্ৰবাৰৰ পৰা বেবেজীয়া আৰু চকলাঘাট কৰাটে একাডেমিৰ উদ্যোগত দুদিনীয়া কাৰাটে প্ৰশিক্ষণ শিবিৰ আৰম্ভ হয়। প্ৰশিক্ষণ শিবিৰত Japan kunibakai Indian chief ৮ডান ব্লেক বেল্ট হান্সী নবল দণ্ড, Japan kunibakai Assam chief ৬ডান ব্লেক বেল্ট চিহান বিপুল দাস, Japan kunibakai technical director ৫ডান ব্লেক বেল্ট চিহান পংকজ কুমাৰ মুদৈ, Japan kunibakai insterctor ৩ডান ব্লেক বেল্ট নিত্য কুমাৰ পাতৰ, Japan konibakai insterctor ৩ডান ব্লেক বেল্ট ৰবিন বৰা উপস্থিত থাকি এশৰো অধিক যুৱক, যুৱতীক কাটা আৰু কুমিটেৰ প্ৰশিক্ষণ প্ৰদান কৰে। দুদিনীয়া প্ৰশিক্ষণৰ শনিবাৰে সমাপন হয়। প্ৰশিক্ষণ শুভাৰম্ভ অনুষ্ঠানত বেবেজীয়া কাৰাটে একাডেমীৰ সভাপতি লক্ষ্যধৰ মেধি, সম্পাদক জোন হাজৰিকা, আয়োজক সমিতিৰ সভাপতি ৰাজীৱ হাজৰিকা, সম্পাদক জয়দ্বীপ দেৱনাথ, প্ৰচাৰ সম্পাদক জয়ন্ত মুদৈ সহ বেবেজীয়া আৰু কাৰাটে একাডেমীৰ প্ৰতিনিধি, অবিভাবক, অবিভাবিকা সহশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# পৰ্বতঝোৰা সমষ্টিৰ শিমূলটাপু বজাৰৰ পথৰ কদৰ্য ৰূপ; ৰাইজৰ তীব্ৰ দুৰ্ভোগ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৮ জুলাই ঃ** পৰ্বতঝোৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত শিমূলটাপু বজাৰৰ পথটোৰ শোচনীয় অৱস্থাই জাৰাগুৰী, মাকতাই গাঁও, গোকুলকাটা আৰু শিমূলটাপু গাঁৱৰ হাজাৰ হাজাৰ লোকৰ দৈনন্দিন জীৱনত ব্যাপক প্ৰভাৱ পেলাইছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী, ৰোগী, ব্যৱসায়ী তথা নিতৌ এই পথ ব্যৱহাৰ কৰা যাত্ৰীসকলে তীব্ৰ দুৰ্ভোগ ভুগিবলগীয়া হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, প্ৰায় আঠ বছৰ পূৰ্বে বিপিএফ চৰকাৰৰ দিনত পথটো নিৰ্মাণ কৰা হৈছিল যদিও নিম্নমানৰ নিৰ্মাণকাৰ্যৰ ফলত বৰষুণ আৰম্ভ হোৱাৰ লগে লগে পথটোৰ বিভিন্ন স্থানত ডাঙৰ ডাঙৰ গাঁত সৃষ্টি হয়। ইয়াৰ ফলত সৰু-বৰ বাহন চলাচল অত্যন্ত বিপদজনক হৈ পৰিছে। আনকি খোজকাঢ়িও যাতায়াত কৰাটো দুৰূহ হৈ উঠিছে। ৰাইজে জনোৱা মতে, এই সমস্যাৰ বিষয়ে বহুবাৰ সংশ্লিষ্ট বিভাগ আৰু জনপ্ৰতিনিধিৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে যদিও আজিলৈকে কোনো স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ফলত বিদ্যালয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকল, জৰুৰী চিকিৎসাৰ বাবে ৰোগী কঢ়িয়াই নিয়া লোকসকল আৰু ব্যৱসায়ীসকল প্ৰতিদিনে সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। এই পৰিস্থিতিত স্থানীয় ৰাইজে বিটিচি চীফ হাগ্ৰামা মহিলাৰীক পথটো অতি শীঘ্ৰে মেৰামতিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। লগতে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগকো পথটোৰ স্থায়ী সংস্কাৰৰ ব্যৱস্থা কৰি জনসাধাৰণৰ দীৰ্ঘদিনীয়া দুৰ্ভোগৰ অন্ত পেলোৱাৰ দাবী জনাইছে।

# বোকাখাত বিধানসভা সমষ্টিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চুড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীক বিশাল অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, নুমলীগড়, ১৮ জুলাই ঃ** বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সমষ্টিটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। বোকাখাত সমষ্টিৰ অন্তৰ্গত ৮২খন বিদ্যালয়ৰ ১৪৬০ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সাফল্যত অনুপ্ৰাণিত কৰা আৰু উৎসাহিত কৰাৰ মানসেৰে ১৮ জুলাই, ২০২৬ তাৰিখ শনিবাৰে দিনৰ ১১.০০ বজাত বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুকলি প্ৰেক্ষাগৃহত এটি বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰে। এনে পদক্ষেপে বোকাখাত সমষ্টিৰ আন উঠি অহা ছাত্ৰ-ছাত্ৰীসকলকো তেওঁলোকৰ শৈক্ষিক যাত্ৰাপথত সফলতাৰে খোজ দিয়াৰ বাবে নিশ্চিতভাৱে অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰি বোকাখাত বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, আবকাৰী বিভাগৰ কেবিনেট মন্ত্ৰী অতুল বৰাই এইসকল কৃতী ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ অনাগত দিনবোৰৰ শৈক্ষিক যাত্ৰাপথত আৰু অধিক সফলতাৰে বিজয় ধ্বজা উৰুৱাই আমাৰ লগতে দেশবাসীক গৌৰৱান্বিত কৰাৰ উদ্দেশ্যেৰে তেওঁলোকক অভিনন্দন আৰু শুভেচ্ছা জনোৱা মানসেৰে এই কাৰ্যসূচী গ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বযাগ্নি ডেকাই বাঁহী বাদনেৰে অনুষ্ঠানটি শুভাৰম্ভ কৰে তাৰ পিছতে বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাই আদৰণি ভাষণ আগবঢ়ায়। উক্ত অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ন কোঁৱৰ, মন্ত্ৰী কেশব মহন্ত, সাংসদ কামাখ্যা তাছা, বিত্ত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা বোকাখাত সমজিলা আয়ুক্ত সুজাতা গগৈ বোকাখাত অঞ্চলৰ বিশিষ্ঠ অতিথি লগতে বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, সংবাদসেৱী সমাজ আৰু ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে। বোকাখাতৰ বিধায়ক অতুল বৰাই কৃতী ছাত্ৰ-ছাত্ৰীৰ সফলতাক সন্মান জনাই তেওঁলোকক আগন্তুক দিনত অধিক উচ্চ শিখৰৰ দিশে আগবঢ়াৰ আশিস আৰু আশাবাদ জ্ঞাপন কৰে। অনুষ্ঠানটোৱে মাত্ৰ সফলতা শতপ্ৰশংসা নকৰি, সমষ্টিৰ অন্য ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ লক্ষ্য স্থাপন আৰু কষ্টৰে সাফল্য অৰ্জন কৰাৰ বাবে উৎসাহিত কৰিব বুলি আয়োজকে প্ৰকাশ কৰে। এই অনুষ্ঠানতে স্থানীয় শিক্ষানুষ্ঠান সমূহৰ অৱদান, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সীমাহীন পৰিশ্ৰম আৰু অভিভাৱক সকলৰ সহযোগিতাকো সন্মান-প্ৰদান কৰে। ইয়াৰোপৰি ভিন্ন সাংস্কৃতিক কাৰ্যসূচী, বিশিষ্ট ব্যক্তি সকলৰ গুৰুত্বপূৰ্ণ বক্তৃতা সমূহে অনুষ্ঠানটি সমৃদ্ধ কৰি তোলে। উচ্চশিক্ষা গ্ৰহণত উঠি অহা ছাত্ৰ ছাত্ৰী সকলে এটি ফলপ্ৰসূ পথ বাছনি কৰি ল'ব পাৰে তাৰ কাৰণে বিজ্ঞ সমাজে আগবঢ়োৱা অনুপ্ৰাণিত বক্তব্য সমূহে সকলোকে উপকৃত কৰিব বুলি উপস্থিত ৰাইজে অনুষ্ঠানটিৰ ভূয়সী প্ৰশংসা কৰে।

৫২৯ নম্বৰ লাভ কৰি অঞ্চললৈ কঢ়িয়াই আনিলে গৌৰৱ

# নীটত উজ্বলিল বানিয়াৰাপাৰাৰ ইয়াকুব আলী

**অসম বাৰ্তা, জনীয়া, ১৮ জুলাই ঃ** বৰপেটা জিলাৰ বানিয়াৰাপাৰাৰ মেধাৱী ছাত্ৰ ইয়াকুব আলীয়ে সৰ্বভাৰতীয় চিকিৎসা প্ৰৱেশিকা পৰীক্ষা নীটত (NEET-UG) উত্তীৰ্ণ হৈ বানিয়াৰাপাৰা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। এনে এক সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক (NEET)পৰীক্ষাত আলীয়ে ৭২০ নম্বৰৰ ভিতৰত ৫২৯ নম্বৰ লাভ কৰি চিকিৎসা শিক্ষাৰ সপোন বাস্তৱায়নৰ দিশত এখোজ দিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে জনপ্ৰিয় ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ তৃতীয়বৰ্গৰ কৰ্মচাৰী জাহিদুল ইছলাম আৰু মাতৃ ফুলেজা বেগমৰ সুযোগ্য সন্তান ইয়াকুব আলীৰ এই কৃতিত্বৰ খবৰ পোহৰলৈ অহাৰ লগে-লগে পৰিয়াল, আত্মীয়-স্বজন, সমগ্ৰ অঞ্চলবাসীৰ মাজত আনন্দৰ জোৱাৰ উঠা পৰিলক্ষিত হৈছে। স্থানীয় ৰাইজে ইয়াকুব আলীৰ এই সফলতাক বানিয়াৰাপাৰাৰ বাবে এক গৌৰৱৰ বিষয় বুলি অভিহিত কৰি অভিনন্দন জ্ঞাপন কৰে। জানিব পৰা মতে, বিদ্যালয় জীৱনৰ পৰাই ইয়াকুব শান্ত- শিষ্ট, অধ্যয়ন পিপাসু মেধাৱী ছাত্ৰ হিচাপে পৰিচিত আছিল। নিয়মীয়া অধ্যয়ন, সময়ৰ সঠিক ব্যৱহাৰ, শিক্ষকসকলৰ পৰামৰ্শ আৰু পৰিয়ালৰ পূৰ্ণ সহযোগিতাৰ ফলতেই এই সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱা বুলি ঘনিষ্ঠসকলে মত প্ৰকাশ কৰিছে। সৰ্বভাৰতীয় পৰ্যায়ৰ কঠিন পৰীক্ষাত ইয়াকুব আলীৰ এই সাফল্যই অঞ্চলটোৰ অইন ছাত্ৰ-ছাত্ৰীসকলকো চিকিৎসা তথা উচ্চ শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাব সেইয়া নিশ্চিত। অধ্যৱসায়, একাগ্ৰতা আৰু লক্ষ্য অটল থাকিলে গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়েও যে ৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা অৰ্জন কৰিব পাৰে ইয়াকুবে তাৰেই উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। ইয়াকুব আলীয়ে আগন্তুক সময়ত চিকিৎসক হিচাপে সমাজৰ সেৱা কৰাৰ ইচ্ছা প্ৰকাশ কৰা বুলি জানিব দিয়ে। তেওঁৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভাকাংক্ষী আৰু অঞ্চলবাসীয়ে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে।

# বাক্সাৰ ৰাঘহবিলত বেকী নদীৰ গৰাখহনীয়া অঞ্চল পৰিদৰ্শন পাৰিষদ দিগন্ত গয়াৰীৰ

**অসম বাৰ্তা, শালবাৰী, ১৮ জুলাই ঃ** বাক্সাৰ জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ৰাঘহবিল অঞ্চলত বেকী নদীৰ তীব্ৰ গৰাখহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। নদীৰ বাঢ়নী পানী আৰু প্ৰবল সোঁতে অঞ্চলটোৰ বিঘাই বিঘাই কৃষিভূমি আৰু কেইবাটাও বাসগৃহ উটুৱাই নিয়াত স্থানীয় ৰাইজ এতিয়া চৰম বিপৰ্যয়ৰ সন্মুখীন হৈছে। এই স্পৰ্শকাতৰ পৰিস্থিতিৰ বুজ ল'বলৈ আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত থিয় হ'বলৈ আজি খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে বি টি চিৰ কাৰ্যবাহী পাৰিষদ দিগন্ত গয়াৰীয়ে। আজি ৰাঘহবিল গাঁৱৰ গৰাখহনীয়া অঞ্চলত উপস্থিত হৈ পাৰিষদ দিগন্ত গয়াৰীয়ে নদীৰ বুকুত জাহ যোৱা কৃষিভূমি আৰু ভাবুকিৰ সৃষ্টি হোৱা জনবসতিপূৰ্ণ এলেকা প্ৰত্যক্ষ কৰে। তেওঁ খহনীয়াৰ ভয়াৱহতা দেখি উদ্বেগ প্ৰকাশ কৰাৰ লগতে আশ্ৰয়হীন হৈ পৰা পৰিয়ালসমূহৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ দুখ-দুৰ্দশাৰ বুজ লয়। পাৰিষদগৰাকীৰ সৈতে এই পৰিদৰ্শন কালত বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু স্থানীয় নেতৃবৃন্দও উপস্থিত থাকে। "বেকী নদীৰ এই খহনীয়াই ৰাঘহবিল অঞ্চলত এক ভয়াৱহ সংকটৰ সৃষ্টি কৰিছে। বহু পৰিয়ালে নিজৰ ভেটি-মাটি হেৰুৱাবলগীয়া হৈছে। এই দুৰ্যোগৰ সময়ত বিটিচি চৰকাৰ ভুক্তভোগী ৰাইজৰ লগত আছে। মই ইতিমধ্যে জলসম্পদ বিভাগৰ বিষয়াসকলক তৎকালীনভাৱে প্ৰতিৰোধমূলক ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছোঁ।" পৰিদৰ্শন কালতে পাৰিষদ গয়াৰীয়ে জলসম্পদ বিভাগৰ অভিযন্তা আৰু বিষয়াসকলৰ সৈতে খহনীয়া ৰোধৰ উপায় সন্দৰ্ভত আলোচনা কৰে। নদীৰ গতিপথ সলনি কৰি খহনীয়া নিয়ন্ত্ৰণ কৰিবলৈ geo-bag বা আন সাময়িক প্ৰতিৰোধমূলক সামগ্ৰী ব্যৱহাৰ কৰি জৰুৰীকালীন কাম আৰম্ভ কৰাৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। স্থানীয় ৰাইজে জনোৱা মতে, দীৰ্ঘদিন ধৰি বেকী নদীৰ খহনীয়াই অঞ্চলটো নিচিহ্ন কৰাৰ উপক্ৰম কৰিছে যদিও স্থায়ী সমাধান এতিয়াও ওলোৱা নাই। অৱশ্যে আজি কাৰ্যবাহী পাৰিষদগৰাকীয়ে নিজেই উপস্থিত হৈ ক্ষিপ্ৰতাৰে পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস দিয়াত ৰাঘহবিলবাসীয়ে এক স্থায়ী সমাধানৰ আশা বুকুত বান্ধিছে।



# BEG Educational Instituteৰ উদ্যোগত NEET উত্তীৰ্ণ কৃতী শিক্ষাৰ্থী হবিবা নাছৰিনক সম্বৰ্ধনা

**অসম বাৰ্তা, লংকা, ১৮ জুলাই ঃ** চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত দেশৰ অন্যতম সন্মানীয় আৰু প্ৰতিযোগিতামূলক প্ৰৱেশ পৰীক্ষা NEET-২০২৬ত কৃতিত্বসহকাৰে উত্তীৰ্ণ হৈ লংকাৰ ফৰমাৰপাৰ অঞ্চলটোৰ লগতে হোজাই জিলালৈ গৌৰৱ কঢ়িয়াই অনা কৃতী শিক্ষাৰ্থী হবিবা নাছৰিনক BEG Educational Instituteৰ উদ্যোগত এক অনুষ্ঠানৰ জৰিয়তে সম্বৰ্ধনা জনোৱা হয়। ফৰমাৰপাৰ, আমতলা বজাৰত অৱস্থিত প্ৰতিষ্ঠানটোত আয়োজিত অনুষ্ঠানত সম্বৰ্ধিত শিক্ষাৰ্থীগৰাকীক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ আৰু এখন প্ৰেৰণাদায়ক গ্ৰন্থ আগবঢ়াই শুভেচ্ছা জ্ঞাপন কৰা হয়। অনুষ্ঠানত উপস্থিত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলে হাতচাপৰিৰে কৃতী শিক্ষাৰ্থীগৰাকীক অভিনন্দন জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি BEG Educational Instituteৰ সঞ্চালক আবু ছোফিয়ান বেগে কয় যে NEET হৈছে ভাৰতৰ অন্যতম কঠিন আৰু মৰ্যাদাপূৰ্ণ প্ৰৱেশ পৰীক্ষা। প্ৰতিবছৰে লাখ লাখ শিক্ষাৰ্থীয়ে চিকিৎসক হোৱাৰ সপোন লৈ এই পৰীক্ষাত অৱতীৰ্ণ হয় যদিও কঠোৰ পৰিশ্ৰম, একাগ্ৰতা, নিয়মানুৱৰ্তিতা আৰু আত্মবিশ্বাসৰ জৰিয়তেহে অতি কমসংখ্যক শিক্ষাৰ্থীয়ে সফলতা লাভ কৰিবলৈ সক্ষম হয়। তেওঁ কয়, হবিবা নাছৰিনৰ এই সফলতা কেৱল তেওঁৰ ব্যক্তিগত কৃতিত্ব নহয়, ই সমগ্ৰ অঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস। সম্বৰ্ধিত শিক্ষাৰ্থী হবিবা নাছৰিনে নিজৰ সফলতাৰ অভিজ্ঞতা ভাগ-বতৰা কৰি কয় যে পৰিয়ালৰ সহযোগিতা, শিক্ষকসকলৰ দিক-নিৰ্দেশনা আৰু নিয়মীয়া অধ্যয়নে তেওঁক এই সফলতা অৰ্জনত সহায় কৰিছে। তেওঁ উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক লক্ষ্য স্থিৰ কৰি অধ্যৱসায়েৰে আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানৰ অন্তত BEG Educational Instituteৰ কৰ্তৃপক্ষই কয় যে শিক্ষাৰ্থীসকলৰ মাজত উৎকৰ্ষ সাধনৰ মানসিকতা গঢ়ি তোলা আৰু কৃতী শিক্ষাৰ্থীসকলক সন্মান জনোৱাৰ উদ্দেশ্যে আগন্তুক দিনতো এনে কাৰ্যসূচী নিয়মীয়াকৈ আয়োজন কৰা হ'ব।

বাক্সাত ধৰ্মীয় সম্প্ৰীতি আৰু আধ্যাত্মিকতাৰ বাৰ্তা

# ধাৰাবাহিক দুদিনত দুটা বল বম যাত্ৰাৰ শুভাৰম্ভ

**অসম বাৰ্তা, শালবাৰী, ১৮ জুলাই ঃ** পৱিত্ৰ শ্ৰাৱণ মাহ উপলক্ষে সমগ্ৰ দেশৰ লগতে বাক্সা জিলাতো আৰম্ভ হৈছে শিৱভক্তসকলৰ বল বম যাত্ৰা। ধাৰাবাহিক দুদিনত জিলাখনৰ দুটা পৃথক স্থানৰ পৰা বল বম যাত্ৰাৰ শুভাৰম্ভ কৰি বিটিচিৰ কাৰ্যবাহী সদস্যা বেগম আখতৰা আহমেদে ধৰ্মীয় সম্প্ৰীতি আৰু সামাজিক ঐক্যৰ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। অনুষ্ঠানত পতাকা উৰুৱাই যাত্ৰাৰ শুভাৰম্ভ কৰাৰ লগতে সকলো তীৰ্থযাত্ৰীৰ নিৰাপদ, শান্তিপূৰ্ণ আৰু সফল যাত্ৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে বেগম আখতৰা আহমেদে। এই যাত্ৰাত অংশগ্ৰহণ কৰা শিৱভক্তসকলে সুলতানগঞ্জ, বাবাধাম, বাসুকীনাথ, গয়া, জগন্নাথ মন্দিৰ, দক্ষিণেশ্বৰ, মায়াপুৰ আদি পৱিত্ৰ তীৰ্থস্থানলৈ ৰাওনা হয়। "বল বম" ধ্বনিয়ে মুখৰিত হৈ উঠে সমগ্ৰ পৰিৱেশ। ভক্তসকলৰ মাজত দেখা যায় গভীৰ ভক্তি, উৎসাহ আৰু আধ্যাত্মিক অনুভূতি। ধৰ্মীয় অনুষ্ঠানত জনপ্ৰতিনিধিৰ উপস্থিতিয়ে ভক্তসকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে প্ৰশাসনৰ সহযোগিতা আৰু নিৰাপত্তাৰ আশ্বাসো কঢ়িয়াই আনে। একে সময়তে এনে অনুষ্ঠানসমূহে বিভিন্ন সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক সৌহাৰ্দ্য, সম্প্ৰীতি আৰু সামাজিক ঐক্য অধিক সুদৃঢ় কৰাত সহায়ক হয়। ইয়াৰ উপৰিও বৃহৎ পৰিসৰৰ তীৰ্থযাত্ৰাই স্থানীয় পৰিবহণ ব্যৱস্থা, ক্ষুদ্ৰ ব্যৱসায়ী আৰু বজাৰ ব্যৱস্থাত ইতিবাচক অৰ্থনৈতিক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনাও বৃদ্ধি কৰে। সামগ্ৰিকভাৱে, ধাৰাবাহিক দুদিনৰ বল বম যাত্ৰাৰ শুভাৰম্ভে বাক্সা জিলাত এক আধ্যাত্মিক, উৎসৱমুখৰ আৰু সম্প্ৰীতিৰ পৰিৱেশ গঢ়ি তুলিছে।

সম্পাদকীয়

# অবসৰৰ সুৰক্ষা নে বিত্তীয় স্থিৰতা

**ভা**ৰতীয় চৰকাৰী কৰ্মচাৰীসকলৰ বাবে পেঞ্চন ব্যৱস্থা আজি এক গুৰুতৰ বিতৰ্কৰ বিষয়। কেন্দ্ৰীয় চৰকাৰে পুৰণি পেঞ্চন ব্যৱস্থা (Old Pension Scheme - OPS) ৰাহি কৰি নতুন পেঞ্চন ব্যৱস্থা (National Pension System - NPS) আৰম্ভ কৰাৰ কথা প্ৰকাশ কৰে। এই সিদ্ধান্তৰ পৰাই আৰম্ভ হয় এক দীৰ্ঘদিনীয়া দ্বন্দ্ব- এফালে কৰ্মচাৰীসকলৰ সুৰক্ষিত পেঞ্চনৰ দাবী, আনফালে চৰকাৰৰ বিত্তীয় স্থিৰতা ৰক্ষাৰ যুক্তি। OPS আছিল এটা 'নিশ্চিত পেঞ্চন' (defined-benefit) ব্যৱস্থা, য'ত কৰ্মচাৰীৰ পৰা কোনো অৱদান নোলোৱাকৈ চৰকাৰে সম্পূৰ্ণ পেঞ্চন প্ৰদান কৰিছিল। অৱসৰৰ পূৰ্বৰ অন্তিম মাহৰ মূল বেতনৰ ৫০ শতাংশ পেঞ্চন হিচাপে নিশ্চিত আছিল। দীৰ্ঘদিনীয়া সেৱাৰ অভিজ্ঞতা থকা কৰ্মচাৰীসকলে এই ব্যৱস্থাক আত্মসন্মান আৰু আৰ্থিক নিৰ্ভৰশীলতাৰ প্ৰতীক হিচাপে গণ্য কৰিছিল।

কিন্তু চৰকাৰৰ মতে, OPS আছিল এটা 'অনুদানমূলক নহয়' (non-contributory) আৰু 'অৰ্থায়িত নহয়' (unfunded) ব্যৱস্থা। অৰ্থনীতিৰ অস্থিৰতাৰ সময়তো পেঞ্চন দিয়াটো বাধ্যতামূলক আছিল, যাৰ ফলত ৰাজ্যবোৰৰ ওপৰত দীৰ্ঘম্যাদী আৰ্থিক বোজা সৃষ্টি হৈছিল। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্টভাৱে কৈছে যে OPS পুনৰ্বহাল কৰিলে ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা আৰু অধিক সংকটপূৰ্ণ হৈ পৰিব। অসমত বৰ্তমান প্ৰায় ৪ লাখ চৰকাৰী কৰ্মচাৰীৰ ভিতৰত ১, ৭৫, ৯৯৮জন OPSৰ অধীনত আৰু প্ৰায় ২, ৮৫, ০০০জন NPSৰ অধীনত।

NPS হৈছে এটা 'নিৰ্দিষ্ট অৱদান' (defined-contribution) ব্যৱস্থা, য'ত কৰ্মচাৰী আৰু চৰকাৰ উভয়ে নিয়মিত অৱদান যোগায় আৰু অৱসৰৰ পিছত পেঞ্চনৰ পৰিমাণ বজাৰৰ প্ৰদৰ্শনৰ ওপৰত নিৰ্ভৰশীল। কেন্দ্ৰীয় চৰকাৰৰ অধীনত কৰ্মচাৰীৰ অৱদান ১০ শতাংশ আৰু চৰকাৰৰ অৱদান ১৪ শতাংশ। NPSৰ সমৰ্থকে কয় যে ই চৰকাৰৰ ওপৰত অযৌক্তিক বিত্তীয় বোজা নাপাতে আৰু দীৰ্ঘম্যাদী বিনিয়োগৰ জৰিয়তে অধিক পৰিমাণৰ পেঞ্চন লাভ কৰিব পাৰি।

কিন্তু কৰ্মচাৰীসকলে NPSক 'বিপদজনক' বুলি গণ্য কৰে কাৰণ ইয়াত পেঞ্চন নিশ্চিত নহয়। অসমৰ কৰ্মচাৰী সংগঠনসমূহে NPSক 'অপৰ্যাপ্ত' আৰু 'অনিশ্চিত' বুলি অভিহিত কৰিছে। অসম বিশ্ববিদ্যালয়ৰ অশিক্ষক কৰ্মচাৰীসকলেও NPSৰ অধীনত পূৰ্বৰ দৰে সুৰক্ষা নোপোৱা বাবে উদ্বেগ প্ৰকাশ কৰিছে। ২০২৫ চনৰ নৱেম্বৰ-ডিচেম্বৰ মাহত অসমৰ চৰকাৰী কৰ্মচাৰীসকলে OPS পুনৰ্বহালৰ দাবীত ৰাজ্যব্যাপী আন্দোলন আৰম্ভ কৰিছিল, যাৰ অংশ হিচাপে 'পেন-ডাউন' ধৰ্মা, দস্তখত সংগ্ৰহ অভিযান আদি অনুষ্ঠিত কৰা হৈছিল।

অৱশেষত ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা কেন্দ্ৰীয় চৰকাৰে 'একীকৃত পেঞ্চন ব্যৱস্থা' (Unified Pension Scheme — UPS) আৰম্ভ কৰে, যি OPS আৰু NPSৰ মিশ্ৰণ। ইয়াত ২৫ বছৰ সেৱাৰ বাবে অৱসৰৰ পূৰ্বৰ ১২ মাহৰ গড় মূল বেতনৰ ৫০ শতাংশ পেঞ্চন নিশ্চিত, ১০ বছৰ সেৱাৰ বাবে ন্যূনতম ১০, ০০০ টকা পেঞ্চন, আৰু মুদ্ৰাস্ফীতিৰ সৈতে সামঞ্জস্য ৰখাৰ ব্যৱস্থা আছে। কৰ্মচাৰীৰ অৱদান ১০ শতাংশ আৰু চৰকাৰৰ অৱদান ১৮.৫ শতাংশ। ২০২৫ চনৰ অক্টোবৰত অসম চৰকাৰেও UPS অনুমোদন জনায়, য'ত কৰ্মচাৰীসকলক এটা বছৰৰ ভিতৰত NPS বা UPSৰ মাজত বিকল্প ল'বলৈ সময় দিয়া হয়। তথাপি UPSৰ প্ৰতি কৰ্মচাৰীসকলৰ সঁহাৰি অতি সীমিত- কেন্দ্ৰীয় চৰকাৰৰ ২৩ লাখ যোগ্য কৰ্মচাৰীৰ ভিতৰত মাত্ৰ ৩০, ৯৮৯ জনেহে (১.৩৫ শতাংশ) UPS বাছি লৈছে। কাৰণবোৰ হ'ল- বহুতে এতিয়াও OPS পুনৰ্বহালৰ আশা এৰি দিয়া নাই, UPSক OPSতকৈ কম সুৰক্ষিত বুলি গণ্য কৰা হয়, আৰু দীৰ্ঘম্যাদী সেৱাৰ চৰ্ত আৰু পৰিয়াল আৱৰণৰ সীমাবদ্ধতাক লৈ উদ্বেগ আছে।

অষ্টম বেতন আয়োগে এই পেঞ্চন ব্যৱস্থাসমূহৰ পুনৰীক্ষণ কৰি আছে। কৰ্মচাৰী সংগঠনসমূহে এটা দাবী তুলিছে— কৰ্মচাৰীসকলক তেওঁলোকৰ আৰ্থিক প্ৰয়োজন অনুসৰি OPS, NPS, বা UPSৰ মাজত বিকল্প ল'বলৈ সুযোগ দিয়া হওক। অসমৰ প্ৰেক্ষাপটত, মুখ্যমন্ত্ৰীয়ে OPS পুনৰ্বহাল কৰিলে ৰাজ্য 'দেৱালিয়া' হ'ব বুলি কৈছে, আনহাতে কৰ্মচাৰী সংগঠনসমূহে NPS বাতিল আৰু OPS পুনৰ্বহালৰ দাবীত অটল।

এতিয়া এটা সুষম সমাধানৰ প্ৰয়োজন। NPSৰ বিত্তীয় স্থিৰতা আৰু OPSৰ সামাজিক সুৰক্ষা- দুয়োটাৰ মাজত সম্প্ৰীতি স্থাপন কৰিব লাগিব। UPS এই দিশত এক পদক্ষেপ, কিন্তু ইয়াক অধিক কৰ্মচাৰী-বান্ধৱ কৰি তুলিব লাগিব। অসম চৰকাৰে কৰ্মচাৰীসকলৰ উদ্বেগ গুৰুত্ব সহকাৰে লৈ এটা স্থায়ী সমাধানৰ পথ বিচাৰি উলিওৱাটোৱেই হ'ব বুদ্ধিমান কাৰ্যপন্থা। কাৰণ অসমৰ ৩ লাখতকৈ অধিক NPS কৰ্মচাৰীৰ ভৱিষ্যত সুৰক্ষিত কৰাটো কেৱল এটা নীতিৰ সিদ্ধান্ত নহয়, ই এক মানৱীয় দায়িত্ব।

# পবিত্ৰ শাওন মাহ

## শিৱ আৰাধনা, বলবম আৰু আধ্যাত্মিক জীৱনদৰ্শন

*ত্ৰেতা যুগত শ্ৰৱণ কুমাৰে তেওঁৰ অন্ধ পিতৃ-মাতৃক সিকিয়াত বহুৱাই কান্ধত লৈ বহু পবিত্ৰ তীৰ্থস্থান ভ্ৰমণ কৰাইছিল। শ্ৰৱণ কুমাৰৰ অন্ধ পিতৃ-মাতৃয়ে হৰিদ্বাৰত গংগা স্নান কৰাৰ ইচ্ছাৰ কথা ব্যক্ত কৰাত শ্ৰৱণ কুমাৰে পিতৃ-মাতৃক সিকিয়াত বহুৱাই কান্ধতলৈ যাত্ৰা কৰিলে আৰু তেওঁলোকৰ গংগা স্নানৰ হেঁপাহ পূৰণ কৰে। লোককথা অনুসৰি পিতৃ- মাতৃক গঙ্গা স্নান কৰোৱাৰ পিছত শ্ৰৱণ কুমাৰে হৰিদ্বাৰৰ গংগাৰ পৰা গংগা জল লৈ-বিধিপূৰ্বক ভাৱে ভগৱান শিৱৰ জলাভিষেক কৰিলে। ধাৰ্মিক মান্যতা অনুসাৰে-তেতিয়াৰে পৰা 'বলবম' যাত্ৰা আৰম্ভ হ'ল। আনহাতে লংকাধিপতি ৰাৱণ আছিল এজন মহান শিৱভক্ত। অন্য এক লোকবিশ্বাস অনুসৰি, তেৰোঁ এই শাওন মাহতে পবিত্ৰ গংগাজল সিকিয়াৰে কঢ়িয়াই আনি বৈদ্যনাথ ধামত শিৱলিংগত অৰ্পণ কৰিছিল। এইদৰে ত্ৰেতা যুগৰ পৰাই আৰম্ভ হোৱা এই যাত্ৰাই পৰৱৰ্তী সময়ত এক বিশাল আধ্যাত্মিক আন্দোলনৰ ৰূপ লৈছে, যাৰ মূল আধাৰ আছিল ত্যাগ আৰু শাৰীৰিক কষ্টৰ বিনিময়ত ভগৱানক লাভ কৰা।*

**ভা**ৰতীয় সনাতন সংস্কৃতি আৰু আধ্যাত্মিক পৰম্পৰাত প্ৰকৃতি আৰু ভগৱন্তৰ সম্পৰ্ক অতি নিবিড়। প্ৰকৃতিৰ ঋতুচক্ৰৰ পৰিৱৰ্তন আৰু মানৱ মনৰ ভক্তিভাৱৰ মাজত গঢ় লৈ উঠা সুন্দৰ সমন্বয়ৰ এক উৎকৃষ্ট নিদৰ্শন হৈছে পবিত্ৰ শাওন মাহ। বাৰিষাৰ স্নিগ্ধ বৰষুণৰ ধাৰাই যিদৰে প্ৰকৃতিৰ বুকুত শীতলতা, সেউজীয়া আৰু নতুন প্ৰাণচাঞ্চল্যৰ সঞ্চাৰ কৰে, ঠিক তেনেদৰে শাওন মাহৰ আগমনে ধৰ্মপ্ৰাণ ভক্তসকলৰ অন্তৰতো এক অপূৰ্ব আধ্যাত্মিক জোৱাৰৰ সৃষ্টি কৰে। শাওন মাহ আৰু ভগৱান শিৱ- এই দুয়ো যেন ইটো আনটোৰ পৰিপূৰক। এই পবিত্ৰ মাহটোত সমগ্ৰ ভাৰতবৰ্ষতে সনাতন ধৰ্মাৱলম্বীসকলৰ মাজত শিৱ আৰাধনাৰ এক গভীৰ ভক্তিময় আৰু উৎসৱমুখৰ পৰিৱেশ গঢ় লৈ উঠে। এই মাহটোৰ অন্তৰালত পৌৰাণিক আখ্যান, আধ্যাত্মিক দৰ্শন আৰু মানৱজাতিৰ কল্যাণৰ এক চিৰন্তন বাৰ্তা নিহিত হৈ আছে।

এই আধ্যাত্মিক পৰম্পৰাৰ এক অনন্য আৰু জনপ্ৰিয় উৎসৱ হৈছে বলবম যাত্ৰা। শাওন মাহত অসংখ্য শিৱভক্তই অগাধ বিশ্বাস, নিষ্ঠা আৰু ভক্তিভাৱেৰে পবিত্ৰ নদীৰ পৰা জল সংগ্ৰহ কৰি দীৰ্ঘ পথ খোজকাঢ়ি ভগৱান শিৱ মন্দিৰৰ শিৱলিংগত সেই পবিত্ৰ জল অৰ্পণ কৰে। এই যাত্ৰা কেৱল এক ধৰ্মীয় আচাৰেই নহয়, ই আত্মশুদ্ধি, সংযম, ত্যাগ, শৃংখলা আৰু অটল ভক্তিৰ এক জীৱন্ত প্ৰতীক। এই লেখাত শাওন মাহৰ মাহাত্ম্য, এই সময়ত ভগৱান শিৱৰ আৰাধনাৰ তাৎপৰ্য, বলবম যাত্ৰাৰ ঐতিহাসিক আৰু পৌৰাণিক পটভূমি, শিৱলিংগত পবিত্ৰ জল অৰ্পণৰ অন্তৰ্নিহিত তাৎপৰ্য, লগতে সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই আধ্যাত্মিক যাত্ৰাৰ ধাৰা আৰু ৰূপান্তৰ সম্পৰ্কে এক বিশদ আলোচনা আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে।

সনাতন ধৰ্মত ১২টা মাহৰ ভিতৰত শাওন মাহক আটাইতকৈ পবিত্ৰ মাহ বুলি গণ্য কৰা হয়। শাওন মাহ ভগৱান শিৱৰ অতি প্ৰিয় মাহ। ভগৱান শিৱৰ এই মাহটো ইমান প্ৰিয় হোৱাৰ অন্তৰালত বিভিন্ন কাহিনী আছে। শিৱ পুৰাণত থকা বৰ্ণনা অনুসৰি, প্ৰজাপতি দক্ষৰ যজ্ঞ স্থলিত সতীয়ে পতি মহাদেৱৰ অপমান সহ্য কৰিব নোৱাৰি দেহ ত্যাগ কৰাৰ পিছত, তেওঁ হিমালয়ৰ কন্যা পাৰ্বতী হিচাপে পুনৰ জন্মগ্ৰহণ কৰিছিল। মাতা পাৰ্বতীয়ে ভগৱান শিৱক পুনৰ পতি ৰূপে পাবলৈ জীৱনৰ কঠিনতম তপস্যাত ব্ৰতী হৈছিল। তেওঁৰ যুগজোৰা কঠিন তপস্যাৰ পূৰ্ণতা ঘটিছিল এই শাওন মাহতে। পাৰ্বতীৰ একান্ত ভক্তি আৰু কঠোৰ ত্যাগৰ অন্তত ভগৱান শিৱ সন্তুষ্ট হৈছিল আৰু শাওন মাহৰে এক পবিত্ৰ তিথিত তেওঁলোকৰ শুভ বিবাহ সম্পন্ন হৈছিল। সেয়েহে শিৱ আৰু শক্তিৰ পুনৰ মিলনৰ এই পবিত্ৰ সময়ছোৱাক ভগৱান মহাদেৱে অত্যন্ত প্ৰিয় আৰু আশীৰ্বাদধন্য বুলি ঘোষণা কৰিছিল। প্ৰচলিত আন এক ধাৰণা অনুসৰি, আহাৰ, শাওন, ভাদ আৰু আহিন- এই চাৰিটা মাহত সৃষ্টিৰ পালনকৰ্তা ভগৱান বিষ্ণুৱে যোগনিদ্ৰাত মগন থাকে। ধৰ্মীয় বিশ্বাস অনুসৰি, এই সময়ছোৱাত সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ পৰিচালনা, ৰক্ষণাবেক্ষণ আৰু ত্ৰাণকৰ্তাৰ দায়িত্ব দেৱাদিদেৱ মহাদেৱে নিজৰ কান্ধত তুলি লয়। সৃষ্টিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ এই প্ৰাৰম্ভিক মাহটোৱেই হৈছে শাওন। সেয়েহে এই সময়ছোৱাত ভক্তসকলে শিৱৰ চৰণত নিজক সমৰ্পণ কৰি তেওঁৰ আশীৰ্বাদ ভিক্ষা কৰে, কাৰণ তেওঁ তেতিয়া সৃষ্টিৰ পোনপটীয়া তত্ত্বাৱধায়ক হৈ থাকে।


নলিনী ৰঞ্জন ভূঞা

প্ৰাকৃতিক আৰু বৈজ্ঞানিক দৃষ্টিৰে চাবলৈ গলে এই মাহটোৰ গুৰুত্ব অপৰিসীম। জেঠ-আহাৰৰ প্ৰচণ্ড গৰম আৰু খৰাং পৰিৱেশৰ পিছত শাওনৰ বৰষুণে ধৰিত্ৰীক শীতল কৰে। উদ্ভিদজগতে নৱজীৱন লাভ কৰে আৰু জীৱজগতত নতুন সজীৱতাৰ সঞ্চাৰ হয়। এই প্ৰাকৃতিক পুনৰ্জাগৰণক শিৱৰ সৃষ্টিচক্ৰৰ সৈতে সম্পৰ্কিত কৰি চোৱা হয়। শিৱ হৈছে সংহাৰৰ দেৱতা আৰু প্ৰকৃতিৰ মূল আধাৰ, তেওঁক পশুপতি বুলিও মান্য কৰা হয়। বৰষুণৰ ধাৰাই গোটেই পৃথিৱীখন সেউজীয়া কৰি নৱৰূপ প্ৰদান কৰাৰ দৰে, মহাদেৱৰ কৃপাই ভক্তৰ জীৱনটোও সজীৱ কৰি তোলে। প্ৰকৃতিৰ এই নৱপ্ৰাণ আৰু শীতলতাই মহাদেৱক সৰ্বাধিক আনন্দ প্ৰদান কৰে, যাৰ বাবে এই মাহটো তেওঁৰ প্ৰিয় বুলি গণ্য কৰা হয়।

শাওন মাহৰ সৈতে জড়িত আটাইতকৈ গুৰুত্বপূৰ্ণ, ৰহস্যময় আৰু প্ৰভাৱশালী পৌৰাণিক আখ্যান হৈছে 'সমুদ্ৰ মন্থন'। দেৱতা আৰু অসুৰসকলে অমৰত্ব লাভৰ আশাত ক্ষীৰ সাগৰ মন্থন কৰিছিল। মন্দৰ পৰ্বতক মন্থনদণ্ড আৰু সৰ্পৰাজ বাসুকীক জৰী হিচাপে ব্যৱহাৰ কৰি কৰা এই মন্থনৰ ফলত বহু মূল্যৱান ৰত্ন, ঐৰাৱত হাতী, উচ্চৈঃশ্ৰৱা ঘোঁৰা, কামধেনু গৰু আৰু দেৱী লক্ষ্মীৰ আৱিৰ্ভাৱ হৈছিল। কিন্তু মন্থনৰ এটা পৰ্যায়ত সাগৰৰ গভীৰৰ পৰা ওলাই আহিল 'হলাহল' নামৰ এক ভয়ংকৰ বিষ। ইয়াৰ তীব্ৰ প্ৰভাৱত সমগ্ৰ সৃষ্টিজগত ধ্বংসৰ মুখলৈ গতি কৰিছিল। দেৱতা বা অসুৰ- কাৰোৰে সেই বিষৰ প্ৰভাৱ ৰোধ কৰাৰ শক্তি নাছিল। তেতিয়া সকলোৱে কৈলাসপতি ভগৱান শিৱৰ শৰণ লয়। বিশ্বকল্যাণৰ বাবে মহাদেৱে সেই বিষ পান কৰে। কিন্তু যোগশক্তিৰে তাক কণ্ঠত ধৰি ৰাখে। ফলত তেওঁৰ ডিঙি নীলা হৈ পৰে আৰু তেতিয়াৰ পৰাই তেওঁ 'নীলকণ্ঠ' নামেৰে পৰিচিত হয়। লোকবিশ্বাস অনুসৰি, মহাদেৱে হলাহল বিষ পান কৰা ঘটনা শাওন মাহৰ এটা সোমবাৰত সংঘটিত হৈছিল। হলাহল বিষ পান কৰাত মহাদেৱৰ শৰীৰত প্ৰচণ্ড উত্তাপৰ সৃষ্টি হৈছিল। সেই উত্তাপ প্ৰশমিত কৰিবলৈ দেৱতাসকলে তেওঁৰ শৰীৰত পানী আৰু পবিত্ৰ গংগাজল অৰ্পণ কৰিছিল। প্ৰকৃতিয়েও যেন বৰষুণেৰে মহাদেৱক শীতল কৰি তুলিছিল। শাওন মাহত তেওঁৰ জলাভিষেকৰ পৰম্পৰাক বহুতে এই আখ্যানৰ সৈতে সম্পৰ্কিত বুলি মানে।

শাওন মাহ বুলিলেই চকুৰ আগত ভাহি উঠে গেৰুৱা বস্ত্ৰ পৰিহিত ভক্তৰ এক অপূৰ্ব লানি। কান্ধত লোৱা সিকিয়াত (উত্তৰ ভাৰতত ইয়াক কাঁৱৰ বুলি কোৱা হয়। সেই কাৰণে এই যাত্ৰাক কাঁৱৰ যাত্ৰা বুলিও কয়।) দুয়ো মূৰে পবিত্ৰ জলৰে পূৰ্ণ কলহ ওলোমাই খালী ভৰিৰে বহু দূৰ খোজ কাঢ়ি যোৱা এই যাত্ৰাক 'বলবম' যাত্ৰা' বুলি জনা যায়। এই যাত্ৰাৰ ইতিহাস অতি প্ৰাচীন আৰু ইয়াৰ সৈতে ত্ৰেতা যুগৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰেক্ষাপট জড়িত হৈ আছে। প্ৰচলিত এটা জনবিশ্বাস অনুসৰি, এই যাত্ৰাৰ আৰম্ভণি কৰিছিল ভগৱান পৰশুৰামে। পৰশুৰাম আছিল ভগৱান শিৱৰ পৰম ভক্ত। যেতিয়া সমুদ্ৰ মন্থনৰ বিষ পান কৰি মহাদেৱৰ কণ্ঠ জ্বলন হৈ আছিল, তেতিয়া পৰশুৰামে তেওঁৰ আৰাধ্য দেৱতাৰ জ্বলন প্ৰশমিত কৰিবলৈ পবিত্ৰ গংগা নদীৰ পৰা সিকিয়াৰ জৰিয়তে জল আনি 'পুৰা মহাদেৱ' নামৰ ঐতিহাসিক স্থানত থকা শিৱলিংগত অৰ্পণ কৰিছিল। পৰশুৰামে আৰম্ভ কৰা এই পৰম্পৰায়েই পৰৱৰ্তী সময়ত এক ধৰ্মীয় ৰীতিৰ ৰূপ লয়। দ্বিতীয়তে এক অতি জনপ্ৰিয় আৰু আবেগিক কাহিনী শ্ৰৱণ কুমাৰৰ সৈতে জড়িত হৈ আছে। ত্ৰেতা যুগত শ্ৰৱণ কুমাৰে তেওঁৰ অন্ধ পিতৃ-মাতৃক সিকিয়াত বহুৱাই কান্ধত লৈ বহু পবিত্ৰ তীৰ্থস্থান ভ্ৰমণ কৰাইছিল। শ্ৰৱণ কুমাৰৰ অন্ধ পিতৃ-মাতৃয়ে হৰিদ্বাৰত গংগা স্নান কৰাৰ ইচ্ছাৰ কথা ব্যক্ত কৰাত শ্ৰৱণ কুমাৰে পিতৃ-মাতৃক সিকিয়াত বহুৱাই কান্ধতলৈ যাত্ৰা কৰিলে আৰু তেওঁলোকৰ গংগা স্নানৰ হেঁপাহ পূৰণ কৰে। লোককথা অনুসৰি পিতৃ- মাতৃক গঙ্গা স্নান কৰোৱাৰ পিছত শ্ৰৱণ কুমাৰে হৰিদ্বাৰৰ গংগাৰ পৰা গংগা জল লৈ-বিধিপূৰ্বক ভাৱে ভগৱান শিৱৰ জলাভিষেক কৰিলে। ধাৰ্মিক মান্যতা অনুসাৰে-তেতিয়াৰে পৰা 'বলবম' যাত্ৰা আৰম্ভ হ'ল। আনহাতে লংকাধিপতি ৰাৱণ আছিল এজন মহান শিৱভক্ত। অন্য এক লোকবিশ্বাস অনুসৰি, তেৰোঁ এই শাওন মাহতে পবিত্ৰ গংগাজল সিকিয়াৰে কঢ়িয়াই আনি বৈদ্যনাথ ধামত শিৱলিংগত অৰ্পণ কৰিছিল। এইদৰে ত্ৰেতা যুগৰ পৰাই আৰম্ভ হোৱা এই যাত্ৰাই পৰৱৰ্তী সময়ত এক বিশাল আধ্যাত্মিক আন্দোলনৰ ৰূপ লৈছে, যাৰ মূল আধাৰ আছিল ত্যাগ আৰু শাৰীৰিক কষ্টৰ বিনিময়ত ভগৱানক লাভ কৰা।

বলবম মূলতঃ উত্তৰ ভাৰতৰ এক ধৰ্মীয় পৰম্পৰা। অসমত ইয়াৰ প্ৰচলন তুলনামূলকভাৱে সাম্প্ৰতিক। অসমত বলবম যাত্ৰাৰ ইতিহাসো খুব বেছি পুৰণি নহয়। উপলব্ধ তথ্য অনুসৰি, ডিব্ৰুগড়ত ১৯৮০ দশকৰ আৰম্ভণিতে সংগঠিতভাৱে বলবম যাত্ৰা আৰম্ভ হোৱা বুলি বহুতে উল্লেখ কৰে। প্ৰথম এই যাত্ৰাৰ উদ্যোগ লৈছিল ডিব্ৰুগড়ৰ নয়া বজাৰ সেৱা সমিতিয়ে। সমিতিৰ অধ্যক্ষ ৰাধেশ্যাম ডালমিয়াই উত্তৰ ভাৰতৰ শৈলী অনুসৰি প্ৰথমবাৰৰ বাবে অসমত বলবমৰ আৰম্ভণি ঘটাবলৈ এখন গোহাৰি-পত্ৰ প্ৰকাশ কৰি- কচাৰীঘাটত ব্ৰহ্মপুত্ৰৰ পবিত্ৰ পানী তুলি তিনিচুকীয়াৰ শিৱধামলৈ শাওন মাহৰ প্ৰতি দেওবাৰে যাত্ৰা কৰাৰ বিষয়ে উল্লেখ কৰা হৈছিল আৰু সকলোৱে সহযোগিতা কামনা কৰিছিল। এয়াই আছিল অসমত বলবমৰ আৰম্ভণি। ইয়াৰ পিছৰ পৰা যোৱা কিছু বছৰত এই বল বম ৰাজ্যৰ চুকে কোণে শিপাইছে আৰু অসমীয়া সমাজৰো বহু লোকে বলবমত অংশ ল'বলৈ ধৰিছে।

সময়ৰ পৰিৱৰ্তনৰ সৈতে মানুহৰ মানসিকতা আৰু ধৰ্মীয় আচাৰ-ব্যৱহাৰতো ব্যাপক পৰিৱৰ্তন আহিছে। আজিৰ পৰা কিছু বছৰ আগলৈকে বলবম যাত্ৰা আছিল এক অত্যন্ত পবিত্ৰ, সংযমী আৰু তপস্যাসদৃশ কঠিন সাধনা। ভক্তসকলে নদীৰ পৰা জল লৈ খালী ভৰিৰে, গৰম পকী ৰাস্তা বা বোকাময় পথেৰে কেইবা কিলোমিটাৰ খোজ কাঢ়ি শিৱমন্দিৰ অভিমুখে যাত্ৰা কৰিছিল। তেওঁলোকে মুখৰে উচ্চাৰণ কৰিছিল কেৱল 'বম বম ভোলে, বলবম' বা 'ওঁ নমঃ শিৱায়' মন্ত্ৰ। সেই সময়ৰ এই যাত্ৰাত আছিল এক গভীৰ আধ্যাত্মিক নীৰৱতা, একাগ্ৰতা আৰু আন্তৰিকতা। শৰীৰৰ কষ্ট আৰু ভাগৰক নেওচি কেৱল ভগৱানৰ চৰণত মনটো সমৰ্পণ কৰাই আছিল তাৰ মূল লক্ষ্য। কিন্তু বৰ্তমান সময়ত এই পবিত্ৰ পৰম্পৰা যেন বহু পৰিমাণে আধুনিকতা আৰু প্ৰদৰ্শনকামিতাৰ কবলত পৰি অৱক্ষয়ৰ দিশে গতি কৰিছে। আজিকালি খোজকাঢ়ি যোৱাৰ সেই কঠোৰ পৰম্পৰা বিলুপ্তপ্ৰায় হৈ পৰিছে। তাৰ পৰিৱৰ্তে স্থান লৈছে বিভিন্ন ধৰণৰ বিলাসী মটৰ গাড়ী, ট্ৰে'ৰ, বলেৰ আৰু ট্ৰাকে। ভক্তসকলৰ এক বৃহৎ অংশই এতিয়া খোজ কঢ়াৰ কষ্টকণ কৰিব নিবিচাৰে আৰু বাহনৰ ওপৰত উঠি আৰামেৰে যাত্ৰা কৰা দেখা যায়। বৰ্তমান বহু ঠাইত বলবম যাত্ৰাত উচ্চ শব্দৰ সংগীত ব্যৱহাৰ কৰা দেখা যায়। বহু ধৰ্মপ্ৰাণ ব্যক্তিৰ মতে, ইয়াৰ ফলত যাত্ৰাৰ মূল সংযমী আৰু আধ্যাত্মিক চৰিত্ৰ কিছু পৰিমাণে ক্ষুণ্ণ হৈছে। গাড়ীৰ ওপৰত লাউডস্পীকাৰ বা ডি জে ব' বান্ধি, উচ্চ প্ৰাবল্যৰ শব্দত গীত বা ভজন বজাই বলবম যোৱাটো এক ফেচ্ছন বা আধুনিকতাত পৰিণত হৈছে। আৰাধনাৰ নামত এইদৰে ৰাজপথত হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰাটো ধৰ্মীয় অনুশাসন হ'ব নোৱাৰে। এই পৰিৱৰ্তনে বলবম যাত্ৰাৰ মূল আধ্যাত্মিক সত্তাটোকে হেৰুৱাই পেলাইছে। ধৰ্মীয় যাত্ৰাৰ মূল অৰ্থই হৈছে ইন্দ্ৰিয়ক নিয়ন্ত্ৰণ কৰি নিজৰ শৰীৰ আৰু মনক ভগৱানৰ নামত অৰ্পণ কৰা। বহু সংখ্যক ভক্তৰ মতে, খোজকাঢ়ি কৰা যাত্ৰাই বলবমৰ মূল ত্যাগ আৰু সংযমৰ আদৰ্শ অধিক সুন্দৰভাৱে প্ৰতিফলিত কৰে। দ্বিতীয়তে, ইয়াৰ দ্বাৰা সাধাৰণ ৰাইজৰ অপাৰ অসুবিধাৰ সৃষ্টি কৰা হৈছে। উচ্চ শব্দৰ গান-বাজনাই ৰাস্তাৰ কাষৰ স্কুল, হাস্পতাল, ৰোগী আৰু সাধাৰণ পথচাৰীৰ বাবে চৰম অতিশয্যৰ সৃষ্টি কৰে। ধৰ্মই আনক কষ্ট দিয়াটো কেতিয়াও সমৰ্থন নকৰে। তৃতীয়তে, এই ব্যৱস্থাটোৱে আন্তৰিক ভক্তিতকৈ বাহ্যিকতাৰ প্ৰৱণতা আৰু প্ৰদৰ্শনটোহে বেছিকৈ প্ৰতিফলিত কৰে।

নদীৰ পৰা পবিত্ৰ জল আনি শিৱলিংগত অৰ্পণ কৰাটো কেৱল এক বাহ্যিক ধৰ্মীয় ক্ৰিয়া নহয়, ইয়াৰ আঁৰত এক গভীৰ আধ্যাত্মিক দৰ্শন লুকাই আছে। ভাৰতীয় সংস্কৃতিত পানী বা জলক জীৱনৰ আধাৰ বুলি কোৱা হয়। জল হৈছে পবিত্ৰতা, তৰলতা আৰু সমৰ্পণৰ প্ৰতীক। যেতিয়া এজন ভক্তই পবিত্ৰ নদীৰ পৰা পানী আনি শিৱলিংগত অৰ্পণ কৰে, তেতিয়া তেওঁ আচলতে নিজৰ ভিতৰত থকা সকলো ক্ৰোধ, মোহ আৰু অহংকাৰ ভগৱানৰ চৰণত অৰ্পণ কৰি মনৰ পৰা অহংকাৰ বিসৰ্জন দিয়ে। পানীয়ে যেনেকৈ পাত্ৰৰ আকাৰ লয়, ঠিক তেনেকৈ ভক্তৰ মনটোও ঈশ্বৰৰ ইচ্ছাত বিলীন হৈ একাকাৰ হৈ পৰে। একেদৰে সংসাৰৰ জুই আৰু মানসিক অশান্তিয়ে দহি থকা মনটোক জ্ঞানৰ জলধাৰাৰে শীতল কৰিবলৈ শিৱলিংগত জলধাৰা অৰ্পণ কৰা হয়। শিৱলিংগৰ গঠনটোৱেও যোনিপীঠ অৰ্থাৎ প্ৰকৃতি আৰু লিংগ অৰ্থাৎ পুৰুষ বা শক্তিৰ মিলনক প্ৰতিনিধিত্ব কৰে, যি সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠিত।

পৰিশেষত কব পাৰি যে, বৰ্তমানৰ অতি যান্ত্ৰিক, ব্যস্ত আৰু প্ৰতিযোগিতামূলক যুগত মানুহৰ জীৱনৰ পৰা মানসিক শান্তি যেন হেৰাই যাবলৈ ধৰিছে। ক্ৰোধ, ঈৰ্ষা আৰু মানসিক অৱসাদে মানুহক দিনে দিনে গ্ৰাস কৰিছে। এনে সময়ত শাওন মাহৰ এই পবিত্ৰ পৰম্পৰা আৰু শিৱ আৰাধনাৰ প্ৰাসংগিকতা অধিক বৃদ্ধি পাইছে। শাওন মাহে আমাক সংযম, সৰলতা আৰু ত্যাগৰ শিক্ষা দিয়ে। এই মাহত বহু লোকে নিৰামিষ আহাৰ গ্ৰহণ কৰে, নিচাযুক্ত দ্ৰব্য পৰিত্যাগ কৰে আৰু ব্ৰত পালন কৰে।

বৈজ্ঞানিক দৃষ্টিৰে চাবলৈ গলে, বৰ্ষা ঋতুত আমাৰ পাচনতন্ত্ৰ অলপ দুৰ্বল হয়, গতিকে পাতল আহাৰ আৰু উপবাসে শৰীৰ পৰিষ্কাৰ বা সুস্থ কৰি ৰাখে। কিন্তু আমি সকলোৱে মনত ৰখা উচিত যে ধৰ্মীয় পৰম্পৰাবোৰ যাতে কেৱল এক বাহ্যিক ধামাকাত পৰিণত নহয়। বলবম যাত্ৰাৰ পবিত্ৰতা ৰক্ষা কৰাটো আমাৰ প্ৰতিজন সচেতন নাগৰিকৰে কৰ্তব্য। গাড়ী আৰু উচ্চ শব্দৰ কোলাহল পৰিত্যাগ কৰি, যদি আমি পুনৰ সেই শান্ত, সমাহিত আৰু খোজ কাঢ়ি যোৱাৰ সংযমী পৰম্পৰাটোক আদৰি ল'ব পাৰো, তেতিয়াহে এই যাত্ৰাই প্ৰকৃত সাৰ্থকতা লাভ কৰিব। ধৰ্মৰ প্ৰকৃত শক্তি বাহ্যিক আড়ম্বৰত নহয়, অন্তৰৰ পবিত্ৰতা, সংযম আৰু মানৱকল্যাণৰ চেতনাত নিহিত হৈ থাকে। ভগৱান শিৱ হৈছে 'কল্যাণ'ৰ প্ৰতীক। তেওঁ কোনো দামী বা আড়ম্বৰপূৰ্ণ পূজা নিবিচাৰে। কেৱল এটা বেলপাত আৰু অলপ পবিত্ৰ জলতে তেওঁ সন্তুষ্ট হয়। সেয়েহে এই পবিত্ৰ শাওন মাহত বাহ্যিক আড়ম্বৰ বিসৰ্জন দি একাগ্ৰচিত্তে মহাদেৱৰ চৰণত নিজক সমৰ্পণ কৰি সমগ্ৰ মানৱ জাতিৰ কল্যাণ আৰু বিশ্বশান্তিৰ বাবে প্ৰাৰ্থনা জনোৱাটোৱেই হওক প্ৰতিজন ভক্তৰ একান্ত সাধনা। 'ওঁ নমঃ শিৱায়'।

# যুৱ প্ৰজন্মৰ মাজত যৌনতাক খেল হিচাপে লোৱাৰ প্ৰৱণতা

গোলাপ চাংমাই

**যু**ৱকাল হৈছে মানুহৰ জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ আৰু সংবেদনশীল পৰ্যায়। এই সময়ছোৱাত শাৰীৰিক, মানসিক, আৱেগিক আৰু সামাজিক বহু পৰিৱৰ্তন ঘটে। কৌতূহল, নতুন অভিজ্ঞতা লাভৰ ইচ্ছা, আত্মপৰিচয় গঢ়ি তোলাৰ চেষ্টা আৰু সম্পৰ্ক গঢ়ি তোলাৰ প্ৰৱণতা এই বয়সত স্বাভাৱিকভাৱে বৃদ্ধি পায়। যৌন আকৰ্ষণো মানুহৰ স্বাভাৱিক বিকাশৰ এটা অংশ। কিন্তু যেতিয়া যৌনতাক কেৱল মনোৰঞ্জন, উত্তেজনা বা খেল হিচাপে লোৱা হয়, তেতিয়া ব্যক্তিগত, পাৰিবাৰিক আৰু সামাজিক জীৱনত বহু জটিল সমস্যাৰ সৃষ্টি হ'ব পাৰে।

বৰ্তমান ইণ্টাৰনেট, স্মাৰ্টফোন, সামাজিক মাধ্যম, অনলাইন মনোৰঞ্জন আৰু বিশ্বায়নৰ প্ৰভাৱে যুৱ-যুৱতীসকলৰ জীৱনধাৰণ আৰু চিন্তাধাৰাত গভীৰ পৰিৱৰ্তন আনিছে। বহু ইতিবাচক সুযোগৰ লগতে কিছুমান নেতিবাচক প্ৰভাৱো দেখা গৈছে। সেয়েহে এই বিষয়টোক আৱেগ বা অভিযোগৰ দৃষ্টিৰে নহয়, বৰঞ্চ তথ্য, বিজ্ঞান, স্বাস্থ্য আৰু সামাজিক বাস্তৱতাৰ ছবিৰে আলোচনা কৰাটো প্ৰয়োজন।

আজিৰ যুগত ডিজিটেল মাধ্যম যুৱ সমাজৰ জীৱনৰ এক অবিচ্ছেদ্য অংশ। বিভিন্ন সামাজিক মাধ্যমত বহু সময়ত সম্পৰ্ক আৰু যৌনতাক বাস্তৱ জীৱনৰ তুলনাত অতি সৰল, ৰোমাঞ্চকৰ বা দায়িত্বহীনভাৱে উপস্থাপন কৰা হয়। ইয়াৰ ফলত কিছুমান যুৱকে ভুল ধাৰণা গঢ়ি তুলিব পাৰে। বহু পৰিয়ালত যৌন স্বাস্থ্য বা সম্পৰ্ক সম্পৰ্কে খোলাকৈ আলোচনা নোহোৱাৰ বাবে যুৱসকলে ইণ্টাৰনেট বা সমনীয়াৰ পৰা অসম্পূৰ্ণ বা ভ্ৰান্ত তথ্য লাভ কৰে। ইয়াৰ লগতে সমনীয়াৰ চাপ, সামাজিক স্বীকৃতি লাভৰ ইচ্ছা, কৌতূহল, আৱেগ নিয়ন্ত্ৰণৰ অভাৱ আৰু জীৱনদক্ষতাৰ অভাৱেও এই প্ৰৱণতাক বৃদ্ধি কৰিব পাৰে।

যৌনতাক খেল হিচাপে লোৱা মানে হৈছে ইয়াৰ লগত জড়িত আৱেগ, পাৰস্পৰিক সন্মান, সন্মতি, দায়িত্ব আৰু সম্ভাব্য পৰিণামৰ প্ৰতি গুৰুত্ব নিদি কেৱল সাময়িক আনন্দ বা কৌতূহল পূৰণৰ মাধ্যম হিচাপে গণ্য কৰা। এনে দৃষ্টিভংগীয়ে সম্পৰ্কৰ গভীৰতা কমায় আৰু কেতিয়াবা আনজন ব্যক্তিকো কেৱল ব্যৱহাৰৰ বস্তু হিচাপে চোৱাৰ আশংকা সৃষ্টি কৰে।

যৌনতাক কেৱল খেল হিচাপে লোৱাৰ ফলত বহু যুৱ-যুৱতীয়ে পিছলৈ মানসিক চাপ, অনুশোচনা, উদ্বেগ বা সম্পৰ্ক ভাঙি যোৱাৰ কষ্টৰ সন্মুখীন হ'ব পাৰে। পাৰস্পৰিক বিশ্বাস নষ্ট হ'লে বন্ধুত্ব, প্ৰেম বা পাৰিবাৰিক সম্পৰ্কৰ ওপৰতো নেতিবাচক প্ৰভাৱ পৰে। এই সমস্যাৰ সমাধানৰ বাবে বিজ্ঞানভিত্তিক, বয়স-উপযোগী যৌন শিক্ষা অতি গুৰুত্বপূৰ্ণ।

যৌন শিক্ষা মানে কেৱল যৌন সম্পৰ্কৰ কথা নহয়, ইয়াৰ অন্তৰ্গত হৈছে শৰীৰৰ পৰিৱৰ্তন, ব্যক্তিগত সীমা, সন্মতি, পাৰস্পৰিক সন্মান, স্বাস্থ্য, দায়িত্ব আৰু সুৰক্ষা। ইয়াৰোপৰি স্বাস্থ্যৰ ক্ষেত্ৰতো সচেতনতা নাথাকিলে যৌনবাহিত সংক্ৰমণ আৰু অনাকাংক্ষিত গৰ্ভধাৰণৰ দৰে সমস্যাৰ আশংকা বৃদ্ধি পায়। অনলাইনত ব্যক্তিগত ছবি বা তথ্য ভাগ-বতৰা কৰিলে গোপনীয়তা নষ্ট, ব্লেকমেইল আদি কাৰ্যকলাপে বহু যুৱ প্ৰজন্মক মৃত্যু মুখলৈ ঠেলি দিয়ে। ইণ্টাৰনেট আৰু সামাজিক মাধ্যম ব্যৱহাৰ কৰোঁতে ব্যক্তিগত তথ্য, ছবি বা ভিডিঅ' ভাগ-বতৰা কৰাৰ আগতে সম্ভাব্য পৰিণাম চিন্তা কৰা উচিত। অনলাইন জগতত সকলো মানুহ বিশ্বাসযোগ্য নহ'বও পাৰে। গতিকে গোপনীয়তা ৰক্ষা, চাইবাৰ সুৰক্ষা আৰু দায়িত্বশীল ডিজিটেল আচৰণ অতি প্ৰয়োজন।

আজিৰ যুৱ সমাজ এখন দেশৰ ভৱিষ্যৎ। সুস্থ চিন্তাধাৰা, সুৰক্ষিত আচৰণ আৰু মানৱীয় মূল্যবোধে যুৱ প্ৰজন্মক এখন সুস্থ, শক্তিশালী আৰু দায়িত্বশীল সমাজ গঢ়াত সহায় কৰিব। লগতে যৌনতা মানুহৰ জীৱনৰ এটা স্বাভাৱিক আৰু স্বাস্থ্যকৰ অংশ। কিন্তু ইয়াক যদি কেৱল খেল, ফেশ্বন বা মনোৰঞ্জনৰ বিষয় হিচাপে লোৱা হয়, তেন্তে বহু ব্যক্তিগত আৰু সামাজিক সমস্যা সৃষ্টি হ'ব পাৰে। আনহাতে সঠিক শিক্ষা, সচেতনতা, পাৰস্পৰিক সন্মান, সন্মতি, আত্মনিয়ন্ত্ৰণ আৰু দায়িত্ববোধৰ জৰিয়তে এই সমস্যাসমূহ বহুলাংশে হ্ৰাস কৰিব পৰা যাব।

# ধৰিত্ৰীৰ দাহ আৰু গোলকীয় উষ্ণতা

**প্ৰ**কৃতি আৰু মানুহৰ সম্পৰ্ক অতি আদিম আৰু নিবিড়। কিন্তু আধুনিকতাৰ অন্ধ দৌৰ আৰু চৰম যান্ত্ৰিকতাই আজি সেই চিৰন্তন সম্পৰ্কৰ ওপৰত এক গভীৰ আঘাত হানিছে। সাম্প্ৰতিক সময়ত আমি সকলোৱে অনুভৱ কৰা আটাইতকৈ স্পৰ্শকাতৰ আৰু ভয়াবহ সমস্যালৈ ৰূপান্তৰিত হৈছে গোলকীয় উষ্ণতা বৃদ্ধি আৰু ইয়াৰ ফলত সৃষ্টি হোৱা অভূতপূৰ্ব প্ৰচণ্ড দাবদাহ। বতৰৰ এই অস্বাভাৱিক ৰুদ্ৰৰূপে কেৱল এটা ঋতুৰ সাময়িক পৰিৱৰ্তনক নুবুজায়, বৰঞ্চ ই বিপন্ন ধৰিত্ৰীৰ এক কৰুণ আৰ্তনাদহে প্ৰকাশ কৰিছে। মানুহে নিজৰ সুখ স্বাচ্ছন্দ্যৰ বাবে প্ৰকৃতিক ইমানেই শোষণ কৰিছে যে আজি সমগ্ৰ পৰিৱেশ তন্ত্ৰই নিজৰ স্বাভাৱিক ভাৰসাম্য হেৰুৱাই পেলাইছে।

পৃথিৱীৰ বুকুলৈ নামি অহা এই উত্তপ্ত সংকট কোনো আকস্মিক ঘটনা নহয়, ইয়াৰ আঁৰত আছে মানুহৰ অনিয়ন্ত্ৰিত আৰু অপৰিকল্পিত কাৰ্যকলাপ। উন্নয়নৰ দোহাই দি দিনে দিনে অৰণ্য ধ্বংস কৰি গঢ়ি তোলা হৈছে কংক্ৰিটৰ অট্টালিকা আৰু কল কাৰখানা। গছ-গছনি কাটি তহিলং কৰাৰ ফলত বতাহত কাৰ্বন-ডাই-অক্সাইডৰ দৰে ক্ষতিকাৰক গেছৰ পৰিমাণ আশংকাজনকভাৱে বৃদ্ধি পাইছে। উদ্যোগীকৰণ, যানবাহনৰ পৰা নিৰ্গত ধোঁৱা আৰু আধুনিক বিলাসী সামগ্ৰী, যেনে শীতাতপ নিয়ন্ত্ৰিত যন্ত্ৰৰ অত্যধিক ব্যৱহাৰে বায়ুমণ্ডলত সেউজগৃহ গেছৰ আৱৰণখন ক্ৰমান্বয়ে ঘন কৰি তুলিছে। ইয়াৰ ফলত সূৰ্যৰ তাপ ধৰাপৃষ্ঠৰ পৰা প্ৰতিফলিত হৈ মহাকাশলৈ উভতি যাব নোৱাৰি সমগ্ৰ পৃথিৱীখনক এখন উত্তপ্ত মৰুভূমিলৈ ৰূপান্তৰিত কৰিছে।


এসময়ৰ সুজলা সুফলা, চিৰসেউজ অসমৰ বতৰো এতিয়া পূৰ্বৰ দৰে শীতল হৈ থকা নাই। পাহাৰ ভৈয়ামৰ বনাঞ্চল ধ্বংস, নদীৰ স্বাভাৱিক গতিপথৰ পৰিৱৰ্তন আৰু জলবায়ুৰ বিলোপসাধনৰ বাবে আমাৰ ইয়াতেও এতিয়া গৰমৰ প্ৰকোপ অসহনীয় হৈ পৰিছে। সময়মতে বৰষুণ নোহোৱা হৈছে, যাৰ পোনপটীয়া প্ৰভাৱ পৰিছে কৃষি খণ্ডৰ ওপৰত। বাৰিষাৰ অনিয়মিত চৰিত্ৰ, খৰাং সদৃশ পৰিস্থিতি আৰু নদীসমূহৰ ক্ৰমশঃ শুকাই যোৱা ৰূপে সামগ্ৰিক জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। প্ৰকৃতিৰ এই অনাকাংক্ষিত ভাৰসাম্যহীনতাই কেৱল মানুহৰে নহয়, বৰঞ্চ আমাৰ চহকী জৈৱ-বৈচিত্ৰ্যকো এক তীব্ৰ সংকটৰ মুখলৈ ঠেলি দিছে।

এই গোলকীয় মহাবিপদৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে কেৱল চিন্তা প্ৰকাশ কৰিয়েই ক্ষান্ত থাকিলে নহ'ব, বৰঞ্চ যুদ্ধকালীন তৎপৰতাৰে বাস্তৱসন্মত পদক্ষেপ ল'ব লাগিব। "এজোপাই প্ৰাণ, এজোপাই জীৱন" এই আপ্তবাক্যশাৰীক সাৰোগত কৰি ব্যক্তিগত আৰু সামাজিক পৰ্যায়ত ব্যাপক হাৰত গছ ৰোৱা আৰু তাক সযতনে প্ৰতিপালন কৰাৰ এক সৰ্বাত্মক আন্দোলন গঢ়ি তুলিব লাগিব। ইয়াৰ সমান্তৰালভাৱে, জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ যিমান পাৰি কমাই সৌৰশক্তি আৰু বায়ুশক্তিৰ দৰে নৱীকৰণযোগ্য শক্তিৰ চৰ্চা বৃদ্ধি কৰা উচিত। প্লাষ্টিকৰ ব্যৱহাৰ সম্পূৰ্ণ বৰ্জন কৰা, প্ৰাকৃতিক জলাশয়সমূহ সংৰক্ষণ কৰা আৰু যান্ত্ৰিক নিৰ্ভৰশীলতা কিছু পৰিমাণে হ্ৰাস কৰি প্ৰকৃতি অনুকূল জীৱনশৈলী গ্ৰহণ কৰাটো এতিয়া সময়ৰ আটাইতকৈ ডাঙৰ দাবী।

পৃথিৱীখন কেৱল বৰ্তমানৰ মানুহখিনিৰে নহয়, ই অনাগত প্ৰজন্মৰো একমাত্ৰ বাসস্থান। স্বাৰ্থপৰতা আৰু ক্ৰমবৰ্ধমান যান্ত্ৰিকতাৰ মোহ ত্যাগ কৰি আমি যদি এতিয়াও সাৰ নাপাওঁ, তেন্তে ভৱিষ্যতৰ ইতিহাসে আমাক কেতিয়াও ক্ষমা নকৰিব। ধৰিত্ৰীৰ এই দাহ প্ৰশমন কৰাৰ দায়িত্ব কেৱল চৰকাৰ বা কোনো নিৰ্দিষ্ট সংস্থাৰ নহয়, ই আমাৰ প্ৰত্যেকৰে এক নৈতিক আৰু অপৰিহাৰ্য কৰ্তব্য। সামূহিক আৰু সংকল্পবদ্ধ প্ৰচেষ্টাৰেহে আমি আকৌ এবাৰ এই ধৰাক সেউজীয়া, সুশৃংখল আৰু শীতল কৰি তুলিবলৈ সক্ষম হ'ম।

কুণ্ডিল হাজৰিকা
যোৰহাট, টীয়ক (ভগামুখ)

# ছয়গাঁৱৰ কলহী নৈত উদ্ধাৰ যুৱকৰ মৃতদেহ



**অসম বাৰ্তা, ছয়গাঁও, ১৭ জুলাই ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ কলহী নৈত শুক্ৰবাৰে উদ্ধাৰ হৈছে এজন যুৱকৰ মৃতদেহ। মৃতদেহটো ছয়গাঁও বাটাকুছিৰ জিতু নাথ বুলি জানিব পৰা গৈছে। মঙলবাৰৰ পৰা নিৰুদ্দেশ হৈ আছিল জিতু নাথ। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে ছয়গাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। আজি ছয়গাঁৱৰ চৌধুৰীখাটৰ কলহী নৈত যুৱকজনৰ মৃতদেহ উপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। লগে লগে খবৰ দিয়া হয় ছয়গাঁও আৰক্ষীক। ঘটনাৰ খবৰ পোৱা মাত্ৰকে ঘটনাস্থলীত ছয়গাঁও আৰক্ষীৰ লগতে SDRF-বাহিনী উপস্থিত হৈ মৃতদেহটো কলহী নদীৰ পৰা উদ্ধাৰ কৰে। পৰিয়ালৰ লোকে মৃতদেহটো নিৰুদ্দেশ হৈ থকা বাটাকুছিৰ জিতু নাথ বুলি নিশ্চিত কৰে। পিছে ৰহস্যৰ বিষয় এই যে- কি কাৰণে কলহী নৈত উদ্ধাৰ হ'ল জিতু নাথৰ মৃতদেহ।

# মৰিগাঁৱৰ ভূৰবন্ধাত জিলা কৃষি বিভাগৰ আত্মা আঁচনি উদ্যোগত বিজ্ঞানসন্মত কৃষি প্ৰণালীৰ প্ৰশিক্ষণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৮ জুলাই ঃ** যোৱা ৮ জুলাই তাৰিখে মৰিগাঁও জিলাৰ ভূৰবন্ধা অঞ্চলত মৰিগাঁও জিলা কৃষি বিভাগৰ আত্মা আঁচনি উদ্যোগত বিজ্ঞানসন্মত কৃষি প্ৰণালী সন্দৰ্ভত এটি গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। স্থানীয় কৃষকসকলক আধুনিক কৃষি পদ্ধতি, উন্নত বীজ ব্যৱহাৰ, মাটিৰ গুণাগুণ সংৰক্ষণ আৰু উৎপাদন বৃদ্ধি কৰাৰ বিভিন্ন কৌশল সন্দৰ্ভত অৱগত কৰাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ আয়োজন কৰা হৈছিল। উক্ত প্ৰশিক্ষণত বিশেষকৈ প্ৰাকৃতিক কৃষি আৰু পান খেতি কি দৰে বিজ্ঞান সন্মত ভাৱে কৰিব পাৰি তাৰে প্ৰশিক্ষণ আগবঢ়ায়। উক্ত কাৰ্যসূচীত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী সৌৰভ বৰুৱাই কৃষকসকলক বিজ্ঞানসন্মত পদ্ধতিত কৃষিকাৰ্য কৰাৰ উপকাৰিতা বুজাই দিয়ে। তেওঁ বিশেষকৈ জল সংৰক্ষণ, মাটিৰ পৰীক্ষা আৰু জৈৱ সাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কৃষি বিষয়া ড° সুকন্যা গগৈয়ে কৃষকৰ বাবে উপলব্ধ চৰকাৰী আঁচনি আৰু আধুনিক কৃষি যন্ত্ৰপাতিৰ ব্যৱহাৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। আনহাতে ভূৰবন্ধা কৃষি চক্ৰ বিষয়া লোনা বৰুৱাই কৃষি খণ্ডৰ সামগ্ৰিক উন্নয়ন আৰু কৃষকসকলৰ আয় বৃদ্ধি কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত কৰে। এই কাৰ্যসূচীত BTM অভিজিৎ বৰদলৈ আৰু ATM আৰ্চিতা কুমবাংৰো উপস্থিত থাকি কৃষকসকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ সমস্যাসমূহ শুনি সমাধানৰ পথ দেখুৱায়। প্ৰশিক্ষণত বহু সংখ্যক স্থানীয় কৃষকে অংশগ্ৰহণ কৰি আধুনিক কৃষি পদ্ধতিৰ বিষয়ে জ্ঞান আহৰণ কৰে। অংশগ্ৰহণকাৰী সকলে এই ধৰণৰ প্ৰশিক্ষণ আগন্তুক দিনতো অব্যাহত ৰাখিবলৈ আহ্বান জনায়। উল্লেখ্য যে, এই ধৰণৰ বিজ্ঞানসন্মত প্ৰশিক্ষণে কৃষকসকলৰ মাজত নতুন চিন্তাধাৰা গঢ়ি তুলি কৃষিক্ষেত্ৰত উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

# NEET পৰীক্ষাত সফলতা অৰ্জন কৰা নামতি শালকাঠনিৰ কৃৰ্তিমান ছাত্ৰ আকাশ ৰঞ্জন দত্তক উষ্ণ সম্বৰ্ধনা

**অসম বাৰ্তা, গেলেকী, ১৮ জুলাই ঃ** অধ্যৱসায়ৰ দীপ্তি আৰু অদম্য মনোবলৰ সমন্বয়ত অৰ্জিত সাফল্য কেৱল এজন ব্যক্তিৰ ব্যক্তিগত কৃতিত্ব নহয়, ই সমগ্ৰ সমাজৰ গৌৰৱ আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস। এনে এক গৌৰৱোজ্জ্বল কৃতিত্বৰ পৰিচয় দিছে নামতি শালকাঠনি গাঁৱৰ অনিল দত্ত আৰু ইনুমা দত্তৰ সুযোগ্য পুত্ৰ আকাশ ৰঞ্জন দত্তই। মেধাৱী ছাত্ৰ আকাশ ৰঞ্জন দত্তই শেহতীয়াকৈ সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত NEET পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ছাত্ৰ অৱস্থাৰ পৰাই অতিকৈ অধ্যৱসায়ী আৰু মেধাসম্পন্ন আকাশৰ শিক্ষাজীৱনৰ আৰম্ভণি হৈছিল নামতি কৰণাসাগৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰা। প্ৰাথমিক শিক্ষা সমাপ্ত কৰি তেওঁ ২০১৩ চনত নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰে। বিদ্যালয়খনৰ পৰাই ২০২২ চনত উচ্চ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ তেওঁ বিজ্ঞান শাখাত শিক্ষা গ্ৰহণ কৰি ২০২৪ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষাতো সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। এই কৃৰ্তিমান ছাত্ৰজনৰ সাফল্যত উৎফুল্ল হৈ স্থানীয় ৰাইজে তেওঁক সন্মান জনাবলৈ শালকাঠনি গাঁৱৰ ৰাজহুৱা নামঘৰত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। উক্ত অনুষ্ঠানত গাঁৱৰ ৰাইজৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ নামতি আঞ্চলিক সমিতি আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আকাশ ৰঞ্জন দত্তক ফুলাম গামোচা, শৰাই আৰু মানপত্ৰৰে উষ্ণ সম্বৰ্ধনা জ্ঞাপন কৰে। স্থানীয় ৰাইজে ছাত্ৰজনৰ উত্তৰোত্তৰ উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

# গোলাঘাটত সীমান্ত কুমাৰ শইকীয়া (টিকি) নাট সমাৰোহৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটি আৰু সীমান্ত কুমাৰ শইকীয়া (টিকি)স্মৃতিৰক্ষা সমিতিৰ যৌথ উদ্যোগত গোলাঘাটত অহা ২৮ আৰু ২৯ জুলাইত দুদিনীয়াকৈ আয়োজন কৰা হৈছে 'সীমান্ত কুমাৰ শইকীয়া (টিকি)' নাট সমাৰোহৰ আয়োজন কৰা হৈছে। গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ মঞ্চত আয়োজন কৰা এই নাট সমাৰোহত প্ৰথম দিনা ২৮ মাৰ্চত গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ শিল্পীসকলে মঞ্চস্থ কৰিব বিশিষ্ট নাট্যকাৰ বিপ্লৱ বৰাৰ ৰচনা আৰু প্ৰণৱ শৰ্মাৰ পৰিচালনাৰে নাটক 'ঈশ্বৰৰ সন্ধানত'। সমাৰোহৰ দ্বিতীয় দিনা ২৯ জুলাইত গুৱাহাটিৰ ঠিকনা নাট্যগোষ্ঠীয়ে নিবেদন কৰিব দুখন নাটক। প্ৰথমখন নাটক বিশিষ্ট নাট্যকাৰ লক্ষ্যধৰ চৌধুৰীৰ গল্পৰ আধাৰত অনপজ্যোতি চৌধুৰীৰ নাট্যৰূপ আৰু পৰিচালনাৰে নাটক 'খুকুলী বাই' আৰু দ্বিতীয়খন নাটক অনুপজ্যোতি চৌধুৰীৰ ৰচনা আৰু পৰিচালনাৰে নাটক 'ৰে'লৱে কোৱাৰ্টাৰ থাৰ্টিন'। গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ সভাপতি ডাঃ অজিত বৰুৱা, উপ- সভাপতি প্ৰদীপ মহন্ত, প্ৰশাসনীয় সম্পাদক দীপমনি খাটনীয়াৰ, সাংস্কৃতিক সম্পাদক উৎপল বৰুৱা, বিত্ত সম্পাদক মৃদুল কাকতি আৰু সীমান্ত কুমাৰ শইকীয়া (টিকি)স্মৃতি ৰক্ষা সমিতিৰ সম্পাদক নন্দন কাকতিয়ে নাট সমাৰোহৰ দুয়োদিনা সন্ধিয়া ৬ঃ৩০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া নাটক উপভোগ কৰিবলৈ নাট্যপ্ৰেমী দৰ্শকক নিমন্ত্ৰণ জনাইছে।

# ই-বাৰ্তালোচনী 'আলোক সন্ধানী' উন্মোচন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৮ জুলাই ঃ** তিনিচুকীয়া জিলাৰ কেইগৰাকীমান যুৱ সাংবাদিকৰ উদ্যোগত 'আলোক সন্ধানী' নামৰ এখন মাহেকীয়া ই-বাৰ্তালোচনীৰ প্ৰকাশ আৰম্ভ কৰা হৈছে। আজি তিনিচুকীয়াৰ বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত এই ই-বাৰ্তালোচনীখনৰ প্ৰথম সংখ্যাটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে প্ৰবীণ সাংবাদিক তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি অৰ্জুন বৰুৱাই। উন্মোচনী ভাষণত অৰ্জুন বৰুৱাই নতুন ই-বাৰ্তালোচনীখনে সমাজক আলোকৰ সন্ধান দিব পাৰিব বুলি আশা প্ৰকাশ কৰে। 'আলোক সন্ধানী'ৰ মুখ্য সম্পাদক অভিজিৎ খাটনিয়াৰৰ পৌৰোহিত্যত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক তথা লেখক অমূল্য খাটনিয়াৰে কাকত এখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় কেইবাটাও দিশৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত 'অসম বাৰ্তা' কাকতৰ মুখ্য সম্পাদক শৰৎ চন্দ্ৰ চিৰিং ফুকন আৰু বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজৰ সম্পাদক পূৰ্ণ কাকতিয়েও শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। আৰম্ভণিতে অৰ্জুন বৰুৱা, অমূল্য খাটনিয়াৰ আৰু তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দুন্দুভি ভট্টাচাৰ্যই বন্তি প্ৰজ্বলন কৰে। ই-বাৰ্তালোচনীখনৰ সম্পাদক পাপুল গগৈয়ে ই-বাৰ্তালোচনীখনৰ বিষয়ে বিতং বৰ্ণনা প্ৰদান কৰাৰ লগতে ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে উল্লেখ কৰে। উন্মোচনী অনুষ্ঠানত 'আলোক সন্ধানী'ৰ সম্পাদনা উপদেষ্টা কমল তালুকদাৰ আৰু ৰূপম কাকতি, আৱাসিক সম্পাদক কৃষ্ণ নেওগ, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, কবি-লেখিকা তৃপ্তি দাস, লেখক দুৰ্জয় লোচন চেতিয়া প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# ঘাঁহ কাটিবলৈ গৈ জানত সলিল সমাধি বৃদ্ধৰ; লালিমছিগাত শোকৰ ছাঁ

**অসম বাৰ্তা, চেলেংহাট, ১৭ জুলাইঃ** আমগুৰিৰ সমীপৱৰ্তী লালিমছিগা গাঁৱৰ এজন জ্যেষ্ঠ ব্যক্তি যোৱা বৃহস্পতিবাৰে এটা জানত পৰি সলিল সমাধি হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত খবৰ অনুসৰি, নবীন দুৱৰা (৮০) নামৰ ব্যক্তিজন বৃহস্পতিবাৰৰ ৰাতিপুৱা ঘাঁহ কাটিবলৈ যোৱাৰ সময়ত জানৰ দ পানীত পৰি যায়। পাছত স্থানীয় লোকসকলে তেওঁক মৃত অৱস্থাত উদ্ধাৰ কৰে। স্থানীয় ৰাইজৰ অভিযোগ মতে উক্ত জানটোৰ এটা অংশ এক্সকেভেটৰেৰে খন্দা হৈছিল, ফলত জানটো যথেষ্ট দ হৈ পৰিছিল, যাৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি ৰাইজে মন্তব্য কৰিছে। মৃত্যুৰ সময়ত নবীন দুৱৰাই তিনিজন পুত্ৰ আৰু দুগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়।

## ১০টাকৈ চোৰাং গৰু জব্দ; আটক চাৰি সৰবৰাহকাৰী

# হালোৱাটিঙত আৰক্ষীৰ সফলতা

**অসম বাৰ্তা, গেলেকী, ১৮ জুলাই ঃ** গোপন সূত্ৰৰ পম খেদি হালোৱাটিং আৰক্ষীয়ে চলোৱা এক অভিযানত অবৈধভাৱে সৰবৰাহ কৰা অৱস্থাত ১০ টাকৈ গৰু জব্দ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, হালোৱাটিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিষ ফুকনৰ নেতৃত্বত আৰক্ষীৰ এটা দলে এই অভিযান চলায়। চুবুৰীয়া ৰাজ্য নাগালেণ্ডলৈ অবৈধভাৱে এই গৰুকেইটা সৰবৰাহ কৰি থকাৰ সময়তে আৰক্ষীয়ে জব্দ কৰে। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে চাৰিজন সৰবৰাহকাৰীক ইতিমধ্যে আটক কৰিছে। আটক কৰা লোককেইজন হৈছে বিজু মেদক, লচু কুজু, ভাগীৰথ বেদিয়া আৰু কশ্মী কুজুৰ। ধৃত সৰবৰাহকাৰী কেইজনৰ বিৰুদ্ধে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, অসমৰ বিশ্বনাথ জিলা সমিতি গঠন

**অসম বাৰ্তা, জিনজিয়া, ১৮ জুলাই ঃ** আজি বিহালীৰ গ্ৰীণ আছিয়ানা সভাকক্ষত সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ অসমৰ বিশ্বনাথ জিলা সমিতিৰ প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিনিধি সভাখনত কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে কেন্দ্ৰীয় সমিতিৰ বিত্ত সম্পাদক হেমন্ত গগৈ পৰ্যবেক্ষক ৰূপে উপস্থিত থাকে। প্ৰতিনিধি সভাখনত নৱ গঠিত বিশ্বনাথ জিলা ভিত্তিত পূৰ্ণ পৰ্যায়ৰ জিলা সমিতি গঠন কৰা হয়। সমিতিত সভাপতি বিতোপন লহকৰ, সম্পাদক দিপুকন মিশ্ৰ, সাংগঠনিক সম্পাদক সৰ্ণদ্বীপ সন্দিকৈ, শিক্ষা সম্পাদক অংকিত মিশ্ৰ, বিত্ত সম্পাদক মদন মহন্ত, প্ৰচাৰ সম্পাদক ৰাজীৱ গোৱালা, মুখ্য উপদেষ্টা কৌশিক মিশ্ৰক লৈ এখন ২১ জনীয়া শক্তিশালী সমিতি গঠন কৰা হয়। সভাত পৰ্যবেক্ষক হেমন্ত গগৈয়ে নৱ গঠিত বিশ্বনাথ জিলা সমিতি খনক জাতীটোৰ প্ৰতি থকা দায়িত্ব দায়বদ্ধতাৰে পালন কৰাৰ লগতে জাতীয় জীৱনৰ প্ৰতিটো শৈক্ষিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি ক্ষেত্ৰত বিশ্বনাথ জিলাৰ বৌদ্ধিক তথা সৰ্ব সাধাৰণ ৰাইজক লৈ আগবঢ়াই নিয়াৰ লগতে নৱ গঠিত জিলা সমিতিখনক কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰে।

# এজাক যুৱকৰ প্ৰশংসনীয় পদক্ষেপ; গছপুলি ৰোপণেৰে পৰিৱেশ সংৰক্ষণত আদৰ্শ স্থাপন

**অসম বাৰ্তা, কৃষ্ণাই, ১৮ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী চকীৰ অন্তৰ্গত খাৰিজা মাণিকপুৰ গাঁৱৰ একাংশ সচেতন যুৱকে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত এক প্ৰশংসনীয় দৃষ্টান্ত স্থাপন কৰিছে। তেওঁলোকে নিজৰ সময় আৰু সুবিধা অনুসৰি গাঁওখনৰ বিদ্যালয়, মছজিদ, পুখুৰী, দলং আদিৰ কাষত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰাৰ লগতে সেইবোৰৰ নিয়মীয়া সংৰক্ষণ আৰু যত্ন লোৱাৰ কাম অব্যাহত ৰাখিছে। আজি পুনৰ যুৱকসকলে গাঁওখনৰ খৰ্দ মাণিকপুৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা নেপালী খুটি সংযোগী পথৰ দুয়োফালে পূৰ্বে ৰোপণ কৰা গছপুলিসমূহৰ বন-লতা পৰিষ্কাৰ কৰি সাৰ প্ৰয়োগ কৰে। লগতে ক্ষতিগ্ৰস্ত জেওৰাসমূহ মেৰামতি কৰাৰ উপৰি মৰহি যোৱা গছপুলিৰ ঠাইত নতুন গছপুলিও ৰোপণ কৰে। জানিব পৰা মতে, কৃষ্ণাই মধ্যাঞ্চলিক বন বিষয়া ধ্ৰুৱজ্যোতি শৰ্মাই এই গছপুলি ৰোপণ কাৰ্যসূচীত সহযোগিতা আগবঢ়াই আহিছে। যুৱকসকলৰ এই স্বেচ্ছাসেৱামূলক আৰু পৰিৱেশবান্ধৱ পদক্ষেপক স্থানীয় সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে। বহুতে এই উদ্যোগক অনুসৰণ কৰি অধিক সংখ্যক লোকক পৰিৱেশ সংৰক্ষণৰ কামত আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে।

# পুনৰ গৌৰীপুৰ চহৰত গো-মাংসসহ দুজনক আটক গৌৰীপুৰ আৰক্ষীৰ

**অসম বাৰ্তা, গৌৰীপুৰ, ১৮ জুলাই ঃ** আজি ধুবুৰী জিলাৰ গৌৰীপুৰ চহৰৰ মাজমজিয়াতত গৌৰীপুৰ নাৰী সমিতি চকত আনুমানিক ৰাতিপুৱা ৬ঃ৩০ বজাত গৌৰীপুৰ আৰক্ষীয়ে এটি গোপন সূত্ৰৰ ভিত্তিত AS-17GR-2986 নম্বৰৰ এখন অটো ই ৰিস্কাত ৬৮.৫৭ কেজি অবৈধ গো-মাংস জব্দ কৰে। তাৰ লগতে এই অবৈধ গো-মাংস সৰবৰাহ কৰা দুজনক গৌৰীপুৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। অবৈধ গো-মাংস সৰবৰাহ কৰা কেইজন হৈছে ক্ৰমে ঘেগেৰ আলগা প্ৰথম খণ্ড গাঁৱৰ ছিদ্দিক আলীৰ পুত্ৰ গনজিৰ আলী। লগতে একেখন গাঁৱৰ খলিলুৰ সেখৰ পুত্ৰ সুৰজামাল সেখ বুলি জানিবলৈ পোৱা গৈছে। খবৰ পোৱা মতে অবৈধ গো মাংস সৰবৰাহ কৰা অটো ই ৰিস্কাটো দাওভাংগীৰ পৰা গৌৰীপুৰৰ চৌৰাংগী মোৰ লৈ গৈ থকা অৱস্থাত গৌৰীপুৰ আৰক্ষী আটক কৰে। আৰু আটকাধীন অভিযুক্ত ব্যক্তি দুজনৰ বিৰুদ্ধে ইতিমধ্যে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰিছে গৌৰীপুৰ আৰক্ষীয়ে।

## চাইবাৰ অপৰাধী আটক; নগদ ৮২ হাজাৰ টকাসহ বহু সামগ্ৰী জব্দ

# তাৰাবাৰী আৰক্ষীৰ বৃহৎ সফলতা



**অসম বাৰ্তা, চেঙা, ১৮ জুলাই ঃ** বৰপেটা জিলাত চাইবাৰ অপৰাধৰ বিৰুদ্ধে আৰক্ষীৰ কঠোৰ অভিযান অব্যাহত থকাৰ মাজতে পুনৰ এক উল্লেখযোগ্য সফলতা লাভ কৰিছে তাৰাবাৰী আৰক্ষীয়ে। গোপন সূত্ৰৰ ভিত্তিত চলোৱা এক বিশেষ অভিযানত চাইবাৰ অপৰাধৰ সৈতে জড়িত থকাৰ সন্দেহত এজন লোকক আটক কৰাৰ লগতে নগদ ধন, একাধিক মোবাইল ফোন, এটিএম কাৰ্ড আৰু বেংক সম্পৰ্কীয় নথি-পত্ৰ জব্দ কৰিবলৈ সক্ষম হয়। এই সফল অভিযানৰ পিছত অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, বৰপেটা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়, উপ-পৰিদৰ্শক বিশ্বজিৎ দাস আৰু আৰক্ষীৰ এটি দলে ৰৌমাৰী গাঁৱত অভিযান চলায়। অভিযানকালত গাঁৱৰ বাসিন্দা লালচান আলীৰ পুত্ৰ তাহেৰ আলীক চাইবাৰ অপৰাধৰ সন্দেহত আটক কৰা হয়। ধৃত ব্যক্তিজনৰ বাসগৃহত আৰক্ষীয়ে চলোৱা তালাচীত ৮টা মোবাইল ফোন, ৯খন এটিএম কাৰ্ড, ৩খন বেংক পাছবুক আৰু নগদ ৮২ হাজাৰ টকা জব্দ কৰে। আৰক্ষীৰ মতে, জব্দ কৰা সামগ্ৰীসমূহ চাইবাৰ জালিয়াতিৰ সৈতে জড়িত হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে। সকলো সামগ্ৰী আইনী প্ৰক্ৰিয়াৰে জব্দ কৰি তদন্তৰ বাবে সংৰক্ষণ কৰা হৈছে। প্ৰথমিক তদন্তত ধৃত ব্যক্তিজনৰ বিভিন্ন বেংক একাউণ্ট আৰু ডিজিটেল লেনদেনৰ তথ্য পৰীক্ষা কৰি থকা হৈছে। জব্দ কৰা মোবাইল ফোনসমূহৰ ডাটা, এটিএম কাৰ্ড আৰু বেংক নথি-পত্ৰৰ কাৰিকৰী বিশ্লেষণৰ জৰিয়তে বৃহৎ চাইবাৰ জালিয়াতি চক্ৰৰ তথ্য পোহৰলৈ আহিব পাৰে বুলি আৰক্ষীয়ে আশা প্ৰকাশ কৰিছে। তদন্তকাৰী বিষয়াসকলে ধৃত তাহেৰ আলীক জেৰা অব্যাহত ৰাখিছে। তেওঁৰ সৈতে জড়িত আন কোনো ব্যক্তি বা সংগঠিত চাইবাৰ অপৰাধী চক্ৰ আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে গভীৰ তদন্ত আৰম্ভ কৰিছে। প্ৰয়োজন হ'লে এই ঘটনাৰ সৈতে জড়িত আন লোককো আটক কৰা হ'ব বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। শেহতীয়া সময়ত বৰপেটা জিলাত চাইবাৰ জালিয়াতিৰ ঘটনা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে বিশেষ অভিযান অব্যাহত ৰাখিছে। তাৰাবাৰী আৰক্ষীৰ এই সফল অভিযানক চাইবাৰ অপৰাধ দমনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে। ইফালে, আৰক্ষীয়ে সাধাৰণ ৰাইজক অচিনাকি ফোন কল, ভুৱা লিংক, অ'টিপি বা বেংকৰ গোপন তথ্য কাকো নিদিবলৈ আহ্বান জনোৱাৰ লগতে সন্দেহজনক অনলাইন লেনদেন বা চাইবাৰ জালিয়াতিৰ ঘটনা ঘটিলে তৎক্ষণাত আৰক্ষী বা চাইবাৰ ক্ৰাইম শাখাৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। উল্লেখ্য যে, ধৃত ব্যক্তিজনৰ বিৰুদ্ধে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া চলি আছে আৰু তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত অধিক তথ্য প্ৰকাশ কৰা হ'ব বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে।

## ১৫ দিনেও গ্ৰেপ্তাৰ নহ'ল অভিযুক্ত; আৰক্ষীৰ ভূমিকাক লৈ ক্ষোভ

# গোলকগঞ্জত বোৱাৰীক জুই লগাই হত্যাৰ ঘটনা

**অসম বাৰ্তা, গোলোকগঞ্জ, ১৮ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ বিছনদৈ গাঁৱত এগৰাকী বোৱাৰীক গাত কেৰাচিন ঢালি জুই লগাই হত্যাৰ চেষ্টা চলোৱাৰ ঘটনাত, চিকিৎসাধীন অৱস্থাত মৃত্যুবৰণ কৰাৰ পিছতো আৰক্ষীৰ তদন্তৰ গতি লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে মৃতকৰ পৰিয়ালে। অভিযোগ অনুসৰি, যোৱা ১ জুলাইত বিছনদৈ গাঁৱৰ এগৰাকী বোৱাৰীক স্বামীৰ পৰিয়ালৰ লোকে গাত কেৰাচিন ঢালি জুই লগাই হত্যাৰ চেষ্টা চলায়। নিহতাৰ পৰিয়ালৰ দাবী, প্ৰায় তিনি বছৰ পূৰ্বে প্ৰেমৰ সম্পৰ্কৰ জৰিয়তে বিবাহ হৈছিল যদিও বিয়াৰ পিছৰে পৰা স্বামীৰ পৰিয়ালৰ লোকে বোৱাৰীগৰাকীৰ ওপৰত নিয়মীয়াকৈ শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাই আহিছিল। ঘটনাৰ দিনা স্বামী ঘৰত নথকাৰ সুযোগ লৈ পৰিয়ালৰ আন সদস্যই বোৱাৰীগৰাকীৰ গাত কেৰাচিন ঢালি জুই লগাই দিয়ে বুলি অভিযোগ। বোৱাৰীগৰাকীৰ চিঞৰ-বাখৰ শুনি স্থানীয় ৰাইজে তেওঁৰ পৰিয়ালক খবৰ দিয়াত পৰিয়ালৰ লোকে উদ্ধাৰ কৰি প্ৰথমে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ আৰু পিছত সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় (GMC)লৈ প্ৰেৰণ কৰে। প্ৰায় ১৫ দিন মৃত্যুৰ সৈতে যুঁজ দিয়াৰ অন্তত তেওঁ চিকিৎসাধীন অৱস্থাত মৃত্যুবৰণ কৰে। ইফালে, চিকিৎসাৰ বাবে সংগ্ৰহ কৰা প্ৰায় দুই লাখ টকা লৈ নিহতাৰ স্বামী নুৰ মহম্মদ (দুলাল) উধাও হোৱা বুলিও পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰিছে। নিহতাৰ পৰিয়ালে গোলকগঞ্জ আৰক্ষী থানাত ছত্তাৰ আলী, মমিনা বিবি, আকচীনা খাতুন আৰু নুৰ আলমৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল। কিন্তু এজাহাৰ দাখিলৰ ১৫ দিন পাৰ হোৱাৰ পিছতো আৰক্ষীয়ে এজনো অভিযুক্তক গ্ৰেপ্তাৰ কৰিব নোৱাৰাত পৰিয়ালৰ লগতে স্থানীয় লোকৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। পৰিয়ালৰ অভিযোগ অনুসৰি, ঘটনাৰ পিছৰে পৰা আৰক্ষীয়ে প্ৰয়োজনীয় সহায় আগবঢ়োৱা নাছিল আৰু নিহতাৰ মৃত্যুৰ পিছতহে তদন্তত কিছু তৎপৰতা দেখা গৈছে। ঘটনাটোৰ তদন্তত গোলোকগঞ্জ আৰক্ষীয়ে লেহেমীয়া মনোভাৱ গ্ৰহণ কৰা বুলি পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰি দোষীসকলক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তিৰ দাবী জনাইছে।

## উন্নয়নমূলক আঁচনিৰ সঠিক ৰূপায়ণৰ ওপৰত গুৰুত্ব বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ

# হাজোত বি-এল-এম-এ-চি সমিতিৰ সভা



**অসম বাৰ্তা, হাজো, ১৮ জুলাই ঃ** ৰাজ্য চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহৰ সঠিক ৰূপায়ণ, স্বচ্ছতা আৰু সময়বদ্ধ সম্পূৰ্ণকৰণৰ লক্ষ্যৰে আজি হাজো উন্নয়ন খণ্ডৰ সভাকক্ষত এক খণ্ড-স্তৰীয় নিৰীক্ষণ আৰু পৰামৰ্শদাতা (BLMAC) সমিতিৰ সভা অনুষ্ঠিত হৈ যায়। স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ উপস্থিতিত অনুষ্ঠিত এই সভাত পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত চলি থকা বিভিন্ন আঁচনিসমূহৰ বৰ্তমানৰ অৱস্থা আৰু অগ্ৰগতিৰ বুজ লোৱা হয়। সভাত বিধায়কগৰাকীয়ে কয় যে চৰকাৰৰ জনমুখী আঁচনিসমূহৰ সুফল যাতে প্ৰতিজন প্ৰকৃত হিতাধিকাৰীয়ে লাভ কৰে, সেয়া নিশ্চিত কৰিব লাগিব। কামৰ ক্ষেত্ৰত স্বচ্ছতা বজাই ৰখাৰ লগতে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকল্পসমূহ সম্পূৰ্ণ কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। হাজো খণ্ড উন্নয়ন বিষয়া ইন্দ্ৰনীল কাশ্যপৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বৰ প্ৰশংসা কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰীৰ পদাংক অনুসৰণ কৰি আমাৰ প্ৰত্যেকৰ দায়িত্ব হ'ব 'বিকশিত হাজো' গঢ়ি তোলা। চৰকাৰৰ প্ৰতিটো জনকল্যাণকামী পদক্ষেপ সফলভাৱে ৰূপায়ণ কৰিবলৈ আমি সকলোৱে প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগিব।" উক্ত সভাত হাজো আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী অৰ্পনা বৰ্মন, জিলা পৰিষদৰ সদস্যা ক্ৰমে ৰেৱতী ডেকা মজুমদাৰ, ৰীতা তালুকদাৰ, মুনিৱাৰা বেগমৰ লগতে বিভিন্ন পঞ্চায়তৰ সভাপতি আৰু স্থানীয় প্ৰতিনিধিসকল উপস্থিত থাকে। সভাৰ জৰিয়তে উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰাৰ বাবে সকলোৱে একগোট হৈ কাম কৰি যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# পুৰণিগুদামত পথ দুৰ্ঘটনা, তিনিজন গুৰুতৰভাৱে আহত

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তথা পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম কেঞাপট্টীত যোৱা নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। জানিব পৰা মতে, পুৰণিগুদামৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা এ-এছ- ০১- ডি-চি- ৯৯১৬ আৰু এ- এছ- ০১- এম-চি- ০৩৭৮ নম্বৰৰ দুখন দ্ৰুতবেগী ট্ৰাকে এ- এছ- ০২- চি-আৰ- ১১০৮ আৰু এ- এছ- ০২- জি-আৰ- ০১৬১ নম্বৰৰ দুখন ই-ৰিস্কাক মহতিয়াই নিয়ে। এই ভয়ংকৰ পথ দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হয় তিনিজনকৈ লোক। দুৰ্ঘটনা সংঘটিত কৰিয়েই ট্ৰাক দুখনৰ চালকে পলায়ন কৰে। দুৰ্ঘটনাটোত স্থানীয় ই-ৰিস্কা চালক চন্দন বৰা আৰু জয়ন্ত দাস গুৰুতৰভাৱে আহত হয় লগতে এখন ট্ৰাকৰ হেণ্ডিমেন এজনো গুৰুতৰভাৱে আহত হয়। পাছত গুৰুতৰভাৱে আহত তিনিজনকে সংকটজনক অৱস্থাত নগাঁও মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হয়। পৰৱৰ্তী সময়ত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে।

## আহমেদাবাদৰ ৰামোলত অবৈধ

জানিবলৈ দিয়া মতে, কাৰখানাটোত বিস্ফোৰক দ্ৰব্যৰ স্তূপ থকাৰ বাবে জুই লগাৰ লগে লগে একাধিক বিস্ফোৰণ ঘটে, যাৰ ফলত নিকটৱৰ্তী অঞ্চলত কম্পন অনুভূত হয়। আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী খবৰ পোৱামাত্ৰ ঘটনাস্থলীত উপস্থিত হয়। ৰামোল আৰক্ষীয়ে কাৰখানাটোৰ মালিক আৰু পৰিচালনৰ সৈতে জড়িত তিনিজন ব্যক্তিক আটক কৰিছে। প্ৰাথমিক অনুসন্ধানত কাৰখানাটোৱে অনুমতি অবিহনে ফটকা তৈয়াৰ কৰি আহিছিল বুলি সন্দেহ কৰা হৈছে। আৰক্ষীয়ে কয় যে, কাৰখানাটো আছিল সম্পূৰ্ণৰূপে অবৈধ আৰু কোনো প্ৰকাৰ অগ্নি-নিৰাপত্তা ব্যৱস্থা নাছিল। অগ্নিকাণ্ডৰ খবৰ পোৱাৰ পিছতে সমীপৰ আৰএএফ শিবিৰৰ কৰ্মীসকলে প্ৰথমে উদ্ধাৰ কাৰ্যত অগ্ৰসৰ হয়। পাছত অগ্নিনিৰ্বাপক বাহিনীৰ চাৰিটা গাড়ী ঘটনাস্থলীত উপস্থিত হৈ প্ৰায় দুঘণ্টা ধৰি জুই নিয়ন্ত্ৰণৰ চেষ্টা চলায়। অৱশ্যে তেতিয়াও জুই সম্পূৰ্ণৰূপে নুমাবলৈ সময় লাগে বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। দুৰ্ঘটনাৰ পিছত আহমেদাবাদৰ ডিচিপি ভগীৰথ গাধৱীয়ে সাংবাদিকক কয়, "আহতসকলক ততাতৈয়াকৈ মণিগৰৰ এল জি হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। বৰ্তমানলৈকে চাৰিজন লোকৰ মৃত্যু নিশ্চিত হৈছে আৰু চাৰিজন চিকিৎসাধীন। আহতসকলৰ ভিতৰত দুগৰাকী মহিলা আৰু দুজন পুৰুষ আছে। পিছত আন এজনৰো মৃত্যু হয়, যাৰ ফলত মুঠ নিহতৰ সংখ্যা পাঁচজনলৈ বৃদ্ধি পায়।" তেওঁ লগতে কয় যে, কাৰখানাটোত কিমান লোক কাম কৰিছিল সেই বিষয়ে সঠিক তথ্য পোৱা নাই, আৰু উদ্ধাৰ কাৰ্য এখনো চলি আছে। ঘটনাটোৰ প্ৰতি গুৰুত্ব দি প্ৰধানমন্ত্ৰী কাৰ্যালয়ে এক্সযোগে গভীৰ শোক প্ৰকাশ কৰে। পোষ্টটোত উল্লেখ কৰা হয়, "এই শোকাবহ ঘটনাত আহত সকলৰ আশু আৰোগ্য কামনা কৰিলোঁ। মৃতকৰ পৰিয়ালৰ বাবে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য কোষ (PMNRF)ৰ পৰা দুলাখ টকা আৰু আহত প্ৰত্যেকক পঞ্চাশ হাজাৰ টকা প্ৰদান কৰা হ'ব।" ইফালে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলেও এক্সযোগে শোক প্ৰকাশ কৰি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মৃতকৰ প্ৰতিজন পৰিয়ালক চাৰি লাখ টকা আৰু আহতসকলক পঞ্চাশ হাজাৰ টকাকৈ আৰ্থিক সহায় ঘোষণা কৰে। তেওঁ কয়, "এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা সকলৰ আত্মাৰ শান্তি কামনা কৰিছো। আহতসকলে যাতে সোনকালে সুস্থ হয় তাৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো।" আৰক্ষীয়ে কাৰখানাটোৰ ধ্বংসাৱশেষ পৰীক্ষা কৰি আৰু অধিক বিস্ফোৰক সামগ্ৰী উদ্ধাৰৰ চেষ্টা চলাই আছে। ইতিমধ্যে অগ্নিকাণ্ডৰ কাৰণ নিৰ্ণয় কৰিবলৈ ফৰেন্সিক টিম ঘটনাস্থলী পৰিদৰ্শন কৰি চামগ্ৰী সংগ্ৰহ কৰিছে। প্ৰত্যক্ষদৰ্শী এজনে কয়, "আমি ডাঙৰ ডাঙৰ শব্দ শুনিলো, তাৰ পিছত জুইৰ লেলিহান শিখা দেখিলো। চাৰিওফালে ধোঁৱাই আন্ধাৰ কৰি পেলাইছিল।" স্থানীয় লোকসকলে আৰক্ষীৰ তৎপৰতাক সন্তুষ্টি প্ৰকাশ কৰিলেও অবৈধ কাৰখানাবোৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে। এই ঘটনাই পুনৰ এবাৰ অবৈধ উদ্যোগসমূহৰ নিৰাপত্তা বিহীন অৱস্থাৰ ওপৰত তীব্ৰ প্ৰশ্ন তুলিছে।

## দেশৰ প্ৰথমটো সম্পূৰ্ণ ব্যক্তিগত

সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপণ কৰা হয়। এই সাফল্যই ভাৰতৰ দ্ৰুতগতিত আগবাঢ়ি থকা ব্যক্তিগত মহাকাশ খণ্ডৰ বাবে এক নতুন দুৱাৰ মুকলি কৰি দিলে। উৎক্ষেপণ সম্পূৰ্ণ হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্কাইৰুট এৰ'স্পেচৰ সমগ্ৰ দলটোলৈ ফোন কৰি অভিনন্দন জনায়। তেওঁ উচ্ছ্বসিত কণ্ঠে কয়, "স্কাইৰুটৰ সমগ্ৰ দলটোলৈ বহুত বহুত অভিনন্দন। আপোনালোকে নিৰ্ধাৰিত সময়তকৈ আগতেই নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিব।" প্ৰধানমন্ত্ৰীয়ে বিজ্ঞানীসকলক উৎসাহিত কৰি ভাৰতৰ মহাকাশ উদ্যোগত ব্যক্তিগত খণ্ডৰ ভূমিকাক বিশেষভাৱে প্ৰশংসা কৰে। স্কাইৰুটৰ প্ৰতিষ্ঠাপকসকলে প্ৰধানমন্ত্ৰীৰ সৈতে বাৰ্তালাপ কৰি এই সাফল্যক ভাৰতৰ ব্যক্তিগত মহাকাশ খণ্ডৰ বাবে এক ডাঙৰ পদক্ষেপ বুলি অভিহিত কৰে। তেওঁলোকে কয় যে, এই উৎক্ষেপণে ভাৰতীয় উদ্যোগীসকলৰ প্ৰতিভা আৰু উদ্ভাৱনী ক্ষমতাৰ পৰিচয় দিছে। 'মিছন আগমন' নামেৰে পৰিচালিত এই অভিযানত বিক্ৰম-১ ৰকেটে ইয়াৰ চাৰিওটা পৰ্যায় সফলতাৰে সম্পূৰ্ণ কৰে। ৰকেটটোৱে প্ৰায় ৪৫০ কিলোমিটাৰ উচ্চতাৰ নিম্ন-পৃথিৱী কক্ষপথত বহু গ্ৰাহকৰ সৰু সৰু উপগ্ৰহসমূহ সঠিকভাৱে স্থাপন কৰে। উল্লেখযোগ্য যে, এইটো ভাৰতৰ প্ৰথমটো ব্যক্তিগতভাৱে বিকশিত অৰ্বিটেল-ক্লাছ ৰকেট, যিয়ে প্ৰথম প্ৰয়াসতে উৎক্ষেপণৰ পৰা আৰম্ভ কৰি উপগ্ৰহ স্থাপনলৈকে সকলো পৰ্যায় নিখুঁতভাৱে সম্পন্ন কৰিবলৈ সক্ষম হয়। এই মিছনৰ লগতে সংযোজিত হৈছে আন এক গুৰুত্বপূৰ্ণ আৰু আবেগময় মুহূৰ্ত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হস্তাক্ষৰযুক্ত 'বন্দে মাতৰম' মন্ত্ৰও এই উৎক্ষেপণৰ জৰিয়তে মহাকাশৰ কক্ষপথত উপনীত হয়। ইয়াক ভাৰতৰ বৈজ্ঞানিক সাফল্য আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ প্ৰতীক হিচাপে গণ্য কৰা হৈছে। বিজ্ঞানী আৰু দেশবাসীয়ে এই ঐতিহাসিক ঘটনাক আদৰি অভূতপূৰ্ব উৎসাহ প্ৰকাশ কৰিছে। ইছৰোৰ বিজ্ঞানীসকলে সমগ্ৰ প্ৰক্ৰিয়াটো পৰ্যবেক্ষণ কৰি এই সফলতাক ভাৰতৰ মহাকাশ গৱেষণাৰ বাবে এক মাইলৰ খুঁটি বুলি অভিহিত কৰে। ২০২০ চনত চৰকাৰে মহাকাশ খণ্ডত অনা সংস্কাৰৰ ফলস্বৰূপে ব্যক্তিগত কোম্পানীসমূহে এই ক্ষেত্ৰখনত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ সক্ষম হৈছে। অহা দিনবোৰত অধিক ব্যক্তিগত উদ্যোগে মহাকাশ গৱেষণাত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰিছে বিশেষজ্ঞ মহলে।

## প্ৰতিবাদস্থলীৰ পৰা বলপূৰ্বকভাৱে

অৱস্থা আৰু চিকিৎসকৰ পৰামৰ্শৰ ভিত্তিত তেওঁক চৰকাৰী হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ইয়াত কোনো প্ৰকাৰ জবৰদস্তি নাই। প্ৰতিবাদকাৰীৰ বিৰুদ্ধে কোনো অভিযোগ উত্থাপন কৰা হোৱা নাই আৰু কাকো আটক কৰা হোৱা নাই।" আৰক্ষীৰ মতে, ঘটনাৰ সময়ত একাংশ প্ৰতিবাদকাৰীয়ে বাধা-বিঘ্ন ঘটোৱাত পৰিস্থিতি কিছু উত্তপ্ত হৈছিল, কিন্তু আৰক্ষীয়ে শান্তিপূৰ্ণভাৱে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। চফদৰজং হাস্পতাল কৰ্তৃপক্ষই ৱাংচুক ভৰ্তি হোৱাৰ কথা নিশ্চিত কৰি কয় যে তেওঁৰ চিকিৎসা চলি আছে। এই ঘটনাক কেন্দ্ৰ কৰি প্ৰতিবাদকাৰীসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হয়। সোণম ৱাংচুকক বলপূৰ্বকভাৱে হাস্পতাললৈ স্থানান্তৰ কৰাৰ পিছতে ক'কৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে অনিৰ্দিষ্টকালীন অনশন কাৰ্যসূচী ঘোষণা কৰে। তেওঁ কয়, "আমি আন্দোলন অব্যাহত ৰাখিম, যন্তৰ-মন্তৰতে থাকিম আৰু ২০ জুলাইত সংসদলৈ মাৰ্চ কৰিম।"

## ব্যক্তিগত খণ্ডৰ 'বিক্ৰম-১'ৰ

মহাকাশলৈ উৰা মাৰি দেশৰ মহাকাশ উদ্যোগত এক অভূতপূৰ্ব সাফল্যৰ সৃষ্টি কৰিলে। হায়দৰাবাদস্থিত ষ্টাৰ্ট-আপ প্ৰতিষ্ঠান 'স্কাইৰুট এৰ'স্পেচ'য়ে এই ৰকেট নিৰ্মাণ কৰি উৎক্ষেপণ কৰে। বুধবাৰে দুপৰীয়া ১২ বাজি ৫ মিনিটত এই উৎক্ষেপণ সম্পন্ন হয়। স্কাইৰুট এৰ'স্পেচৰ বাবে এই উৎক্ষেপণ আছিল এক ঐতিহাসিক মুহূৰ্ত, কাৰণ এই প্ৰথমবাৰৰ বাবে ভাৰতৰ কোনো বেচৰকাৰী প্ৰতিষ্ঠানে সম্পূৰ্ণভাৱে নিজা প্ৰযুক্তিৰে অৰ্বিটেল লঞ্চ ভেহিকল সফলভাৱে মহাকাশত স্থাপন কৰিলে। ইয়াৰ পূৰ্বে ভাৰতৰ মহাকাশ ক্ষেত্ৰ খণ্ডত প্ৰধানকৈ ইছৰোৰ আধিপত্য বৰ্তি থকা পৰিস্থিতিত এই সাফল্যই ব্যক্তিগত উদ্যোগীসকলৰ প্ৰতিভা আৰু দক্ষতাৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰিছে। উৎক্ষেপণ সম্পূৰ্ণ হোৱাৰ পিছতেই দেশৰ মহাকাশ উদ্যোগ আৰু উদ্যোগী পৰিৱেশ তন্ত্ৰই এই সফলতাক উষ্ম আদৰণি জনায়। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশেষভাৱে স্কাইৰুট এৰ'স্পেচ দলক অভিনন্দন জনাই এক শুভেচ্ছা বাণী প্ৰেৰণ কৰে। তেওঁ কয়, "বিক্ৰম-ৰ সফল উৎক্ষেপণে ভাৰতীয় উদ্ভাৱক আৰু উদ্যোগীসকলৰ বৰ্ধিত সামৰ্থ্যক বিশ্বৰ দৰবাৰত পুনৰবাৰ প্ৰদৰ্শন কৰিলে। এই অভূতপূৰ্ব সাফল্যই ভাৰতৰ মহাকাশ উদ্যোগ আৰু উদ্যোগী সম্ভাৱনাৰ সীমা দুয়োটাৰে বাবে এক নতুন শিখৰ স্থাপন কৰিছে। স্কাইৰুট এৰ'স্পেচৰ সমগ্ৰ দলটোলৈ মোৰ আন্তৰিক শুভেচ্ছা, কিয়নো তেওঁলোকে ভাৰতৰ প্ৰথমটো ব্যক্তিগত অৰ্বিটেল লঞ্চ ভেহিকল উৎক্ষেপণ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে।" মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে, এই সাফল্যই যুৱ প্ৰজন্মক বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত নতুন উদ্ভাৱনৰ বাবে উৎসাহিত কৰিব। তেওঁ বিশ্বাস প্ৰকাশ কৰে যে, অদূৰভৱিষ্যতে অধিক সংখ্যক ব্যক্তিগত প্ৰতিষ্ঠানে মহাকাশ গৱেষণাৰ দৰে জটিল ক্ষেত্ৰখনলৈ অগ্ৰসৰ হ'ব আৰু ই ভাৰতৰ অৰ্থনৈতিক বিকাশত সহায়ক হ'ব। উল্লেখ্য যে, স্কাইৰুট এৰ'স্পেচৰ এই উৎক্ষেপণক ভাৰতৰ ব্যক্তিগত মহাকাশ খণ্ডৰ বাবে এটা মাইলৰ খুঁটি হিচাপে গণ্য কৰা হৈছে। ইয়াৰ জৰিয়তে বিশ্বৰ বাণিজ্যিক মহাকাশ বজাৰত ভাৰতৰ স্থান অধিক সুদৃঢ় হ'ব বুলি আশা কৰিছে দেশৰ বিজ্ঞানী আৰু উদ্যোগী মহলে। এই সফলতাই ব্যক্তিগত বিনিয়োগক উৎসাহিত কৰাৰ লগতে ভৱিষ্যতৰ মহাকাশ অভিযানসমূহৰ বাবেও নতুন দিশ মুকলি কৰিলে।

## মোৰ অনুমতি অবিহনে সোণমক

অনুপস্থিতিত আৰু সন্মতি অবিহনে তেওঁৰ যাতে কোনো ধৰণৰ চিকিৎসা কৰা নহয়।" আংগম'ৱে কয়, "তেওঁক ছফদৰজং হাস্পতালত ৰখা হৈছে বুলি জানিব পাৰিছো। মোৰ অনুমতি অবিহনে তেওঁৰ কোনো চিকিৎসা আৰম্ভ কৰিলে, তাত কিবা অনিষ্ট ঘটিলে ইয়াৰ বাবে সম্পূৰ্ণ দায়ী হ'ব লাগিব প্ৰশাসনক।" তেওঁ লগতে কয়, "শুকুৰবাৰে মই ৱাংচুকক সাক্ষাৎ কৰিছিলো, তেওঁ ভালে আছিল। তেওঁক চিকিৎসালয়লৈ অনাৰ কোনো প্ৰয়োজন নাছিল। আজি পুৱা জোৰকৈ তেওঁক আঁতৰাই নিয়া হৈছে। সংবিধানৰ্ চনং অনুচ্ছেদৰ অধীনত মোৰ অধিকাৰ, মোৰ সন্মতি আৰু মোৰ নিজা চিকিৎসকৰ অনুমতি অবিহনে প্ৰশাসনে তেওঁৰ বাবে একো কৰিব নোৱাৰে।" আংগম'ৱে এক্সযোগেও এই মন্তব্য পুনৰব্যক্ত কৰে। তেও লিখে, "মই দিল্লীৰ ছফদৰজং হাস্পতালত আছো। মোৰ, পৰিয়ালৰ আৰু বিগত ২০ দিন ধৰি তেওঁৰ স্বাস্থ্য নিৰীক্ষণ কৰা চিকিৎসকৰ সন্মতি অবিহনে তেওঁক মুখেৰে বা শিৰাৰ মাধ্যমেৰে একো প্ৰদান কৰা যেন নহয়।" ইফালে দিল্লী আৰক্ষীয়ে এই পদক্ষেপক ন্যায্য বুলি দাবী কৰে। আৰক্ষীৰ মতে, বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ আৰু দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মানি চলি ৱাংচুকক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। নতুন দিল্লীৰ ডিচিপি সচিন শৰ্মাই কয়, "উচ্চন্যায়ালয়ৰ নিৰ্দেশ, তেওঁৰ স্বাস্থ্য অৱস্থা আৰু চিকিৎসকৰ পৰামৰ্শৰ ভিত্তিত তেওঁক চৰকাৰী হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ইয়াত কোনো প্ৰকাৰ জবৰদস্তি নাই।"

## বিহালী অভয়াৰণ্যত পুনৰ

গুলীবিদ্ধ হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ১৬ জুলাইত বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিহালী অভয়াৰণ্য পৰিদৰ্শন কৰাৰ পাছতেই নতুন উত্তেজনাৰ সূত্ৰপাত হয়। শনিবাৰে নিয়মীয়া টহলদাৰী বনৰক্ষীৰ দলত অৰুণাচলী দুৰ্বৃত্তই প্ৰায় ২০ ৰাউণ্ড গুলী নিক্ষেপ কৰে। বনৰক্ষীয়েও তৎক্ষণাৎ প্ৰত্যুত্তৰ দি প্ৰায় ৪০ ৰাউণ্ড গুলীচালনা কৰে। এই গুলীয়াগুলিৰ ফলত সীমান্তৱৰ্তী অঞ্চলত তীব্ৰ আতংকৰ সৃষ্টি হয়। গুলীচালনাৰ সময়তে প্ৰেমচন্দ বসুমতাৰী নামৰ জনজাতীয় ব্যক্তি আহত হয়। পত্নীৰ সৈতে বাইকেৰে ৰাজগড়ৰ পৰা ঘৰলৈ উভতি অহাৰ পথত দুৰ্বৃত্তৰ এটা গুলী তেওঁৰ পেটৰ বাওঁফালে লাগে। বসুমতাৰীয়ে কয়, "ৰাজগড়ৰ পৰা ঘূৰি অহাৰ সময়তে লাংদানপাৰা পেট্ৰল পাম্পত তেল ভৰাই মাত্ৰ ৫০ মিটাৰ আগবাঢ়িলো। এনেতে এটা শব্দ শুনিলো আৰু মোৰ পেটৰ পৰা তেজ ওলাই আহিল। কোনে কিয় মোক গুলী কৰিলে মই নাজানো।" আহত বসুমতাৰীক প্ৰথমে গহপুৰৰ শ্বহীদ কনকলতা বৰুৱা অসামৰিক চিকিৎসালয়লৈ নিয়া হয়। পিছত তেওঁৰ অৱস্থা সংকটজনক বুলি উন্নত চিকিৎসাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে, ১৫ জুলাইতো একেই স্থানত অৰুণাচলী দুৰ্বৃত্তই বনৰক্ষীক লক্ষ্য কৰি গুলীচালনা কৰিছিল। সেই ঘটনাৰ পিছতে সমগ্ৰ সীমান্ত এলেকাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হয়। বৰ্তমানলৈকে ঘটনাত আন কোনো লোক হতাহত হোৱাৰ খবৰ পোৱা নাই। অৱশ্যে স্থানীয় ৰাইজৰ মাজত আতংক বিৰাজ কৰিছে। ঘটনাৰ তদন্ত অব্যাহত আছে বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিছে।

## সোণম ৱাংচুকৰ প্ৰতিকৃতি অংকনৰ

কৰি থকা বুলি জনাইছিল। কোনো ব্যক্তিয়েই ইচ্ছামতে ৰাজহুৱা সম্পত্তি নষ্ট কৰিব নোৱাৰে। আজি তেওঁলোকক জাননী জাৰি কৰি এৰি দিয়া হ'ব। লগতে বশিষ্ঠ উৰণসেতুৰ তলত ছবি অংকনৰ সন্দৰ্ভত বশিষ্ঠ থানাত আন এটা গোচৰৰ তদন্ত চলি আছে। চৰকাৰী অনুমতি অবিহনে ৰাজহুৱা স্থানত দেৱাল লিখন বা ছবি অংকন কৰা সম্পূৰ্ণৰূপে নিষিদ্ধ আৰু এই নিৰ্দেশনা উলংঘা কৰিলে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।" আৰক্ষীৰ এই পদক্ষেপৰ পিছতে অসমৰ শিল্পী সমাজত বিস্তৰ প্ৰতিক্ৰিয়া দেখা দিছে। কাৰ্টুনিষ্ট নিতুপৰ্ণ ৰাজবংশীয়ে তীব্ৰ অসন্তোষ প্ৰকাশ কৰি কয়, "ছবি অংকন কৰাটো এটি কলা, ই অপৰাধ হ'ব নোৱাৰে। চৰকাৰৰ সমস্যা শিল্পীৰ লগত নহয়, সমস্যা সোণম ৱাংচুকৰ লগত। যদি যুৱক দুজনে গছ-চৰাইৰ ছবি আঁকিলে তেওঁলোকক আটক নকৰিলেহেঁতেন। ৱাংচুকৰ ছবি আঁকিবলৈ যোৱা বাবেই তেওঁলোক গ্ৰেপ্তাৰ হৈছে।" তেওঁ লগতে কয়, "অনুমতি লাগে বুলি কোনো জাননী আমি দেখা নাই। দেৱালত ছবি অংকন কৰিলে দেৱাল নষ্ট নহয়, বৰঞ্চ তাৰ সৌন্দৰ্য্যই বৃদ্ধি পায়। যদি কোনোবাই দেৱালত পিকাই বা ভাঙি দিয়েহি তেন্তে হে সম্পত্তি নষ্টৰ কথা ভাবিব পাৰি।" চিত্ৰশিল্পী নিখিলেশ্বৰ বৰুৱাই কয়, "ছবি আৰু কবিতাক ভয় কৰে চৰকাৰে। ৰাজহুৱা সম্পত্তি নষ্টৰ অভিযোগত ছাত্ৰ দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। কিন্তু ৰাজহুৱা সম্পত্তি ৰাইজৰ, সেয়ে ৰাইজে তাত ছবি অংকন কৰিব পাৰে। যদি অশালীন বা লেতেৰা কাম কৰে তেন্তে বাধা দিয়ক, কিন্তু এজন মহান ব্যক্তিৰ ছবি অঁকাত ইমান আপত্তি কিয়?" একেদৰে চিত্ৰশিল্পী মাৰ্চেল বৰুৱাই কয়, "যুৱক দুজনক আটক কৰাটো অনুচিত। ছবি আঁকিলে দেৱাল নষ্ট নহয়, সৌন্দৰ্যহে বাঢ়ে। পোষ্টাৰ লগোৱা বা পিক পেলোৱাকে সম্পত্তি নষ্ট বুলি গণ্য কৰিব পাৰি। ইয়াৰ পৰা স্পষ্ট যে চৰকাৰে ছবিৰ প্ৰতি ভয় খাইছে।" উল্লেখযোগ্য যে, দিল্লীৰ যন্তৰ মন্তৰত শিক্ষা ব্যৱস্থাৰ সংস্কাৰ দাবীৰে আমৰণ অনশন চলোৱা সোণম ৱাংচুকৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ আৰু তেওঁৰ আদৰ্শক সমৰ্থন জনাবলৈ এই যুৱক দুজনে শুকুৰবাৰে নিশা দেৱালত ৱাংচুকৰ প্ৰতিকৃতি অংকন কৰিবলৈ উদ্যোগ কৰিছিল। কিন্তু সেই কাম সম্পূৰ্ণ হোৱাৰ আগতেই আৰক্ষীয়ে তেওঁলোকক আটক কৰে। শনিবাৰে আনুষ্ঠানিকভাৱে গ্ৰেপ্তাৰ কৰাৰ পিছতেই শিল্পী মহলত চৰকাৰী পদক্ষেপৰ বিৰুদ্ধে প্ৰশ্নৰ সৃষ্টি হয়। অনেক শিল্পীয়ে মত প্ৰকাশ কৰে যে, ছাত্ৰ দুজনৰ কৰ্ম শিল্পৰ স্বাধীনতাৰ পৰিসৰৰ ভিতৰতেই পৰে আৰু তেওঁলোকক এনেদৰে আইনী জালত ফচোৱাটো সঠিক নহয়। ইফালে আৰক্ষীয়ে কঠোৰতাৰ লগতে নিৰ্দেশনা উলংঘাৰ বাবেই আইনী ব্যৱস্থা লোৱা বুলি স্পষ্টীকৰণ দিয়ে। ঘটনাটোৱে অসমৰ কলা-সংস্কৃতি অংগনত নতুন বিতৰ্কৰ সূচনা কৰিছে।

## ছফদৰজং হাস্পতালত সোণম

হাস্পতালৰ চিকিৎসা অধীক্ষক ডাঃ চাৰু বাম্বাই জানিবলৈ দিয়ে যে, ৱাংচুকৰ অৱস্থা সুস্থিৰ আৰু তেওঁ সম্পূৰ্ণ সচেতন। কিন্তু দীৰ্ঘদিন ধৰি উপবাস কৰি থকাৰ বাবে তেওঁৰ শৰীৰত সামান্য ডিহাইড্ৰেচন আৰু দুৰ্বলতা দেখা গৈছে। ডাঃ বাম্বাই কয়, "পুৱা প্ৰায় ৭Ê ৪০ বজাত ৱাংচুকক চিকিৎসালয়লৈ অনা হয়। তেওঁক আমি অবিৰতভাৱে নিৰীক্ষণ কৰি আছো। উপবাসৰ ফলত তেওঁ কিছু দুৰ্বল হোৱাৰ লগতে ডিহাইড্ৰেচন হৈছে, কিন্তু আন সকলো গুৰুত্বপূৰ্ণ শাৰীৰিক পৰিমাপ সুস্থিৰ অৱস্থাতে আছে। তেওঁ সম্পূৰ্ণ সচেতন আৰু বৰ্তমান চিকিৎসা বিভাগৰ অধীনত ভৰ্তি কৰোৱা হৈছে।" তেওঁ লগতে কয় যে, ডিহাইড্ৰেচনৰ বাবে ইলেক্ট্ৰ'লাইটৰ ভাৰসাম্যহীনতা দেখা দিছে, যাক শুধৰাবলৈ চিকিৎসকসকলে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে ৱাংচুকক কিছু সময় চিকিৎসালয়ত ৰখা হ'ব। চিকিৎসা সম্পূৰ্ণ হোৱাৰ পিছত পুনৰ তেওঁৰ অৱস্থা পৰ্যালোচনা কৰা হ'ব বুলি ডাঃ বাম্বাই উল্লেখ কৰে। চিকিৎসালয় সূত্ৰে জনোৱা মতে, ৱাংচুকৰ চিকিৎসাৰ বাবে দুজন চিকিৎসক আৰু দুজন পেৰামেডিকেল কৰ্মী নিযুক্তি দিয়া হৈছে। আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে যে, পুৱা আৰএমএল হাস্পতালৰ চিকিৎসক আৰু পেৰামেডিকেল দলে ৱাংচুকৰ স্বাস্থ্য পৰীক্ষা কৰি তেওঁৰ অৱস্থাৰ অৱনতি ঘটা বুলি ভৰ্তি হ'বলৈ পৰামৰ্শ দিছিল। কিন্তু ৱাংচুকে প্ৰথমে চিকিৎসালয়ত ভৰ্তি হ'বলৈ অস্বীকাৰ কৰে। পিছত স্বাস্থ্যৰ অৱনতি আৰু চিকিৎসকৰ পৰামৰ্শৰ ভিত্তিত আৰক্ষীয়ে তেওঁক এম্বুলেন্সযোগে যন্তৰ-মন্তৰৰ প্ৰতিবাদস্থলীৰ পৰা ছফদৰজং হাস্পতাললৈ লৈ যায়। ৱাংচুকক হাস্পতাললৈ নিয়াৰ পিছতে বৰ্তমান পৰিস্থিতি আৰু যন্তৰ-মন্তৰৰ আইন-শৃংখলা পৰ্যালোচনা কৰিবলৈ নতুন দিল্লীৰ ডিচিপি কাৰ্যালয়ত দিল্লী আৰক্ষীৰ জ্যেষ্ঠ বিষয়াসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰা হয়। এই ঘটনাৰ মাজতে পুৱা যন্তৰ-মন্তৰত দেখা যায় হাহাকাৰৰ দৃশ্য-আৰক্ষীয়ে কাপোৰেৰে ঢাকি ৱাংচুকক তুলি লৈ যোৱা ঘটনাই বহুতৰ মনত উদ্বেগ সৃষ্টি কৰে। ইফালে ৱাংচুকৰ পত্নীয়ে কৈছে, "মোৰ অনুমতি অবিহনে কোনেও সোণমক হাত নলগাব, এইটো মোৰ গণতান্ত্ৰিক অধিকাৰ।"

## ৩০ সংখ্যক BWF বিশ্ব বেডমিণ্টন

ক্ৰীড়া মন্ত্ৰী ডাঃ মনছুখ মান্দবিয়াই ভাৰতীয় বেডমিণ্টন সন্থাৰ সভাপতি তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত এই অনুষ্ঠান সম্পন্ন কৰে। নতুন দিল্লীত অনুষ্ঠিত এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ভাৰতীয় বেডমিণ্টন সন্থাৰ সচিব সঞ্জয় মিশ্ৰ আৰু দেশৰ কিংবদন্তি শ্বাটলাৰ পুলেলা গোপীচান্দকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি ক্ৰীড়ামন্ত্ৰী ডাঃ মান্দবিয়াই কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতে বিশ্বৰ ক্ৰীড়া ৰাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ দিশে আগবাঢ়িছে। আমি ধাৰাবাহিকভাৱে বিশ্বৰ কেবাখনো বৃহৎ ক্ৰীড়া ইভেণ্ট সফলতাৰে আয়োজন কৰিছো। বি ডব্লিউ এফ বিশ্ব চেম্পিয়নশ্বিপ এই যাত্ৰাৰ আন এক গৌৰৱময় মাইলৰ খুঁটিৰূপে চিহ্নিত হ'ব। ভাৰতীয় বেডমিণ্টনৰ ক্ৰমবৰ্ধমান উত্তৰণ আৰু বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনি সৃষ্টিৰ লগতে খেলুৱৈসকলৰ বাবে অধিক সুযোগ প্ৰদানৰ দিশত চৰকাৰ সদায় প্ৰতিশ্ৰুতিবদ্ধ।" ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "১৭ বছৰৰ পাছত ভাৰতলৈ বি ডব্লিউ এফ বিশ্ব চেম্পিয়নশ্বিপৰ প্ৰত্যাৱৰ্তন আমাৰ খেলৰ বাবে এক গুৰুত্বপূৰ্ণ মুহূৰ্ত আৰু ভাৰতীয় বেডমিণ্টন কিমান দূৰ আগবাঢ়িছে তাৰেই প্ৰতিফলন। আজি ভাৰতে বেডমিণ্টনত বিশ্বৰ অন্যতম শক্তিশালী দেশ হিচাপে স্বীকৃতি লাভ কৰিছে। নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰা খেলুৱৈ সৃষ্টি কৰিছে। আমি নিশ্চিত যে চেম্পিয়নশ্বিপে আমাৰ দেশত বেডমিণ্টনৰ বাবে এক স্থায়ী উত্তৰাধিকাৰ এৰি যাব আৰু অগণন ভাৰতীয় যুৱক-যুৱতীক ৰেকেট তুলি ল'বলৈ অনুপ্ৰাণিত কৰিব।" উল্লেখ্য যে, ২০০৯ চনত হায়দৰাবাদত বি ডব্লিউ এফে অন্তিমবাৰৰ বাবে বিশ্ব চেম্পিয়নশ্বিপ আয়োজন কৰিছিল। তেতিয়াই ভাৰতীয় বেডমিণ্টনৰ এক সোণালী যাত্ৰা আৰম্ভ হয়। চঞ্জৰৰ চনৰ পৰা ভাৰতে বিশ্ব চেম্পিয়নশ্বিপৰ প্ৰতিটো সংস্কৰণতে পদক জয় কৰি বেডমিণ্টনৰ অন্যতম আগশাৰীৰ ৰাষ্ট্ৰ হিচাপে পৰিচিতি লাভ কৰিছে। এইবাৰ চেম্পিয়নশ্বিপত বিশ্বৰ প্ৰায় ৫৫খন দেশৰ ৮০০ৰো অধিক খেলুৱৈ-বিষয়াই অংশগ্ৰহণ কৰিব। ইতিমধ্যে বিশ্ব বেডমিণ্টনত পদক জয় কৰা ভাৰতৰ পি ভি সিন্ধু, লক্ষ্য সেন, সাতৱিকচৈৰাজ ৰেংকিৰেডী আৰু চিৰাগ শ্বেট্টীকে ধৰি তাৰকা শ্বাটলাৰসকলে প্ৰথমবাৰৰ বাবে ঘৰুৱা মাটিত বিশ্ব চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। এই চেম্পিয়নশ্বিপে ভাৰতীয় বেডমিণ্টনৰ বাবে এক নতুন অধ্যায় সংযোজিত কৰিব বুলি আশা কৰা হৈছে।

## নিটি আয়োগৰ সূচকাংকত অসম অগ্ৰণী

কৰাৰ লগতে দেশী-বিদেশী উদ্যোগপতি আৰু বিনিয়োগকাৰীসকললৈ এক আনুষ্ঠানিক আমন্ত্ৰণ জনাইছে। তেওঁ কয়, "অসমৰ নতুন সম্ভাৱনাসমূহ অন্বেষণ কৰিবলৈ সকলোকে স্বাগতম।" মুখ্যমন্ত্ৰী ড° শৰ্মাই মত প্ৰকাশ কৰে যে, ৰাজ্যখনৰ সুস্থিৰ আৰু উদ্যোগ-অনুকূল নীতি, উন্নত আইন-শৃংখলা পৰিস্থিতি আৰু শক্তিশালী আন্তঃগাঁথনিৰ ফলতে এই সফলতা সম্ভৱ হৈ উঠিছে। উল্লেখ্য যে, উত্তৰ-পূব আৰু পাহাৰীয়া ৰাজ্যসমূহৰ ভিতৰত অসমক দ্বিতীয় সৰ্বশ্ৰেষ্ঠ বিনিয়োগৰ স্থান হিচাপে নিৰ্বাচিত কৰা হৈছে। মুখ্যমন্ত্ৰীৰ মতে, ৰাজ্য চৰকাৰৰ অনুকূল প্ৰতিষ্ঠানিক পৰিৱেশ, কম সুতৰ বোজা, ন্যূনতম শ্ৰমিক বিক্ষোভ, উন্নত যোগাযোগ ব্যৱস্থা আৰু শিক্ষা খণ্ডত ধাৰাবাহিক বিনিয়োগে অসমত এক উপযুক্ত বাণিজ্যিক পৰিৱেশতন্ত্ৰ গঢ়ি তুলিছে। তেওঁ লগতে কয় যে, অসমৰ অৰ্থনৈতিক বিকাশ অধিক ক্ষিপ্ৰ কৰাৰ লগতে ব্যাপক নিয়োগৰ সুযোগ সৃষ্টি কৰিবলৈ অধিক ঘৰুৱা আৰু গোলকীয় বিনিয়োগ আকৰ্ষণ কৰিবলৈ চৰকাৰ সদায় প্ৰতিশ্ৰুতিবদ্ধ। এই স্বীকৃতিয়ে অসমক বিনিয়োগৰ বাবে আকৰ্ষণীয় গন্তব্যস্থান হিচাপে প্ৰতিষ্ঠিত কৰাত সহায় কৰিব বুলি আশা কৰিছে ৰাজ্যৰ বাণিজ্যিক মহলে। মুখ্যমন্ত্ৰীৰ এই উদ্যোগে ৰাজ্যখনলৈ নতুন বিনিয়োগ আহিবলৈ বাট মুকলি কৰিব বুলি অভিহিত কৰিছে বিশেষজ্ঞসকলে।

## ৰাজহ বঢ়ালেহে প্ৰকৃতি ৰক্ষা সম্ভৱ

কেইবাখনো স্বেচ্ছাসেৱী আৰু সামাজিক সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে। বৈঠক সমাপ্ত কৰি সাংবাদিকসকলৰ সৈতে হোৱা বাৰ্তালাপত বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, "ৰাজহ বৃদ্ধিৰ মাধ্যমেহে আমি প্ৰকৃতিৰ সুৰক্ষা নিশ্চিত কৰিব পাৰিম। বৰ্তমান ৰণথম্বৰ অভয়াৰণ্যলৈ বাৰ্ষিক প্ৰায় ৫ লাখ পৰ্যটক আহে আৰু তাত ৮০ কোটি টকা ৰাজহ সংগ্ৰহ হয়। কিন্তু কাজিৰঙালৈ প্ৰায় ৪ লাখ পৰ্যটক আহিলেও আমি সংগ্ৰহ কৰো মাত্ৰ ১২ কোটি টকা। অৰ্থাৎ প্ৰায় সম পৰিমাণৰ পৰ্যটকৰ আগমনৰ পিছতো ৰাজহৰ ক্ষেত্ৰত আমাৰ তুলনামূলকভাৱে বহু পিছপৰা অৱস্থা।" কাজিৰঙাত পঞ্চতাৰকা হোটেল স্থাপনৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয়, "যদি আমি কাজিৰঙাৰ পৰা ১২ কোটিৰ পৰিৱৰ্তে ৭০ কোটি টকা ৰাজহ সংগ্ৰহ কৰিব পাৰো, তেন্তে আমি পাঁচ গুণ অধিক কাম কৰিবলৈ সক্ষম হ'ম। সোনকালে হায়াত গোটৰ হোটেলটো কাৰ্যকৰী হ'ব, যি কাজিৰঙাৰ পৰ্যটনৰ বাবে অত্যন্ত লাভজনক। কিছু অসামাজিক মহলে এই উদ্যোগক বাধা দিবলৈ উচটনি দি থাকিলেও বৰ্তমান পৰিস্থিতি সুস্থভাৱে আগবাঢ়িছে আৰু সকলোৱে সহযোগিতা আগবঢ়াইছে। কেৱল হায়াতেই নহয়, আমি ইয়াত আৰু তিনিচাৰিখন পঞ্চতাৰকা হোটেল স্থাপনৰ বাবে উৎসাহিত কৰিম।" মন্ত্ৰী বৰুৱাই লগতে কয়, "জিম কৰবেট আৰু ৰণথম্বৰৰ দৰে পৰ্যটনস্থলীত বহু পঞ্চতাৰকা হোটেল আছে। এনে সুবিধা নাথাকিলে উচ্চস্তৰৰ পৰ্যটক (হাই-এণ্ড টুৰিষ্ট) আহিব নোৱাৰে। কাজিৰঙাৰ পৰিৱেশ আৰু পৰ্যটন দুয়োটা ক্ষেত্ৰতে গত ১০ বছৰত যথেষ্ট পৰিৱৰ্তন ঘটিছে। এতিয়া আমি চিন্তা কৰিব লাগিব যে, কাজিৰঙাৰ জৈৱ-বৈচিত্ৰ্য আৰু বনাঞ্চলত প্ৰভাৱ নপৰাকৈ কিমান পৰ্যটক আমি আঁত ধৰিব পাৰো।" তেওঁ আৰু যোগ দিয়ে, "কাজিৰঙাৰ লগত জড়িত বিপুলসংখ্যক লোকৰ জীৱন-জীৱিকাত যাতে নেতিবাচক প্ৰভাৱ নপৰে, বৰঞ্চ ইয়াৰ ফলত অধিক লোকৰ উপকাৰ হয়-সেই দৃষ্টিকোণৰ পৰা আমি আগন্তুক দিনত পৰিকল্পনা গ্ৰহণ কৰিম। কাজিৰঙাৰ 'ষ্টেকহ'ল্ডাৰ'সকলে সঞ্চালক, ডিএফঅ', ৰেঞ্জাৰ আদি বিষয়াসকলৰ লগত আলোচনা কৰি নিজৰ পৰামৰ্শসমূহ লিখিতভাৱে দাখিল কৰিব। ১৫ দিনৰ পাছত সেই পৰামৰ্শসমূহৰ ভিত্তিত পুনৰ এখন বৈঠক ডাকা হ'ব।" বনমন্ত্ৰীগৰাকীৰ এই ঘোষণাই কাজিৰঙাৰ পৰ্যটন আৰু অৰ্থনৈতিক সম্ভাৱনাৰ দিশত নতুন আশাৰ সঞ্চাৰ কৰিছে। একেদৰে পৰিৱেশ ৰক্ষাৰ সৈতে অৰ্থনৈতিক বিকাশৰ মাজত সামঞ্জস্য ৰখা এই পৰিকল্পনাই কাজিৰঙাক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ পৰ্যটন গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰা হৈছে।

## আদিত্য সুহাস জাম্ভালৰ পৰিচালিত

অভিনেতাৰ বঁটা আগবঢ়োৱা হৈছে। আনহাতে য়ামি গৌতমে ARTICLE 370ত কৰা অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰিছে। আনহাতে, সুমিৰা ৰায়ে পৰিচালনা কৰা ভংগৰলৈ শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা আগবঢ়োৱা হৈছে। শ্ৰেষ্ঠ ছুটি ছবিৰ বঁটা লাভ কৰিছে মাৰাঠি ভাষাৰ ছবি হামছফৰে। আনহাতে ষ্টেছু অৱ ইউনিটি — একতা কা প্ৰতীক নামৰ ছবিখনৰ বাবে আনন্দ এল ৰায়ক শ্ৰেষ্ঠ পৰিচালকৰ বঁটা আগবঢ়োৱা হৈছে। পৰত ৪১ ডিগ্ৰীচায়া মগৰৰ তথ্যচিত্ৰৰ সংগীত পৰিচালনাৰ বাবে শিৱপাল সিং কাঙক শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ বঁটা প্ৰদান কৰা হৈছে। আনহাতে, সঞ্জীৱ শ্ৰীবাস্তৱলৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ বঁটা আগবঢ়োৱা হৈছে।

## ৱাংচুকৰ প্ৰতি সমৰ্থন সদৌ অসম

গভীৰভাৱে জড়িত। সেয়েহে এই প্ৰসংগত দেশৰ জনসাধাৰণ আৰু ছাত্ৰ-যুৱ সমাজৰ মাজত সৃষ্টি হোৱা উদ্বেগক গুৰুত্বসহকাৰে লোৱাৰ অত্যন্ত প্ৰয়োজন বুলি সংগঠনটোৱে মত পোষণ কৰে। ছাত্ৰ সন্থাই কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাই কয় যে, আলোচনাৰ জৰিয়তে বিষয়টোৰ এক গ্ৰহণযোগ্য আৰু স্থায়ী সমাধান উলিয়াব লাগে। লগতে তেওঁলোকে উল্লেখ কৰে যে, গণতান্ত্ৰিক ব্যৱস্থাত মত প্ৰকাশ আৰু দাবী উত্থাপনৰ অধিকাৰ সুৰক্ষিত থকাটো অতি জৰুৰী। সেয়েহে অহিংস আৰু গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি চৰকাৰ সদায় শ্ৰদ্ধাশীল আৰু সহানুভূতিশীল হ'ব লাগে বুলি আছুৱে জোৰ দিয়ে। সংগঠনটোৰ মতে, ৱাংচুকৰ সংগ্ৰাম শিক্ষা ব্যৱস্থাৰ সংস্কাৰ আৰু গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি থকা প্ৰতিশ্ৰুতিকে প্ৰতিফলিত কৰে। গতিকে এই কাৰ্যসূচীৰ মাধ্যমেৰে ছাত্ৰ সন্থাই ৱাংচুকৰ আদৰ্শৰ প্ৰতি একাত্মতা প্ৰকাশ কৰাৰ লগতে চৰকাৰক সজাগ থাকিবলৈও আহ্বান জনাইছে। ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-যুৱকে এই কাৰ্যসূচীৰ প্ৰতি সঁহাৰি জনাই আগ্ৰহ প্ৰকাশ কৰিছে। আগন্তুক ১৯ জুলাইৰ সন্ধিয়া অসমৰ প্ৰতিখন জিলা আৰু মহকুমা সদৰত মমশিখাৰে উদ্ভাসিত হ'ব সোনম ৱাংচুকৰ প্ৰতি সমৰ্থনৰ বাতি।

## জাপানীজ এনকেফেলাইটিছত

অনুসৰি জিলাখনত বৰ্তমানলৈকে ৪৬জন পুৰুষ মহিলা আৰু শিশু জাপানীজ এনকেফেলাইটিছ ৰোগ সদৃশ ৰোগত আক্ৰান্ত হোৱা ৰোগীক চিনাক্ত কৰা হৈছে। এই ৰোগত আক্ৰান্ত ১৪ জনক চিকিৎসা প্ৰদান কৰাৰ লগতে ইয়াৰে চাৰিজন যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত আছে। আনহাতে এই ৰোগত আক্ৰান্ত হৈ গোলাঘাট নগৰৰ এগৰাকী মহিলাসহ এটি পাঁচ বছৰীয়া শিশুৰ মৃত্যু হৈছে। বিশেষকৈ গোলাঘাট নগৰৰ মাজ মজিয়াত এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱাক লৈ এতিয়া চিন্তিত হৈ পৰিছে সমগ্ৰ নগৰবাসী। এই ৰোগৰ প্ৰাদুৰ্ভাৱ নিৰ্মূল কৰিবলৈ জিলা স্বাস্থ্য বিভাগে বিভিন্ন ধৰণৰ প্ৰদক্ষেপ গ্ৰহণ কৰিছে যদিও এই ক্ষেত্ৰত প্ৰতিজন পৰিয়ালে নিজৰ নিজৰ চৌপাশৰ পৰিৱেশ চাফ চিকুণ কৈ ৰাখিবলৈ আহ্বান জনাইছে স্বাস্থ্য বিভাগে।

## অৰুণাচলৰ টিৰাপত এনএছচিএন

.৩২ এম এম পিষ্টল আৰু চাৰিটা সজীৱ গুলী উদ্ধাৰ কৰে। আৰক্ষীৰ মতে, খুনচাৰ বেংক কলনী এলেকাত ধন দাবী সম্পৰ্কীয় অভিযোগত এন এছ চি এন (আৰ)ৰ সন্দেহযুক্ত সদস্যৰ উপস্থিতিৰ তথ্যৰ পিছতে ৪৪ অসম ৰাইফলছৰ খুনচা বেটেলিয়ন, ৩৬ চি আৰ পি এফ বেটেলিয়ন আৰু টিৰাপ আৰক্ষীৰ যৌথ অভিযানত বিদ্ৰোহীজনে স্বেচ্ছাই আত্মসমৰ্পণ কৰে।

## গোলাঘাটৰ শ্মশানত চুৰিকাণ্ড

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** গোলাঘাট নগৰত দিনক দিনে বৃদ্ধি পাব ধৰিছে চুৰিকাণ্ডৰ ঘটনা। এই বাৰ চোৰৰ লক্ষ্য হৈ পৰিছে শ্মশান। যোৱানিশা গোলাঘাট নগৰৰ ধনশিৰি নদীৰ কাষত অৱস্থিত মাৰোৱাৰী শ্মশানত চুৰিকাণ্ডৰ ঘটনা সংঘটিত হয়। নিশা শ্মশানৰ দেৱাল পাৰ হৈ গুদামৰ তলা ভাঙি চোৰে পিতলৰ সামগ্ৰী, পানী টেপ, ঘাঁহ কটা মেচিন, গেছৰ চিলিণ্ডাৰ আদিৰ লগতে বিভিন্ন সা-সামগ্ৰী চুৰি লৈ যায়। পোৱা শ্মশানৰ চকীদাৰ আহি সন্মুখৰ গেটৰ তলা খুলি ভিতৰলৈ সোমাই যোৱাৰ পাছত এই দৃশ্য প্ৰত্যক্ষ কৰে। এই সম্পৰ্কে শ্মশান পৰিচালনা সমিতিয়ে ইতিমধ্যে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

## ডিব্ৰুগড় জিলাত নৱ-ভাৰত স্বাক্ষৰতা আঁচনি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৮ জুলাই ঃ** অসম চৰকাৰৰ অধীনত ডিব্ৰুগড় জিলাত নব-ভাৰত সাক্ষৰতা আঁচনিৰ জৰিয়তে ডিব্ৰুগড় জিলাৰ ক্ৰমে- জয়পুৰ, খোৱাং, বৰবৰুৱা, টেঙাখাট, আৰু লাহোৱালৰ প্ৰতিটো শিক্ষাখণ্ডৰ অধীনত নিৰক্ষৰ পোন্ধৰ বছৰৰ ওপৰৰ প্ৰাপ্তবয়স্ক সকলৰ চিনাক্তকৰণৰ জৰীপ চলাই থকা হৈছে। বিদ্যালয়ৰ সমূহৰ পৰিদৰ্শকৰ নিৰ্দেশ মৰ্মে প্ৰতিটো শিক্ষাখণ্ডৰ অধীনত প্ৰাপ্তবয়স্কৰ শিক্ষা বিভাগৰ পৰ্যবেক্ষক সকলে নিৰক্ষৰ সকলৰ জৰীপ চলাই আছে। ডিব্ৰুগড় জিলাৰ খোৱাং তিলৈ চাহ বাগিচাৰ অধীনত প্ৰাপ্তবয়স্ক বয়স্কৰ শিক্ষা বিভাগৰ জিলা সমন্বয়ক হেমন্ত হাজৰিকাৰ নেতৃত্বত প্ৰশিক্ষণ দিয়া হয়। জিলাৰ পৰ্যবেক্ষক গুনীন শেনচোৱা, চান্দনিল ফুকন, সহকাৰী সমন্বয়ক অনিল প্ৰসাদ সিংহ। তিলৈ চাহ বাগিচাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্যামলাল উৰাঙ আদি উপস্থিত থাকে।

## সদ্যঘোষিত সৰ্বভাৰতীয় নীট পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ গোলাঘাটৰ এনিশা শইকীয়া

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** সদ্যঘোষিত সৰ্বভাৰতীয় পৰ্য্যায়ৰ NEET পৰীক্ষাত ৯৩.৬৮ শতাংশ নম্বৰ লাভ কৰি সফলতাৰে উত্তীৰ্ণ হৈছে গোলাঘাটৰ খুমটাই সমষ্টিৰ ৰঙাজানৰ কুৰুকা গাঁৱৰ এনিশা শইকীয়াই। গাঁওখনৰ নিবাসী বাবুল শইকীয়া আৰু সংগীতা শইকীয়াৰ একমাত্ৰ কন্যা এনিশা শইকীয়াই সৰ্বভাৰতীয় পৰ্য্যায়ৰ পৰীক্ষাত ৯৩.৬৮ শতাংশ নম্বৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অঞ্চলটোৰ পৰা সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰথম গৰাকী ছাত্ৰী হিচাপে পৰিগণিত হৈছে। এনিশা শইকীয়াৰ এই সাফল্যত উৎফুল্ল হৈ পৰিছে তেখেতৰ পিতৃ মাতৃ, ওচৰ চুবুৰীয়াৰ লগতে গোলাঘাট বাসী ৰাইজ। ভৱিষ্যতে এগৰাকী সু-চিকিৎসক হৈ ৰাইজৰ সেৱা আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে এনিশাৰ।

# গোসাইগাঁৱৰ ১ নং পানবাৰী গাঁৱত গ্ৰেটাৰ কোচবিহাৰ পিপোলছ এছ'চিয়েচনৰ উদ্যোগত ঐতিহাসিক ১৮ জুলাই পালন

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৮ জুলাই ঃ** গ্ৰেটাৰ কোচবিহাৰ পিপোলছ এছোচিয়েচন (GCPA)ৰ উদ্যোগত শনিবাৰে কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ গুৰুফেলা আৰক্ষী চকীৰ অন্তৰ্গত ১ নং পানবাৰী গাঁৱত ঐতিহাসিক "১৮ জুলাই" দিনটো যথাযোগ্য মৰ্যাদাৰে পালন কৰা হয় সংগঠনটোৰ বক্তব্য অনুসৰি, ভাৰত স্বাধীন হোৱাৰ ৪২ দিন পূৰ্বে অৰ্থাৎ ১৯৪৭ চনৰ ৪ জুলাইত বৃটিছ প্ৰধানমন্ত্ৰী ক্লিমেণ্ট এটলিয়ে বৃটিছ পাৰ্লামেণ্টত বৃহৎ কোচবিহাৰ ৰাজ্য সম্পৰ্কীয় বিল উত্থাপন কৰিছিল। পিছত ১৯৪৭ চনৰ ১৮ জুলাই তাৰিখে সেই বিল গৃহীত হয়। সংগঠনটোৱে দাবী কৰে যে ভাৰত স্বাধীনতা লাভ কৰাৰ পিছতো এই বিষয়টোক প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰা নহ'ল, যাৰ ফলত বৃহৎ কোচবিহাৰ ৰাজ্যৰ দাবী আজিও অপূৰ্ণ হৈ আছে। এই ঐতিহাসিক ঘটনাক সোঁৱৰণ কৰি অসম আৰু পশ্চিমবংগত প্ৰতিবছৰে ১৮ জুলাই দিনটো ঐতিহাসিক দিৱস হিচাপে পালন কৰা হয়। ইয়াৰ সমান্তৰালকৈ ১ নং পানবাৰী গাঁৱতো গুৰুফেলা আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত আঞ্চলিক সভাপতি নলেশ্বৰ ৰায়ে হনুমান দণ্ডীৰ পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কাৰ্যসূচীত সহযোগিতা কৰে আঞ্চলিক সম্পাদক শিবিন ৰায়ে। অনুষ্ঠানত আঞ্চলিক উপ-সভাপতি আনন্দ ৰায় উপস্থিত থকাৰ লগতে অতিথি হিচাপে কচুগাঁও ব্লক সম্পাদক প্ৰমোদ বৰ্মন, কোকৰাঝাৰ জিলা সাংগঠনিক সম্পাদক কৈলাস বৰ্মন আৰু GCPA-ৰ আন বহু সদস্য উপস্থিত থাকে। উপস্থিত সদস্যসকলে বৃহৎ কোচবিহাৰ ৰাজ্যৰ দাবী সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰাৰ লগতে সংগঠনটোৰ উদ্দেশ্য আৰু ভৱিষ্যৎ কাৰ্যসূচীৰ ওপৰতো আলোকপাত কৰে।

# পুনৰ মাজুলী-যোৰহাট ফেৰী সেৱাত অঘটন! ব্ৰহ্মপুত্ৰৰ মাজত যান্ত্ৰিক বিজুটি 'এছবি চেনিমাই' নামৰ চিংগল ইঞ্জিনৰ ফেৰী

## যাত্ৰীৰ মাজত হাহাকাৰ; ফিটনেছহীন ফেৰী চলাচলৰ অভিযোগ

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ জুলাই ঃ** যোৰহাট-মাজুলী জলপথত পুনৰ সংঘটিত হ'ল এক গুৰুতৰ অঘটন। নিমাতী ঘাটৰ পৰা আজি পুৱা ১০.৩০ বজাত অফলামুখ অভিমুখে ৰাওনা হোৱা 'এছ বি চেনিমাই' নামৰ যাত্ৰীবাহী ফেৰীখন ব্ৰহ্মপুত্ৰৰ মাজ ভাগত হঠাতে যান্ত্ৰিক বিজুটিৰ সন্মুখীন হয়। জানিব পৰা মতে, ফেৰীখনৰ ফেন (প্ৰপেলাৰ) ভাগি যোৱাত ই সম্পূৰ্ণৰূপে বিকল হৈ পৰে আৰু প্ৰবল সোঁতৰ ফলত ভটিয়াই উটি যাবলৈ আৰম্ভ কৰে। ফেৰীখনত সেই সময়ত প্ৰায় ৬০জন যাত্ৰী, ২৫খন দুচকীয়া বাহন আৰু ৩খন চাৰিচকীয়া বাহন আছিল। মাজনদীত ফেৰী বিকল হৈ ভটিয়াই উটি যোৱাত যাত্ৰীসকলৰ মাজত তীব্ৰ আতংক আৰু হাহাকাৰৰ সৃষ্টি হয়। অৱশ্যে কিছু সময়ৰ পিছত যাত্ৰী সহ ফেৰীখন উদ্ধাৰ কৰি অফলামুখ ঘাটলৈ অনা হয়। কিন্তু এই ঘটনাই পুনৰ এবাৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ ফেৰীসমূহৰ ফিটনেছ পৰীক্ষা আৰু ৰক্ষণাবেক্ষণ ব্যৱস্থাক লৈ ডাঙৰ প্ৰশ্নৰ সৃষ্টি কৰিছে। নদীৰ মাজত চলি থকা এখন যাত্ৰীবাহী ফেৰীৰ ফেন ভাগি যোৱাটো স্বাভাৱিক ঘটনা নহয় বুলি সচেতন মহলে মন্তব্য কৰিছে। এনে ঘটনাই বহু ফেৰী এতিয়াও প্ৰয়োজনীয় ফিটনেছ আৰু কাৰিকৰী পৰীক্ষা অবিহনে চলাচল কৰি থকাৰ অভিযোগক অধিক শক্তিশালী কৰি তুলিছে। উল্লেখযোগ্য যে, ২০২১ চনৰ নিমাতীৰ শোকাৱহ ফেৰী দুৰ্ঘটনাৰ পিছত চৰকাৰে ফেৰীৰ ফিটনেছ, সুৰক্ষা ব্যৱস্থা আৰু নিয়মীয়া পৰিদৰ্শন কঠোৰ কৰাৰ নিৰ্দেশ দিছিল। কিন্তু এটাৰ পিছত আনটো যান্ত্ৰিক বিজুটি, বালিচৰত আবদ্ধ হোৱা আৰু মাজনদীত ফেৰী বিকল হোৱাৰ দৰে ঘটনাই প্ৰমাণ কৰিছে যে, বিভাগীয় বিষয়া আৰু অভিযন্তাসকলৰ তদাৰকি আৰু চৰকাৰী নিৰ্দেশনা পালনত হ'বলগীয়া তৎপৰতা আজিও কাগজ-কলমতেই সীমাবদ্ধ হৈ আছে। যাত্ৰীৰ জীৱনক বিপদৰ মুখলৈ ঠেলি দি ফিটনেছহীন ফেৰী চলাচলৰ অনুমতি দিয়া বিভাগীয় গাফিলতিৰ বিৰুদ্ধে এতিয়া কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন হৈছে।

# মাকুমত পথ দুৰ্ঘটনা; তিনিজন আহত

**অসম বাৰ্তা, মাকুম, ১৮ জুলাই ঃ** নিশা মাকুম থানাৰ অন্তৰ্গত চান্দমাৰী ৰেলগেটৰ সমীপৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত নিশা এক পথ দুৰ্ঘটনা সংঘটিত হয়। জানিবলৈ পৰা মতে তিনিচুকীয়া দিশত গৈ থকা এ এচ ২৩ এ এন ৮৫৯৫ নম্বৰৰ এখন এল্ট কে টেন আৰু তিনিচুকীয়া দিশৰ পৰা মাকুম দিশত আহি থকা এ এচ ২৩ এ চি ২১৯০ নম্বৰৰ অট'খন হঠাতে তিনিচুকীয়া দিশত ঘূৰাই দিয়াত সংঘৰ্ষ হৈ উক্ত পথ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত দুয়োখন বাহনেৰে তিনিজন লোক আহত হয়। ঘটনাস্থলীত ততাতৈয়াকৈ মাকুম থানাৰ আৰক্ষী উপস্থিত হৈ আহত লোক কেইজনক তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ লগতে দুৰ্ঘটনা গ্ৰস্থ বাহন দুখন থানালৈ লৈ যায়।

# সৰ্বভাৰতীয় নীট পৰীক্ষাত বৰগাঙৰ বাবুদ্দিনৰ সাফল্য

**অসম বাৰ্তা, জিনজিয়া, ১৮ জুলাই ঃ** সদ্যঘোষিত সৰ্বভাৰতীয় নীট পৰীক্ষাত বিহালী সমষ্টিৰ অন্তৰ্গত বৰগাঙৰ ৰেনু খাতুনৰ পুত্ৰ বাবুদ্দিন আনচাৰীয়ে ৫৯৩নম্বৰ লাভ কৰি সৰ্বভাৰতীয় পৰ্যায়ত ১২৩৭২ ৰেংক আৰু ৫৬৪০ সংখ্যক কেটেগোৰী স্থান পায়। উল্লেখযোগ্য যে, বাবুদ্দিনৰ মাতৃ ৰেনু খাতুনে বৰগাং শুকানসুতি গাঁৱত খাদ্য সুৰক্ষা আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা অনুমোদিত এখন সুলভ মূল্যৰ দোকানৰ জৰিয়তে কষ্টোপাৰ্জন কৰি দুটি সন্তানৰ সৈতে পৰিয়ালটিয়ে জীৱন নিৰ্বাহ কৰি আহিছে। বাবুদ্দিনৰ সাফল্যত বৰগাং জামে মচজিদৰ কেন্দ্ৰীয় সমিতি, বৰগাং শাখা সাহিত্য সভা, সাংস্কৃতিক মহাসভা অসমৰ বিহালী আঞ্চলিক সমিতি আদিৰ স্থানীয় কাৰ্যকৰ্তা সকলে ছাত্ৰ জনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি অভিনন্দন জনায়।

# কমলাবাৰী চাৰিআলিত পুৱতি নিশা অগ্নিকাণ্ড: "ভিডিঅ' কেয়াৰ" নামৰ ইলেক্ট্ৰনিক সামগ্ৰীৰ দোকান সম্পূৰ্ণৰূপে ভস্মীভূত

## ৫ লক্ষাধিক টকাৰ সম্পত্তি নষ্ট

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ জুলাই ঃ** মাজুলীৰ অন্যতম ব্যস্ত ব্যৱসায়িক কেন্দ্ৰস্থল কমলাবাৰী চাৰিআলিত আজি পুৱতি নিশা সংঘটিত এক অগ্নিকাণ্ডত "ভিডিঅ' কেয়াৰ" নামৰ এখন ইলেক্ট্ৰনিক সামগ্ৰীৰ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে ভস্মীভূত হয়। এই অগ্নিকাণ্ডত ব্যৱসায়িক প্ৰতিষ্ঠান খনৰ ইনভাৰ্টাৰ, এচি, আলমিৰা আদি বিভিন্ন সামগ্ৰীসহ প্ৰায় ৫ লক্ষাধিক টকাৰ সম্পত্তি জুইত জাহ যায়। জানিব পৰা মতে, পুৱতি নিশা প্ৰায় ৩.১৫ বজাত মাজুলী আৰক্ষী থানাৰ তহলদাৰী আৰক্ষীয়ে দোকানখনৰ পৰা জুই আৰু ধোঁৱা ওলাই থকা প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। খবৰ লাভ কৰিয়েই অগ্নিনিৰ্বাপক বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তৎপৰতাৰে জুই নিয়ন্ত্ৰণলৈ আনি বৃহৎ ক্ষতিৰ সম্ভাৱনা ৰোধ কৰিবলৈ সক্ষম হয়। প্ৰাথমিকভাৱে চৰ্ট চাৰ্কিটৰ ফলতেই "ভিডিঅ' কেয়াৰ" প্ৰতিষ্ঠানখনৰ পৰাই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে। যদিও অগ্নিকাণ্ডৰ সঠিক কাৰণ জানিবলৈ তদন্ত অব্যাহত ৰাখিছে সংশ্লিষ্ট বিভাগে। ঘটনাটোৰ পিছতে অঞ্চলটোত কিছু সময়ৰ বাবে চাঞ্চল্যৰ সৃষ্টি হয়। স্থানীয় ৰাইজে সময়মতে ঘটনাস্থলীত উপস্থিত হৈ জুই নিয়ন্ত্ৰণত অনাৰ বাবে মাজুলী আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰ ভূমিকাৰ শলাগ লৈ, এক ভয়াৱহ পৰিস্থিতিৰ পৰা অঞ্চলটোক ৰক্ষা কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

## যুৱ প্ৰজন্মক খেলপথাৰমুখী কৰাৰ লক্ষ্যৰে অনুষ্ঠিত এদিনীয়া ফুটবল প্ৰতিযোগিতা

# ৰাইমনা Friends ক্লাবৰ প্ৰয়াস

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৮ জুলাই ঃ** স্থানীয় যুৱক-যুৱতীসকলক ক্ৰীড়াৰ প্ৰতি আগ্ৰহী কৰি তোলা আৰু স্বাস্থ্যসন্মত জীৱনশৈলী গঢ়ি তোলাৰ লক্ষ্যৰে আজি ৰাইমনা Friends ক্লাবৰ উদ্যোগত আকৰ্ষিত এদিনীয়া ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত অঞ্চলটোৰ মুঠ ৮টা আগশাৰীৰ দলে অংশগ্ৰহণ কৰি নিজৰ খেলুৱৈ সুলভ প্ৰতিভা প্ৰদৰ্শন কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলসমূহ উপভোগ কৰিবলৈ বৃহৎ সংখ্যক ক্ৰীড়াপ্ৰেমী ৰাইজৰ সমাগম ঘটে। প্ৰতিযোগিতাখনত অতিথি হিচাপে উপস্থিত থাকে গোসাঁইগাঁও সমষ্টিৰ বিধায়ক শোভাৰাম বসুমতাৰী আৰু বিটিচিৰ কাৰ্যবাহী সদস্য (EM) মৃত্যুঞ্জয় নাৰ্জাৰী। সভাত ভাষণ প্ৰদান কৰি বিধায়ক শোভাৰাম বসুমতাৰীয়ে কয়, "বৰ্তমানৰ প্ৰযুক্তি নিৰ্ভৰ সময়ত যুৱ প্ৰজন্মক বিপথে পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰিবলৈ ক্ৰীড়াই একমাত্ৰ মাধ্যম। ৰাইমনা Friends ক্লাবে গ্ৰহণ কৰা এই প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়।" বিটিচিৰ কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰীয়ে তেওঁৰ ভাষণত কয় যে, "ফুটবল কেৱল এটা খেল নহয়, ইয়াৰ জৰিয়তে ভাতৃত্ববোধ আৰু অনুশাসন গঢ়ি উঠে। এনে প্ৰতিযোগিতাই ভৱিষ্যতে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ সৃষ্টি কৰাত অৰিহণা যোগাব।" আয়োজক ৰাইমনা Friendsক্লাবৰ তৰফৰ পৰা জনোৱা হয় যে, অঞ্চলটোৰ যুৱকসকলক ড্ৰাগছকে ধৰি অন্যান্য সমাজ বিৰোধী কাম-কাজৰ পৰা আঁতৰাই ৰাখিবলৈ আৰু তেওঁলোকক ফুটবলৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰয়াসেৰেই এই প্ৰতিযোগিতাখন আয়োজন কৰা হৈছে।

## মূল সৰবৰাহকাৰীৰ সন্ধানত আৰক্ষী তদন্ত অব্যাহত

# হালোৱাটিঙত ১০টাকৈও অধিক গৰুসহ তিনি ব্যক্তিক আটক

**অসম বাৰ্তা, চেলেংহাট, ১৮ জুলাই ঃ** অসম-নগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিঙৰ মাজেদি দীৰ্ঘদিন ধৰি গৰু ব্যৱসায়ৰ ঘাটি হিচাপে চিহ্নিত হৈ আহিছে। বিভিন্ন পক্ষক মেনেজ কৰি নিতৌ গাড়ীৰে গৰু নগালেণ্ডলৈ সৰবৰাহ কৰা হয় বুলি সততে অভিযোগ উত্থাপন হৈ আহিছে। হালোৱাটিং থানাৰ নৱ নিযুক্ত আৰক্ষী বিষয়া জ্যোতিষ ফুকনে দায়িত্ব লোৱাৰ পৰা অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ ফলত গৰু, ড্ৰাগছ, চুপাৰি, অবৈধ মদ আদি বহু অবৈধ ব্যৱসায় বন্ধ হৈ পৰিছে। ফুকনে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ পিছত বহু ব্যৱসায়ীয়ে পূৰ্বৰ পথ সলনি কৰি নতুন পথেৰে অবৈধ ব্যৱসায় চলাবলৈ লৈছে। আগতে গাড়ীৰে নিয়া গৰু এতিয়া খোজকঢ়াই ভিতৰুৱা পথেদি নগালেণ্ডলৈ নিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰেই অংশ হিচাপে যোৱা ৰাতি ৭ বজাত গৰু লৈ নগালেণ্ডৰ দিশলৈ খোজেৰে গৈ থকা অৱস্থাত জ্যোতিষ ফুকনৰ নেতৃত্বত হালোৱাটিং আৰক্ষীয়ে ১০টাতকৈও অধিক গৰু জব্দ কৰিবলৈ সক্ষম হয়। গৰু খেদি নিয়া বিজু মেদক, লচু কুজুৰ, ভগীৰথ বেদিয়া আৰু কশ্মী কুজুৰক আৰক্ষীয়ে আটক কৰে। এই ব্যৱসায়ৰ মূল ব্যৱসায়িক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। উল্লেখ্য যে হালোৱাটিঙৰ ভাইজানকে প্ৰমুখ্য কৰি কেইবাগৰাকী ব্যক্তি নেপালী বস্তি অঞ্চলত গৰু ব্যৱসায়ৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ আছে।

## ৫৫৭ নম্বৰ লাভ কৰি অঞ্চললৈ কঢ়িয়াই আনিলে গৌৰৱ; বিধায়ক আশ্ৰাফুল ইছলামৰ সম্বৰ্ধনা

# NEET পৰীক্ষাত উজলিল শিমূলটাপুৰ ছাহিৰ আলম

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৮ জুলাই ঃ** সদ্য ঘোষিত সৰ্বভাৰতীয় চিকিৎসা প্ৰৱেশ পৰীক্ষা NEET-2026-ৰ ফলাফলত উজলি উঠিছে গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত শিমূলটাপু গাঁৱৰ মেধাৱী ছাত্ৰ ছাহিৰ আলম। গাঁওখনৰ বাসিন্দা আকবৰ আলী শ্বেখৰ সুযোগ্য পুত্ৰ ছাহিৰ আলমে এই সন্মানজনক পৰীক্ষাত ৫৫৭ নম্বৰ লাভ কৰি কেৱল নিজৰ পৰিয়ালকেই নহয়, সমগ্ৰ অঞ্চললৈও গৌৰৱ কঢ়িয়াই আনিছে। ছাহিৰ আলমৰ এই সফলতাৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলজুৰি আনন্দৰ পৰিবেশৰ সৃষ্টি হয়। ইফালে, ফলাফলৰ খবৰ লাভ কৰাৰ পিছতে ৫ নং পৰ্বতঝোৰা সমষ্টিৰ বিধায়ক আশ্ৰাফুল ইছলামে ছাহিৰ আলমৰ বাসগৃহত উপস্থিত হৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। বিধায়কগৰাকীয়ে ছাহিৰ আলমক এখন ফুলাম গামোচা আৰু এখন জাপিৰে সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁৰ পিতৃ-মাতৃকো ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। এই উপলক্ষে বিধায়ক আশ্ৰাফুল ইছলামে কয় যে, ছাহিৰ আলমৰ এই সাফল্য শিমূলটাপু গাঁও তথা সমগ্ৰ পৰ্বতঝোৰা সমষ্টিৰ বাবে এক গৌৰৱৰ বিষয়। তেওঁ ছাহিৰ আলমৰ উজ্জ্বল ভৱিষ্যতৰ আন্তৰিক শুভকামনা জনোৱাৰ লগতে অঞ্চলটোৰ উঠি অহা নৱ প্ৰজন্মক একাগ্ৰতাৰে পঢ়া-শুনা কৰি জীৱনত প্ৰতিষ্ঠিত হ'বলৈ আহ্বান জনায়। স্থানীয় ৰাইজেও মত প্ৰকাশ কৰি কয় যে, ছাহিৰ আলমৰ এই সফলতাই গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থীসকলক নতুন উৎসাহ আৰু আত্মবিশ্বাস যোগাব। সীমিত সুযোগ-সুবিধাৰ মাজতো অধ্যৱসায় আৰু দৃঢ় সংকল্প থাকিলে যে সাফল্য লাভ কৰিব পাৰি, ছাহিৰ আলমে সেয়া পুনৰবাৰ প্ৰমাণ কৰিলে।

# 'আলোকযাত্ৰী' প্ৰাচীৰ পত্ৰিকাৰ উন্মোচনী সভা সফলতাৰে সম্পন্ন



**অসম বাৰ্তা, নলবাৰী, ১৮ জুলাই ঃ** জুনু ডেকা সোঁৱৰণী পুথিভঁৰালৰ উদ্যোগত আৰু 'নবাৰুণ' গোট, অৰৰাৰ সৌজন্যত প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'আলোকযাত্ৰী'ৰ জুলাই-আগষ্ট, ২০২৬ সংখ্যাৰ উন্মোচনী সভা আজি জুনু ডেকা সোঁৱৰণী পুথিভঁৰাল প্ৰাঙ্গণত সফলতাৰে অনুষ্ঠিত হয়। অনুষ্ঠানটো জুনু ডেকা সোঁৱৰণী পুথিভঁৰালৰ তত্ত্বাৱধায়ক জীৱন চন্দ্ৰ ডেকাই সঞ্চালনা কৰে। অনুষ্ঠানত প্ৰাচীৰ পত্ৰিকা 'আলোকযাত্ৰী'ৰ নতুন সংখ্যাটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক অখিল শৰ্মাই। জুনু ডেকা সোঁৱৰণী পুথিভঁৰালৰ সম্পাদক নগেন তামোলীয়ে আঁত ধৰা অনুষ্ঠানটোত উপস্থিত অতিথিসকলৰ মাজত 'নবাৰুণ' গোটৰ যুটীয়া সম্পাদক ৰাজদ্বীপ কলিতা আৰু মন্ত্ৰষা কলিতাই নিজৰ মনৰ ভাব ব্যক্ত কৰি সাহিত্য-সংস্কৃতি বিকাশৰ ক্ষেত্ৰত এনে পদক্ষেপৰ শলাগ লয়। অনুষ্ঠানটোৰ মাজভাগত জুনু ডেকা সোঁৱৰণী পুথিভঁৰালৰ সম্পাদক নগেন তামোলী, হিতেশ বৈশ্য, প্ৰদীপ বৈশ্য আৰু অৱন্তিকা দাসে সুমধুৰ গীত পৰিৱেশন কৰি উপস্থিত দৰ্শক-শ্ৰোতাক আমোদ দিয়ে। আনহাতে, মুদ্ৰিকা কলা কেন্দ্ৰৰ শিল্পীবৃন্দ, নৃত্যশিল্পী শিৱশ্ৰী শৰ্মা আৰু কাকলি শৰ্মাই মনোমোহা নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটোক অধিক বৰ্ণাঢ্য কৰি তোলে। অনুষ্ঠানটোৰ শেষত জুনু ডেকা সোঁৱৰণী পুথিভঁৰালৰ সাংস্কৃতিক সম্পাদক দিবাকৰ কলিতাই শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সফল সমাপনৰ বাবে উপস্থিত সকলো অতিথি, শিল্পী, সাহিত্যপ্ৰেমী, শুভানুধ্যায়ী আৰু সহযোগীসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

# সুন্দৰীদিয়াত কবি সন্মিলনৰ মত-বিনিময় আৰু স্বৰচিত কবিতা পাঠ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৮ জুলাই ঃ** সাহিত্য-সংস্কৃতিৰ চেতনাক অধিক সমৃদ্ধ কৰাৰ লক্ষ্যৰে বৰপেটাৰ পাৰ্শ্বৱৰ্তী সুন্দৰীদিয়া গাঁৱত ১৭ জুলাই শুকুৰবাৰে "সুন্দৰীদিয়া কবি সন্মিলন"ৰ উদ্যোগত এক গাম্ভীৰ্যপূৰ্ণ মত-বিনিময় সভা আৰু স্বৰচিত কবিতা পাঠ অনুষ্ঠান সফলতাৰে অনুষ্ঠিত হয়। সুন্দৰীদিয়া পশ্চিমহাটীত অৱস্থিত শতবৰ্ষ গৰকা শ্ৰীশ্ৰীমাধৱদেৱ পুথিভঁৰালৰ সভাকক্ষত অনুষ্ঠিত এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি "অসম কবি সন্মিলন"ৰ সভাপতি দীনেশ দাসে কয় যে, "কবিতা হৈছে এনে এক শক্তিশালী মাধ্যম, যাৰ জৰিয়তে মানৱ সমাজত বিশ্বজনীন সত্য, নৈতিক মূল্যবোধ আৰু মানৱীয় চেতনাৰ বিস্তাৰ ঘটাব পাৰি। কবিতাৰ ভাষা সৰ্বজনীন; ইয়াৰ মাধ্যমেৰে সকলো স্তৰৰ মানুহৰ মাজত অনুভূতি আৰু চিন্তাৰ আদান-প্ৰদান সম্ভৱ। কবিসকল যুগদ্ৰষ্টা আৰু ভৱিষ্যৎদ্ৰষ্টা, যিসকলে সমাজৰ কল্যাণৰ উদ্দেশ্যে ইতিবাচক বাৰ্তা প্ৰেৰণ কৰি আহিছে। সেইবাবেই সমাজত কবিসকল সদায় সন্মানীয় স্থানৰ অধিকাৰী।" "সুন্দৰীদিয়া কবি সন্মিলন"ৰ কাৰ্যকৰী সভাপতি তথা বৰপেটা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° বনজিৎ তহবিলদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে সম্পাদক দেৱযানী গায়নে উপস্থিত অতিথি আৰু সাহিত্যপ্ৰেমীসকলক আদৰণি জনোৱাৰ লগতে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকা "অসম কবি সন্মিলন"ৰ সাংগঠনিক সম্পাদক শ্ৰীৰঞ্জিত কুমাৰ কলিতাই ভাষণ প্ৰসংগত কয় যে, মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে ষোড়শ শতিকাত সুন্দৰীদিয়া সত্ৰ স্থাপন কৰাৰ পৰাই এই অঞ্চলত সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনৰ এক সমৃদ্ধ ঐতিহ্য গঢ়ি উঠিছে। গুৰুজনাই "নামঘোষা" ৰচনাৰে আৰম্ভ কৰা কাব্যধাৰা আজিও অব্যাহত আছে আৰু এই মাটিৰ পৰাই অসমৰ সাহিত্য জগতলৈ বহু বিশিষ্ট সাহিত্যিক আৰু কবিৰ উত্থান ঘটিছে। সভাত উপস্থিত অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী, সাহিত্যিক আৰু সাংস্কৃতিক ব্যক্তিত্ব গুণজিত শইকীয়া, কমলাকান্ত শইকীয়া, দীনেশচন্দ্ৰ দাস, তৰণীসেন শইকীয়া, হৰেকৃষ্ণ দাস আদিয়ে নিজৰ অনুভৱ ব্যক্ত কৰাৰ লগতে পৰৱৰ্তী স্বৰচিত কবিতা পাঠ পৰ্বত অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি "বৰপেটা জিলা কবি সন্মিলন"ৰ সদস্য অমৰজিৎ পাঠক, ইলোৰা কলিতা, গীতামণি মেধি, সুমিতা শইকীয়া, হীৰামণি দাস, হৰিদেৱ দাসকে ধৰি বহু নবীন আৰু জ্যেষ্ঠ কবিয়ে স্বৰচিত কবিতা পাঠ কৰি অনুষ্ঠানটো সাহিত্যৰ সজীৱ পৰিৱেশেৰে মুখৰিত কৰি তোলে। অনুষ্ঠানত পাঠ কৰা কবিতাসমূহৰ সমালোচনামূলক পৰ্যালোচনা আগবঢ়ায় সভাপতি ড° বনজিৎ তহবিলদাৰে। অনুষ্ঠানৰ অন্তত "অসম কবি সন্মিলন"ৰ সভাপতি দীনেশ দাসে গুৱাহাটীৰ জালুকবাৰীত অনুষ্ঠিত হ'বলগীয়া সন্মিলনৰ আগন্তুক মধ্যকালীন বাৰ্ষিক অধিৱেশনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ সদস্যসকলক আহ্বান জনায়। সহ-সম্পাদক সুমিতা শইকীয়াই শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত উপস্থিত সকলোৱে সমস্বৰে অসমৰ জাতীয় সংগীত "অ' মোৰ আপোনাৰ দেশ" পৰিৱেশন কৰে আৰু তাৰেই অনুষ্ঠানৰ সামৰণি পৰে।

## বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ বিধায়ক ৰূপেশ গোৱালাৰ

# ৰূপাই চাইডিঙত 'প্ৰজ্ঞা'ৰ উদ্যোগত ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৮ জুলাই ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টি, কালজয়ী গীতসমূহৰ প্ৰতি সাধাৰণ শ্ৰোতা আৰু নৱপ্ৰজন্মৰ অনুৰাগ বৃদ্ধিৰ উদ্দেশ্যৰে সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'প্ৰজ্ঞা' তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আজিৰে পৰা ২২ জুলাইলৈ আয়োজন কৰা পাঁচদিনীয়া ভূপেন্দ্ৰ সংগীতৰ গ্ৰীষ্মকালীন কৰ্মশালাখনিৰ আজি শুভাৰম্ভণি কৰা হয়। এই উপলক্ষে আজি ৰূপাই শতদল শাখা সাহিত্য সভা ভৱনত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই বন্তি প্ৰজ্বলনেৰে কৰ্মশালাখনিৰ শুভাৰম্ভণি কৰে। ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালাৰ মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ৰুণুমণি দত্ত ভূঞা। 'প্ৰজ্ঞা'ৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰচাৰ সম্পাদক ৰঞ্জিৎ গগৈয়ে আঁত ধৰা এই অনুষ্ঠানটিত 'প্ৰজ্ঞা' তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বিপুল ফুকন, অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক সাৰঙ্গ নাথ, মানখোৱা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী টুটুমণি মৰাণ, সাংস্কৃতিক কৰ্মী নমিতা বৰা ডেকা, আয়োজক সমিতিৰ সভাপতি অনন্ত বৰুৱা, সাধাৰণ সম্পাদক লক্ষ্যজ্যোতি মহন্ত, গ্ৰীষ্মকালীন কৰ্মশালাৰ সমষ্টি সমিতিৰ সদস্য ৰাজীৱ শৰ্মা প্ৰমুখ্যে বিশিষ্ট অতিথি বৃন্দ আৰু প্ৰশিক্ষাৰ্থীসকল উপস্থিত থাকে।

# নীট পৰীক্ষাত গোলাঘাটৰ দীপাংকৰ বৰাৰ সাফল্য

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** ৰাষ্ট্ৰীয় যোগ্যতা তথা চিকিৎসা প্ৰৱেশিকা পৰীক্ষা NEET (UG)-২০২৬ত উজ্জ্বল সফলতা অৰ্জন কৰি গোলাঘাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে গোলাঘাট জিলাৰ বৰফুকনখাতৰ দীপাংকৰ বৰাই। তেওঁ ৭২০নম্বৰৰ ভিতৰত ৫৮৭ নম্বৰ লাভ কৰাৰ লগতে ৯৯.২৪৭৪১০৫ পাৰ্চেণ্টাইল অৰ্জন কৰি সৰ্বভাৰতীয় (All India) ৰেংক ১৪, ৬৫১ দখল কৰিবলৈ সক্ষম হৈছে। আনহাতে, OBC-NCL (Central List) শ্ৰেণীত তেওঁৰ ৬, ৮০১ নম্বৰ ৰেংক হৈছে। প্ৰকাশিত ফলাফল অনুসৰি, দীপাংকৰে জীৱবিজ্ঞান (ব'টানী আৰু জুলজী)ত ৯৯.৮৯৭৩৯৪৬ পাৰ্চেণ্টাইল, ৰসায়ন বিজ্ঞানত ৯৮.১২৩৫৫১৫ পাৰ্চেণ্টাইল আৰু পদাৰ্থ বিজ্ঞানত ৯৮.৬৯৪৮৩১৫ পাৰ্চেণ্টাইল লাভ কৰি নিজৰ মেধাৰ পৰিচয় দাঙি ধৰিছে। দীপাংকৰ বৰা গোলাঘাট বৰফুকনখাটৰ অজিত বৰা আৰু উৰ্বশী বৰাৰ পুত্ৰ। তেওঁ কছাৰীহাট জাতীয় বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তিতাবৰৰ প্ৰাগ জ্যোতিকা জুনিয়ৰ কলেজৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰে। NEETপৰীক্ষাৰ প্ৰস্তুতিৰ বাবে তেওঁ অনলাইন 'আন একাডেমী' (Unacademy)ৰ জৰিয়তে নিয়মীয়া ক'চিং গ্ৰহণ কৰিছিল। দীপাংকৰৰ এই কৃতিত্বই পৰিয়াল, শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংক্ষী তথা সমগ্ৰ গোলাঘাট জিলাবাসীৰ মাজত আনন্দৰ জোৱাৰ সৃষ্টি কৰিছে। বহুজনে তেওঁক অভিনন্দন জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতে চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত অধিক সফলতা লাভ কৰাৰ শুভেচ্ছা জনাইছে।

# গোলাঘাটৰ শ্ৰীশ্ৰী বেঙেনাখোৱা বৰনামঘৰত গ্ৰীষ্মকালীন দিহানামৰ কৰ্মশালাৰ শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ জুলাই ঃ** গোলাঘাট নগৰৰ সমীপৰ শ্ৰীশ্ৰী বেঙেনাখোৱা বৰনামঘৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আজিৰে পৰা ১০ দিনীয়া কাৰ্যসূচীৰে গ্ৰীষ্মকালীন দিহানামৰ কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। নামঘৰ চৌহদত অনুষ্ঠিত শুভাৰম্ভণি অনুষ্ঠানত অঞ্চলটোৰ বহু সংখ্যক দিহা নামপ্ৰেমী, অভিভাৱক আৰু ৰাইজ উপস্থিত থাকে। কৰ্মশালাখনত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে বিশিষ্ট দিহা শিল্পী তথা দিহা সম্ৰাট কমলা গগৈ। উদ্বোধনী ভাষণত তেওঁ দিহা নাম অসমৰ এক মূল্যৱান লোক-সাংস্কৃতিক ঐতিহ্য বুলি উল্লেখ কৰি নতুন প্ৰজন্মক এই ঐতিহ্য সংৰক্ষণ আৰু চৰ্চাৰ প্ৰতি আগ্ৰহী হ'বলৈ আহ্বান জনায়। উদ্যোক্তাসকলে জানিবলৈ দিয়ে যে ১০ ধৰি দিন ধৰি চলিবলগীয়া এই কৰ্মশালাত দিহা নামৰ বিভিন্ন দিশৰ ওপৰত তাত্ত্বিক আৰু ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। অনুষ্ঠানৰ শেষত উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰি কৰ্মশালাখনৰ সফল ৰূপায়ণৰ বাবে সকলোৰে সহযোগিতা কামনা কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন